# ছয়দুৱাৰ মহাবিদ্যালয় আলোচনী



সম্পাদক
শ্যামন্ত ভূঞা

# ছয়দুৱাৰ মহাবিদ্যালয়
# গহপুৰ

# CHAIDUAR COLLEGE MAGAZINE
## GOHPUR

Editor : Syamanta Bhuyan

तमसो मा ज्योतिर्गमय

ANNUAL PUBLICATION : 1998-99 THE 15TH ISSUE

বাৰ্ষিক মুখপত্ৰ

# ছয়দুৱাৰ মহাবিদ্যালয় আলোচনী

## ১৯৯৮-৯৯ বৰ্ষ

সম্পাদনা সমিতি

উপদেষ্টা ঃ শ্ৰীযুত গজেন বৰুৱা (অধ্যক্ষ)
ঃ শ্ৰীযুত খগেন গোস্বামী (প্ৰবক্তা)

সভাপতি ঃ শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামী

তত্বাৱধায়ক ঃ শ্ৰীযুত মাণিক চন্দ্ৰ গগৈ (প্ৰবক্তা)
ঃ শ্ৰীযুত মাধৱ বৰা (প্ৰবক্তা)

সম্পাদক ঃ শ্ৰীশ্যামন্ত ভূএগ

সদস্য/সদস্যা ঃ শ্ৰীপদ্ম দলে
ঃ শ্ৰীৰশ্মিৰেখা শৰ্মা
ঃ শ্ৰীদুলেন বৰা
ঃ শ্ৰীচুমি বৰঠাকুৰ
ঃ শ্ৰীচন্দন বৰুৱা

বেটুপাত ঃ শ্ৰীমাধৱ বৰা (প্ৰবক্তা)

অলংকৰণ ঃ শ্ৰীশ্যামন্ত ভূএগ, শ্ৰীপদ্ম দলে

ফটো ঃ কলেজ ষ্টুডিঅ' (গহপুৰ)

ছপাওঁতা ঃ মাইক্ৰোছ'ফট ডি.টি.পি. এণ্ড প্ৰিণ্টাৰ্ছ
লখিমী পথ, আৰ. জি. বৰুৱা ৰোড
গুৱাহাটী -- ২৪
ফেক্স আৰু ফোন নং ঃ ৪৫৯৭৩৪

প্ৰকাশক
ছাত্ৰ একতা সভাৰ হৈ আলোচনী সম্পাদক শ্যামন্ত ভূএগ ও তত্বাৱধায়ক শ্ৰীমাণিক চন্দ্ৰ গগৈ আৰু শ্ৰীমাধৱ বৰা (প্ৰবক্তা)



## জ্যোতিৰ অপৰূপ দৃষ্টিৰে

ওপজা গাঁৱৰ পৰা
জান-জুৰি নৈয়েদি
লুইতৰ ঘাটেদি
জোনাকত বালিভাত খাই
সোৱণশিৰীয়া সোণ নিতৌ কমাওঁ
মাৰ যোৱা বেলিটিৰ/জিলিঙনি লেপি মই
নতুন পুৱাৰ ছবি চাওঁ
মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহলৈ যাওঁ।

# অৰ্পণ

জীৱনটোক জীয়াই ৰখাটোৱেই হৈছে মানুহৰ আটাইতকৈ ডাঙৰ অধিকাৰ। আৱেগ-অনুভূতি, বোধ-উপলব্ধি, আনন্দ আৰু বেদনাৰ তাড়নাৰে যিসকল শ্ৰদ্ধেয় ব্যক্তিয়ে সৃষ্টিশীল কৰ্মৰাজিৰ মাজেদি নিজকে সহৃদয়তাৰে আত্মনিয়োগ কৰাই দেশ-কাল-জাতিক সৌন্দৰ্য দিলে, সেইসকল শিল্পী, সাহিত্যিক, প্ৰেমিকক কৃতজ্ঞচিত্তে সুঁৱৰি আমাৰ এই মৰমৰ, হেঁপাহৰ আলোচনী সংখ্যাটি আপোনাসবৰ নামত অৰ্পণ কৰিলো।

# সূচীপত্ৰ

## প্ৰবন্ধ


১। কবি আৰু কবিতা — ✍ শ্ৰীদুৰ্গাপ্ৰসাদ সভাপণ্ডিত — ১
২। ন'বেল বঁটা বিজয়ী ভাৰতীয় অৰ্থনীতিবিদজন — ✍ ৰশ্মিৰেখা শৰ্মা — ৪
৩। গেছ চেম্বাৰত স্বাধীনতাৰ অৰ্থনৈতিক প্ৰস্তাৱ — ✍ জয়ন্ত কৃষ্ণ শৰ্মা — ৬
৪। কবি নলিনীবালা দেৱীৰ প্ৰকাশিত কবিতা পুথিসমূহৰ ওপৰত এটি আলোকপাত — ✍ শ্ৰীযশোদা কোঁৱৰ — ৮
৫। প্লাজমা — ✍ শ্ৰীনীলমণি শইকীয়া — ১০
৬। আমাৰ সমাজ-সংস্কৃতি আৰু আমি — ✍ চুমি বৰঠাকুৰ — ১২
৭। লেজাৰ, অৰ্ধপৰিবাহী লেজাৰ আৰু কোৱাণ্টাম কূপ গাঁথনি — ✍ শ্ৰীমতী ৰীতামণি বৰা — ১৫
৮। মৌখিক লোক-সাহিত্য — ✍ তুলিকা টাইদ — ১৯


## গল্প


১। অব্যক্ত বেদনা — ✍ শ্ৰীদিপ্তী শইকীয়া — ২২
২। ডায়েৰিয়া — ✍ ৰ'জি ৰাণী শৰ্মা — ২৪
৩। প্ৰেমৰ অন্য নাম — ✍ শ্ৰীৰুবুল সন্দিকৈ — ২৬
৪। জখলা — ✍ ৰুবুল পাটোৱাৰী — ২৮
৫। আশীৰ্বাদৰ সুবাস — ✍ খগেন গোস্বামী — ২৯
৬। আধা ব্যক্তিগত — ✍ দিগন্ত গোহাঁই — ৩২
৭। নিশাৰ সপোন — ✍ মিছ অৰ্চ্চনা গঁগৈ — ৩৩


## কবিতা


৩৫-৪০

কবিতা, স্মৃতি, অবৈধ, মোৰ দুখ, এজাক ৰূপহী গাভৰুৰ হাঁহি, তুমিয়েই মোক বিপ্লৱী কৰিছিলা, হে মহান ছহিদ, নমস্কাৰ, দুঃসময়ৰ গান, কলমৰ সংবাদ, মোৰ স্থিতি পোহৰৰ জয়গান, এন্ধাৰত তিনিটা কবিতা, সাক্ষী, সাপ, মই উজাগৰে আছোঁ, আহা জিমি আহা,বাঁহী, মোৰ সোণৰ পক্ষীজনী, সময় দুঃসময়


## সাক্ষাৎকাৰ


শ্ৰদ্ধেয় চৈয়দ আব্দুল মালিকৰ লগত ইটো-সিটো আৰু এখন্তেক আলাপ — ৪১


## English Section


1. Education in the Twenty first Century — ✍ A. Gautam — 46
2. WHAT IGNORE LEADS WHAT MEASURE BRINGS? — ✍ Mr. Jyoti Daimary — 48
3. Taj Mahal : Symbol of Love — ✍ Sri Khanindra Das — 50
4. Importance of English language and its place in Assam — ✍ Surat Basumatary — 51
5. EXAMINATION REFORM : A NEW DEAL FOR STUDENTS — ✍ Purabi Baruah (Dutta) — 53


## Poetry


56-57

Being with you, MY MOM AND AN A.K.-47, THANK YOU, I LOVE YOU, HOPE


## প্ৰতিবেদন


৫৮-৬৯

## কৃতজ্ঞতা

১। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গজেন বৰুৱা, উপাধ্যক্ষ শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামী, উপদেষ্টা শ্ৰীযুত খগেন গোস্বামী, তত্বাৱধায়ক শ্ৰীযুত মানিক চন্দ্ৰ গগৈ আৰু শ্ৰীযুত মাধৱ বৰা, মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় শিক্ষাগুৰুসকল আৰু কাৰ্যালয়ৰ কৰ্মকৰ্তাসকল,

২। এই সংখ্যা আলোচনীৰ বাবে লেখনি আগবঢ়োৱা সন্মানীয় লেখক-লেখিকাসকল,

৩। নিজৰ মনৰ কথাৰে আমাৰ লগত মুখামুখি হৈ কথা-বতৰা পাতি আনন্দ দিয়া কথাশিল্পী, ঔপন্যাসিক, সাহিত্য সাধক চৈয়দ আব্দুল মালিক ডাঙৰীয়া,

৪। বেটুপাতৰ শিল্পী শ্ৰীমাধৱ বৰা ছাৰ,

৫। আলোচনীখনৰ নিৰ্মাণত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ, সহায়-সহযোগ আগবঢ়াই উৎসাহ-উদ্দীপনা যোগাওতা প্ৰিয় বন্ধু-বান্ধৱীসকল,

৬। যাৰ প্ৰেৰণা আৰু হিয়া উজাৰি দিয়া অফুৰন্ত প্ৰেমে সাহসী কৰি মুকলি কৰি দিলে মনৰ সাহস সেইসকলক,

৭। মাইক্ৰ'ছফ্‌ট ডি. টি. পি. এণ্ড প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীযুত সুস্মিত চক্ৰৱতী আৰু কৰ্মীবৃন্দ,

৮। 'কলেজ ষ্টুডিঅ'ৰ উৎসাহী ডেকা মৰমৰ অনুপদা,

এই সকলোটিকে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

## সম্পাদকৰ ক্ষমা বন্তি

নিজকে আকাশৰ দৰে উদাৰ বুলি ভাবি লৈ বৰ আগ্ৰহ আৰু হেঁপাহেৰে ভাবিছিলো আলোচনীখন সুন্দৰ হওক, ওজনসমৃদ্ধ হওক। কিন্তু, ক'ত কেনেকৈ সুৰুঙা ওলাই আলোচনীখনৰ শৰীৰৰ শ্ৰীবৃদ্ধিত আসোঁৱাহ থাকি গ'ল মই নিঃকিনে নাজানিলো। এয়া মোৰ নিজৰেই দীনতা। তাৰোপৰি বহুতো বন্ধু-বান্ধৱী আৰু শ্ৰদ্ধেয় লোকে এই সংখ্যাটি সজাবৰ বাবে লেখনি আগবঢ়াইছিল যদিও ঠাই নতুবা অন্যান্য অসুবিধাত আমি সকলোকে সমানে ঠাই দিব নোৱাৰিলো। যিসকলৰ লেখনিয়ে আলোচনীখনৰ বুকুত প্ৰকাশৰ সুবিধা পোৱা নাই, সেইসকলৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ। আপোনালোকে মোক দায় নধৰিব। মই কেৱল ক্ষুদ্ৰ চিন্তাৰে ক'ব পাৰোঁ আপোনালোকে লিখক, লিখি থাকক। লিখাৰ আনন্দ অপাৰ। জ্ঞান-অভিজ্ঞতাৰ মানত নিচেই কেঁচা আৰু নিশকতীয়া হোৱাৰ বাবে বহুতো ভুল-ভ্ৰান্তি খোজে পতি হয়তো ৰৈ গৈছে। তাৰ বাবেও গ'লে বস্ত্ৰে ধৰি সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছোঁ।



০৩৬১-৫৬১৩৭১ (কাৰ্য্যালয়)
৫৬০১০৬ (বাসস্থান)
৫৬১১৬১ (বাসস্থান)
৫৬০৫৬৫ (ফেক্স)

সত্যমেব জয়তে

তাৰিখ ঃ ২১-৮-৯৯

**শ্ৰীগণেশ কুটুম**
অধ্যক্ষ
অসম বিধান সভা
দিশপুৰ, গুৱাহাটী-৬

# শুভেচ্ছা বাণী

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই মহাবিদ্যালয়ৰ ১৯৯৮/৯৯ বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰি উলিয়াবলৈ যো-জা কৰা বুলি জানিব পাৰি মই অত্যন্ত আনন্দিত হৈছোঁ। ঐতিহ্যমণ্ডিত ছয়দুৱাৰ অঞ্চলৰ উচ্চশিক্ষাৰ অনুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়খনে অঞ্চলটোৰ শৈক্ষিক-সামাজিক দিশত এক সবল নেতৃত্ব দি আহিছে।

মহাবিদ্যালয়ৰ আলোচনী একোখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক চিন্তা-চৰ্চাৰ দাপোণ স্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ সুকুমাৰ মনৰ চিন্তাপ্ৰসূত ন-ন সাহিত্য ৰচনায়ো সাধাৰণতে প্ৰথম প্ৰকাশৰ মুখ দেখে এনে আলোচনীৰ পাততে। বিদ্যালয়/মহাবিদ্যালয়ৰ মুখপত্ৰতে পোন প্ৰথমে নিজৰ সাহিত্য-কৰ্মৰ পাতনি মেলি পৰৱৰ্তী কালত কবি-সাহিত্যিক-নিবন্ধকাৰ হিচাপে যশ-খ্যাতি অৰ্জাৰ অনেক উদাহৰণ আমাৰ মাজতে আছে। আনহাতে এনে আলোচনী একোখনত বিদ্যালয়/মহাবিদ্যালয়ৰ সামগ্ৰিক প্ৰতিচ্ছবি এটিও ফুটি উঠা দেখা যায়।

আশা কৰোঁ সংশ্লিষ্ট সকলোৰে সহযোগিতাত ছয়দুৱাৰ মহাবিদ্যালয়েও এখন সৰ্বাঙ্গ-সুন্দৰ আলোচনী প্ৰকাশ কৰিবলৈ সমৰ্থ হ'ব। আলোচনীখনৰ পাতে পাতে ছাত্ৰ-ছাত্ৰীসকলৰ উন্নত বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটাৰ লগতে সৃষ্টিশীল মনৰো বিকাশ ঘটিব বুলি আশা প্ৰকাশ কৰিলো।

*(গণেশ কুটুম)*



৺ পূৰবী দত্ত বৰুৱা

*সকলো মানুহ জিকি জিকি হাৰি যায়।*
*জ্ঞাতে বা অজ্ঞাতে নিজকে সমৰ্পণ কৰে নিজৰ হাতত*
*পৰম্পৰৰ প্ৰতি অনুৰাগ, প্ৰেম; বৰযুণৰ দৰে সকলো পাৰ*
*হৈ যায়।*

অৱশেষত পৰিচিত ঘৰ, আচবাব, চকী-মেজ, কিতাপ-কলম — এসাজ শুৱনি কাপোৰ, ভাল পোৱা ভাল নেপোৱা সকলো মানুহ, মৰমৰ ঋতু, দিন, বাৰ, মাহ আৰু সময়, চিনাকি পৃথিৱী সকলোকে এৰি পূৰবী দত্ত বৰুৱা বাইদেউ গ'লগৈ। নিয়তিৰ বিধান অনুসৰি 'নিজকে সমৰ্পণ কৰিলে নিজৰ হাতত'।

উজ্জ্বল দুটি চকুৰ দীপ্তিৰে মহীয়ান, সহজ-সৰল অথচ মৰম আকলুৱা, স্নেহ বিচাৰি অভিমান কৰা, ৰাজহংসী খোজেৰে থাউকিয়াল মানুহগৰাকী আজি আমাৰ মাজত নাই। বাইদেউ গুচি গ'ল। ক'লৈ গ'ল আমি নাজানো; কিন্তু এটা কথা নিশ্চিতভাৱে জানো, যিটো বাটেৰে তেওঁ গুচি গ'ল সেই বাটৰ পৰা তেওঁ আৰু আমাৰ মাজলৈ কেতিয়াও ঘূৰি নাহে, আহিব নোৱাৰে। তথাপি ভাব হয়ঃ "....সোঁৱৰণি গুমৰি উঠে, নিৰন্ন সময়ৰ সুগন্ধ তেজৰ প্ৰৱাহে প্ৰৱাহে।"

তেজপুৰৰ ওচৰৰ ৰূপাজুলি চাহ বাগিছাত ১৯৫৭ চনত জন্মগ্ৰহণ কৰা পূৰবী বাইদেউ সৰুৰে পৰাই আছিল অতি মেধাৱী আৰু বুদ্ধিমতী। হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুটা বিষয়ত 'লেটাৰ নম্বৰ' সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা বাইদেৱে কটন মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা আৰু ডিগ্ৰীৰ প্ৰমাণ-পত্ৰ পাইছিল। অধ্যয়ন আৰু অধ্যাপনাকেই জীৱনৰ উচিত সম্বল ৰূপে নিৰ্ণয় কৰি লোৱা বাইদেৱে গঢ়ি তুলিব খুজিছিল এটা সুন্দৰ তথা সমৃদ্ধিশালী জীৱনৰ বুনিয়াদ।

পূৰবী বাইদেউ এগৰাকী প্ৰগতিশীলা নাৰী। চিন্তা-চৰ্চা আৰু কাম-কাজৰ নিখুঁত পৰিণতিৰে নিজৰ ব্যক্তিত্ব আৰু আদৰ্শক সজাই তুলিব খোজা বাইদেউৰ মাৰ্ক্সীয় ধ্যান-ধাৰণাৰ প্ৰতি আছিল অকৃত্ৰিম শ্ৰদ্ধা। সেয়েহে বাস্তৱ জীৱনৰ সঁচা প্ৰতিশ্ৰুতিৰে সমাজ জীৱন আৰু জগতক প্ৰত্যক্ষ কৰিবলৈ তেওঁ অতুল সাহস সঞ্চয় কৰিব পাৰিছিল। নানান সমস্যা সংঘাতে জুৰুলা কৰা আমাৰ জীৱনধাৰাক সঁজাল কৰি অনুপম ৰূপ দিব পৰা কিটিপ-কৌশলক বাইদেৱে আয়ত্ত কৰিবলৈ শিকি সমকালীন জুৰুলা ব্যৱস্থাক প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰিব খুজিছিল।

কিন্তু সময়ে সেই সুযোগ নিদিলে। চকুত অজস্ৰ সপোন আঁকি মাটি আৰু মানুহৰ মোহত আত্মহাৰা বাইদেউক কঠিন ৰোগে লগ ল'লে। দীৰ্ঘদিন চিকিৎসাৰ ফল হৈ পৰিল বিষময়। কবিতাপ্ৰিয় মানুহগৰাকীৰ জীৱনটোৱেই হ'ল অসম্পূৰ্ণ, অসমাপ্ত। স্তব্ধ হ'ল প্ৰাণৰ সুৱাগী গান। দুকুৰিৰ ডেওনা পাৰ কৰি বাইদেউ আৰু আগুৱাই যাব নোৱাৰিলে। অহৰহ চিকিৎসাৰ মাজতে থাকিও ১৩ ডিচেম্বৰ, '৯৮ তাৰিখে অনুচ্চাৰিতভাৱে ঘোষণা কৰিলে — 'মৃত্যুও এটা শিল্প'। বাইদেউৰ মৃত্যুৱে আমাক শোক দিলে, কন্দুৱালে। দুধাৰি চকুলো বোৱাই আমি আজি শ্ৰদ্ধাৰে বাইদেউক সোঁৱৰিছোঁ, — তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক।

*বাইদেউৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ দ্বাৰা ৰচিত এই কবিতাটি দিয়া হ'ল —*

## আহ্বান

সময়বোৰ দুঃসময়
সপোনবোৰ যেন দুঃস্বপ্ন
শৰীৰত মেৰামতি কৰা বিকল যন্ত্ৰ
হৃদয়ৰ গীতবোৰ বেসুৰা হোৱাৰ দুখত মই ক্লান্ত।
হিয়াৰ মণিকোঠাত
হঠাতে অনুভৱ কৰোঁ নতুন পুৰুষৰ মহান মন্ত্ৰ
বিশ্বৰ ছন্দে ছন্দে খোজ দিয়াৰ দৃঢ় সংকল্প।
স্বাগতম বন্ধু,
হতাশাৰ জড়তা আঁতৰাই
আহাঁচোন লগে-ভাগে আশাৰ কঠীয়া সিঁচোঁ
এই দেশৰ মাটি হেনো সাৰুৱা জীপাল।



# সম্পাদকীয়



আমি জীয়াই থাকিবলৈ সুখ-শান্তি, আনন্দ বিচাৰোঁ। নানান সমস্যা সংঘাতৰ মাজেদি গঢ়ি উঠে একোটা পাৰ্থিৱ জীৱন। জীৱনৰ লগত কলা-সাহিত্যৰ এৰাব নোৱৰা সম্পৰ্ক। এই সম্পৰ্ক চিৰন্তনীয় কৰি ৰাখিবৰ কাৰণে মানুহ সভ্য হৈ উঠাৰ পৰা আজি পৰ্যন্ত দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দি আহিছে। এনে যুঁজাৰু বীৰসকলকে কোৱা হয় শিল্পী-সাহিত্যিক।

সাহিত্যই এটা জাতিক ৰাখে, বিভিন্ন দিশৰ পুষ্টি যোগান ধৰি উন্নতৰ পৰা উন্নততৰ কৰিবলৈ বাট মোকলাই দিয়ে। মানুহ সেই বাটৰে বাটৰুৱা, মানুহৰ চিন্তা আছে, মগজু আছে, তাৰ বিকাশ সাধনেই হোৱা উচিত মানুহৰ প্ৰকৃত লক্ষ্য। শিক্ষানুষ্ঠানবিলাক হৈছে এখন বহল পথাৰ, য'ত থিয় হৈ জ্ঞান-মুকুতা গোটাই নিজে উজলি উঠি আনকো উজলাই তুলিবলৈ সেই পথাৰখনে সুবিধা দিয়ে। মন আৰু মগজুৰে শিক্ষাৰ কঠীয়াতলিখনতেই গঢ়লৈ উঠি জ্ঞানৰ পুলি-পোখা মেলে। আচল অৰ্থত এয়াই হৈছে মানুহৰ মানসিক বিকাশ সাধনৰ বিৰাট অন্বেষণ। আৰু ইয়াৰ পৰাই খোপে খোপে আহে জীৱনলৈ উত্তৰণ।

আমি আজি নানান সমস্যাৰে জৰ্জৰিত। আজি আমি উচ্ছৃংখল হৈছোঁ, আমি বিলাসী হৈছোঁ, আমি শোষক হৈছোঁ, আমি শোষিত হৈছোঁ। নানান সমস্যাই টানি আঁজুৰি অনিশ্চিতভাৱে অৱক্ষয়িত কৰিছে। তাৰ ফলত আমি হতাশ হৈছোঁ। এই সৰ্বগ্ৰাসী কোঙা অৱস্থাৰ অন্ত পেলাবলৈ আমি ছাত্ৰ সমাজৰ কঠোৰ দায়িত্ব আছে বুলি ভাবোঁ। জীৱনৰ লগত জড়িত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশৰ পেঁপুৰা লগা অৱস্থাৰ পৰা মুক্ত আৰু স্বাধীন হৈ আমি ক'ব পাৰিব লাগিব শিক্ষাই জীৱন, জীৱনেই সাহিত্য। আমাক জীয়াই থাকিবলৈ সাহিত্য লাগে।

আমাৰ এখন বৌদ্ধিক জগত আছে। এই জগতখনক জীয়াই ৰাখিবলৈ অন্যান্য অনুষ্ঠানৰ দৰে মহাবিদ্যালয়সমূহেও বছৰি একোখন মুখপত্ৰ উলিয়ায়। তাতেই অনুষ্ঠানটোৰ স্বাস্থ্য জিলিকি উঠে। আমিও ভাবিছোঁ আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে আপোনালোকৰ ওচৰত আমি থিয় হৈছোঁ, আমাৰ আশা-আকাংক্ষা, সমস্যা-সংঘাত, উন্নতি-অধোন্নতি আপোনালোকৰ আগত প্ৰতিবিম্বিত হৈছে। এই আটাইবোৰ দিশ চালি-জাৰি সুধীজনে আমাক সু-পৰামৰ্শ দিয়ক — এয়া আমি আটায়ে কামনা কৰোঁ।

মহাবিদ্যালয়ৰ দৰে অনুষ্ঠান এটাৰ আলোচনী এখন সম্পাদনা কৰাটো সহজ কথা নহয়। তথাপি এই কথা পাহৰিলে নচলিব, জীয়াই থাকিবলৈ আমাক পোহৰো লাগে। সেই পোহৰৰ সন্ধানতে অগ্ৰগামী আৰু উত্তৰণৰ আশা বুকুত বান্ধি মই যি দায়িত্ব পালনৰ বোজা মূৰ পাতি ল'লো এইক্ষেত্ৰত মোক সকলোৰে সহায় আৰু সু-পৰামৰ্শ আগবঢ়াইছে। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীগজেন বৰুৱা ছাৰ, উপাধ্যক্ষ শ্ৰীঅচ্যুতানন্দ দেৱ গোস্বামী ছাৰ, উপদেষ্টা শ্ৰীখগেন গোস্বামী ছাৰ, তত্বাৱধায়ক শ্ৰীমাণিক চন্দ্ৰ গগৈ ছাৰ আৰু শ্ৰীমাধৱ বৰা ছাৰৰ লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় শিক্ষাগুৰুসকলে মোক যি উৎসাহ আৰু উদ্দীপনা যোগালে সেই কথা মই আনক বুজাই ক'ব নোৱাৰিম। তেখেতসকলৰ ওচৰত মই সদায় ঋণী হৈ থকাৰ প্ৰতিশ্ৰুতি ৰাখিছোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱসকলৰ একান্ত সহায়-সহযোগ আৰু সৎ পৰামৰ্শ কেতিয়াও পাহৰি নাযাওঁ। তেওঁলোককো মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ। বিভিন্ন অভাৱ-অসুবিধা, আলৈ-আহুকাল আৰু অন্তৰায়সমূহে বাট ভেটি ভেটি ধৰা সত্বেও পলমকৈ হ'লেও সম্পাদনা সমিতিৰ সদস্যসকলৰ প্ৰেৰণাত অতি নিঃকিনভাৱে আপোনালোকৰ হাতত তুলি দিলো। আশা কৰিছোঁ আপোনালোকে সেয়া মোৰ সীমাবদ্ধতা বুলি ভাবি ক্ষমা কৰিব। এই ক্ষেত্ৰত পৰৱৰ্তী সম্পাদকগৰাকীয়ে এটা অনিবাৰ্য আৰু বাঞ্ছিত ফল পাবৰ বাবে অহোপুৰুষাৰ্থ কৰিব বুলি মই নিশ্চিত হৈ ৰ'লো।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

জয় আই অসম

শ্ৰদ্ধাৰে —

শ্যামন্ত ভূএগ


প্রবন্ধ
গল্প
কবিতা

# কবি আৰু কবিতা

শ্ৰীদুৰ্গাপ্ৰসাদ সভাপণ্ডিত
*প্ৰবক্তা, অসমীয়া বিভাগ*

কবিতা বাস্তৱময় সৃষ্টি। কবি হ'ল ইয়াৰ স্ৰষ্টা। কবি আপোনা-আপুনি সৃষ্টি হয়। কোনো মেহনত কৰি কবি হ'ব নোৱাৰে। কবিৰ নিজা পৰিতুষ্টি, ব্যক্তিগত পৰিতৃপ্তি, প্ৰাণৰ বেদনাৰ উপশমৰ নিমিত্তে আত্মপ্ৰকাশ হয় বুলি কোৱা হয়। বাস্তৱ জগতৰ সাধাৰণ একোটা দৃশ্য অথবা ঘটনাই কবিৰ প্ৰাণত অলেখ সুকোমল প্ৰেৰণাৰ স্পন্দন সৃষ্টি কৰে। এই প্ৰেৰণাৰ ফলতে কবি-প্ৰাণত ভাৱ তৰঙ্গৰ সৃষ্টি হয়। কোনো শুভক্ষণত কবিৰ হৃদয়ত ঐশ্বৰিক অনুভূতি জাগ্ৰত হৈ আলোড়িত হ'লে পৰিৱেশ সাপেক্ষে সৌন্দৰ্যশালী ৰূপত কবিতা হিচাপে প্ৰকাশ পায়।

কবি আটক ধুনীয়া এটি বিহঙ্গৰ দৰে। "A poet is a nightingale who sits in darkness and sings to others its own solitate with sweet sound." এই সুমধুৰ সঙ্গীতৰ মাজত নিহিত হৈ থাকে 'সত্যম শিৱম সুন্দৰম'ৰ স্বৰূপ প্ৰতিফলিত কৰাৰ বাসনা।

কবিতা হৈছে তীব্ৰ আৱেগৰ পৰা ওলোৱা সুললিত নিজৰাৰ সাগৰ সংগম। কবিতা জীৱনৰ অভিজ্ঞতা, প্ৰাণৰ অশান্ত বাসনা, সুন্দৰৰ প্ৰতি অনিদ্ৰ ধাউতি, সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ বিচৰা এটি শুৱলা প্ৰয়াস। আদিকবি বাল্মীকিৰ পৰা সাম্প্ৰতিক যুগৰ কবিলৈকে, সকলো ভাল ভাল কবিতালৈ লক্ষ্য কৰিলেই অনুভৱ কৰিব পাৰি যে সুযম চিন্তা, গভীৰ ধ্যান, তীব্ৰ আৱেগ আৰু তীক্ষ্ণ অনুভূতিৰ পৰাই কবিতাৰ জন্ম হয়। প্ৰকৃততে কবিতাই কবি হৃদয়ৰ গোসাঁই ঘৰৰ পবিত্ৰ ভাৱৰাশি বোৱাই আনে জগতলৈ। সেই কাৰণেই কবিতাক কবিৰ মনোৰাজ্যৰ ৰাণী আখ্যা দিব পাৰি।

কবিতা ৰাণীৰ আকুল বাণীত
যুগৰ চকৰী ঘূৰে
মৰম পৰশা হিয়াৰ মাজত
কলিজা শীতল পৰে।

কবি-মানসৰ উচ্চতম চিন্তাধাৰাৰ পৰা উদ্ভূত শব্দ সম্ভাৰে গ্ৰহিতাৰ হৃদয় আলোড়িত কৰিব পৰাতে কবিতাৰ সাৰ্থকতা। দাম্পত্য মিলনৰ স্বৰ্গীয় সুখৰ পৰা বঞ্চিত ক্ৰৌঞ্চ পখিটিৰ বেদনা-বিভোৰ অৱস্থা দেখি বাল্মীকিৰ হৃদয়ত যি করুণ ভাৱৰ জোৱাৰ উঠিল তাৰ পৰাই জানো মহাকাব্যৰ 'মা নিষাদ' আদি বিখ্যাত শ্লোক সৃষ্টি হোৱা নাই?

প্ৰকৃততে কবিৰ হৃদয়ৰ ভাৱৰ তীব্ৰ আলোড়নৰ ফলতেই কবিতাত —

নৃত্যপটীয়সীৰ লয়লাস গতিত
বিজুলী চমক লাগে
যশস্বিনীৰ ৰূপৰ ৰাণীৰ
কোনেনো চমক ভাঙ্গে?

বাহ্যিক তথ্য, কবিৰ সাধনা যেতিয়া ভাৱৰ সামগ্ৰী হৈ আমাৰ মনৰ লগত ৰসৰ প্ৰভাৱ পৰে, তেতিয়াই সহৃদয়জনে আশা কৰে সেই অৱস্থাই সৰ্বকালৰ সৰ্বজনৰ মঙ্গল দান কৰক।

কল্পনাৰ মূৰ্ত বিকাশ হ'লেই কবিতাই আত্মপ্ৰকাশ পায়। কল্পনানো কি? ই হৈছে মানৱ-প্ৰাণত নিহিত থকা এক সৃষ্টিমূলক শক্তি। ইয়াৰ দ্বাৰাই কবিয়ে জাগতিক সাধাৰণ বিষয়তে অসাধাৰণ ৰূপ দেখা পায়। যাৰ ফলত কবি গভীৰ চিন্তাৰ অধিকাৰী হৈ কবিতাৰ নিজৰা বোৱায়। এই অৱস্থাকে কবিতাৰে প্ৰকাশ কৰিলে —

জলক তভক আচমাম আলিত
জ্ঞান-গৰিমাৰ পিছল ঘাট,
নিজৰি নিজৰি গাগৰি ভৰে
নিজৰা পাৰৰ সুগম বাট।

আধুনিক কাব্যামোদীসকলে যাক 'Emotional morality' বোলে, কবিসকলে সেই অনুভূতিৰ স্পন্দনৰ বাস্তৱতাৰ প্ৰতি সদায় সন্দিহান। কবি সদায় কল্পলোকত বিচৰণ কৰিলেও বাস্তৱৰ প্ৰতি আওকাণ কৰিব নোৱাৰে। ইয়াকে কয় মাটিৰ মানুহৰ স্বৰ্গ বসতি। কবিতাৰ বাহ্যিক ৰূপ যুগে যুগে সলনি হ'লেও অন্তৰ চিৰস্থায়ী। কবিয়ে সদায় অন্বেষণ কৰে —

The light that never was on sea or land
The conseeration and the poets dreams.

ৰোমাণ্টিক যুগলৈকে কবিসকলে মাটিৰ মানুহৰ হৃদয়

সংবাদ সাংগিতিক মাধুৰ্যৰে প্ৰকাশ কৰিছিল। কিন্তু বৰ্তমান যুগৰ কবিয়ে সহজ কথাৰে সৰল প্ৰাণৰ বাতৰি দিয়াৰ চেষ্টা কৰে। ইয়াকে কৰিবলৈ বিভিন্ন ৰুচি, অৱস্থা, মনৰ খাপ খোৱাৰ জোখাৰে জ্ঞানৰ অধিকাৰী হ'ব লাগে কবিসকল।

সাম্প্ৰতিক কবিতা জ্ঞান-গৰিমাৰ।
বুদ্ধিৰ ভৰসা আছে,
অনুভুতিৰ তপত তেলত
প্ৰাণে অঞ্জলি যাচে।

আগৰ কবিতাৰ তুলনাত বৰ্তমানৰ কবিতা দুৰ্বোধ্য বুলি কোনো কোনোৱে কয়। কিন্তু এইবিধ কবিতাৰ আখলত যি ধুতিগাৰে প্ৰৱেশ কৰিছে তেওঁহে বুজিব আজিৰ কবিতা –

ৰূপে ৰসে অনিন্দ্ৰিয়
স্তন্যপায়ী শান্তনু শিৰ।
অন্তৰাগৰ জাহ্নৱী বধূ
বাসৰ সজা অতিকৈ মধু।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কবিতাক লাজুকী কইনা বুলি আখ্যা দিয়াৰ দৰে আমি ক'ব খোজোঁ বৰ্তমান কবিতা –

লাজুকী কইনাৰ মেহেন্দী বোল
ন-যথৌ, ন-তস্থৌ ভাব বিভোল
ব্যঞ্জন বিলাসত ৰচৌ চৌ
মনোহৰ ভাবত উঠিল ঢৌ।

কবিৰ হৃদয়ত সৃষ্টি হোৱা আলোড়নেই শব্দ, প্ৰতীক, চিত্ৰকল্প, বাক্যভঙ্গী আদিৰ মাজেদি পাঠকৰ হৃদয়ত প্ৰৱেশ কৰে অদম্য ৰূপত –

নিমাতী সুন্দৰীৰ
গোলাপী বাসতি
সুনাম ৰসিকৰ হাইটালি
নিৰ্বোধ মানৱৰ
সবোধ কাৰুণ্যত
বিস্তাৰিত মৌৱা চৰ্ফল।

কবি-কল্পনাৰ এটি সুখকৰ অৱস্থা সদায় থাকে। সেয়েহে সমালোচকে ক'ব খোজে –

Imagination is a pilgrim on the Earth
And her home is in heaven.

পখিবোৰে সিহঁতৰ ডেউকা যিমান সবল কৰি আকাশত বিহাৰ কৰিব, সিমানেই ৰোমাঞ্চকৰ পৃথিৱীখনৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিব। কবিসকলৰ ক্ষেত্ৰতো একেই কথা। কবিয়ে মন আৰু বিষয়বস্তুৰ মাজত ঐক্য স্থাপন কৰে কল্পনা শক্তিৰে। কবিৰ দায়িত্ব গভীৰ। তেওঁলোকে হৃদয়ৰ অশৰীৰী অনুভৱ শৰীৰী ৰূপত পাঠকৰ আগত দাঙি ধৰিব লাগিব। সৰ্বসাধাৰণৰ সন্মুখত ভাহি অসংখ্য ভাবৰাশিৰ মাজৰ পৰা বিশিষ্ট ভাব বাছি লৈ বিষয় আৰু বিষয়ীৰ ৰাজযোৱা পাতি সালংকৃতাকৈ কইনা সজাই কবিতাক পাঠকৰ সন্মুখত উপস্থিত কৰাব লাগিব। নতুন কবিসকলে জনহৃদয়ৰ ওচৰ চাপিবলৈকে সাধাৰণ লোকৰ 'কথা'ৰ আশ্ৰয় লয়। উদাহৰণ কবিতাৰে দিব পাৰি –

মানুহজন অমানুহ হ'লে
কলাখাৰৰ চোক গ'ল
পিটনিৰ পোতা শালত
শালে শিঙ্গিয়ে মিতিৰ হ'ল।

এয়া নিচেই চহা লোকৰ বাইক। ইয়াতো ৰহস্য বৰ্তমান। পুনৰবাৰ –

ভীমবৰৰ ছপাশাল
এল. অ'. চি. মহাকাল।

এনে সৰল লিমাৰিকৰ মাজতো নতুন কবিয়ে কিবা বিচাৰি পায়। ব্যঞ্জনা-সঞ্চাৰী শব্দ আৰু বাক্যৰেহে আজিৰ পাঠকৰ সোৱাদ দিব পাৰি। এজন সমালোচকৰ মতে কবিতা হ'ল উৎকৃষ্ট শব্দৰ উৎকৃষ্ট বিন্যাস। সৃষ্টিশীল কবি প্ৰতিভাইহে এনে বিন্যাস ঘটাব পাৰে। অনুভূতিৰ বিশিষ্টতাই কবিতাৰ গাম্ভীৰ্য বঢ়ায়।

কবিয়ে যিমান ভাবে, সিমান কবিতাত প্ৰকাশ কৰিব নোৱাৰে। তেওঁলোকে দূৰদৃষ্টিৰে পৃথিৱীৰ বাস্তৱ সৌন্দৰ্য উপভোগ কৰিব পাৰে। ইংৰাজী সাহিত্যৰ এজন বিশেষজ্ঞ ড° জনছনৰ এষাৰ কথা এইখিনিতে স্মৰণযোগ্য। তেওঁৰ মতে কবিতা যুক্তি-বুদ্ধিক কল্পনাৰে দীপ্ত কৰি সত্যৰ লগত আনন্দৰ মিলনৰ কলা। এই আনন্দৰ উপভোক্তা হৈছে সহৃদয় পাঠক। গতিকে পাঠকৰ হৃদয় জয় কৰিবলৈ কবিতাত বহুতো গুণৰ প্ৰয়োজন। কবিসকলৰ শক্তিশালী অনুভূতিৰ ওপচনী হৈ হৃদয়ৰ পৰা নিগৰি নিগৰি বাগৰি পৰা ভাবেই সহৃদয় পাঠকৰ হৃদয় জয় কৰা সম্ভৱ।

ভাৰতীয় আলংকাৰিকৰ মতে *ৰসাত্মক বাক্যই* কবিৰ অন্তৰত সৃষ্টি হোৱা ভাবৰ হেন্দোলনি ৰসাত্মকভাৱে প্ৰকাশ হ'লেই কবিতা হয়। প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰীৰ এষাৰ কবিতাৰেই বুজাব পাৰি –

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰফালে চাই মাৰিলি হাঁহি।

এই ফাকি কবিতাৰ অনুভূতি, ভাৰ, বিষয়বস্তু, শব্দ চয়ন, আৰু বাক্য বিন্যাসৰ লগতে জতুৱা ঠাঁচ মন কৰিবলগীয়া। সাম্প্ৰতিক কবিতাতো মোহনীয় ৰূপ দেখা

যায় এটি মাথোন উদাহৰণ দিব পাৰি –

'চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন'

এই বাক্যটিতে শব্দ চয়ন, চিত্ৰকল্প, বাক্য ভঙ্গিমাৰে কেনে মোহনীয় ৰূপত বিষয়বস্তু উপস্থাপন কৰিছে, ভাবিলে আচৰিত লাগে। ৰোমান্টিক কবিসকলে বিষয়বস্তুক সাৱলীল ভঙ্গীত পাঠকৰ আগত দাঙি ধৰাতে সাৰ্থকতা বিচাৰি পাইছিল। তাৰ বিপৰীতে নতুন কবিয়ে গোঁফৰ তলৰ মিচিকিয়া হাঁহিত অনন্ত ভাব লুকাই ৰাখিব বিচাৰে। নিজৰ ভাষাৰে এটি উদাহৰণ দিওঁ –

তুমি হোৱা যদি মোৰ নয়নমণি
সৈয়িন্দ্ৰী ৰূপত, পুৰ্বাহ্নত চকৰি ঘূৰাই
ৰাইলা বিলাস এৰি লোৱা তেন্তে
কষ্টালু চেনেহ, অপৰাহ্নত।

উপৰোক্ত কবিতাংশত শব্দাৰ্থ বুজিব নোৱাৰিলেও পাঠকে বৈচিত্ৰ্যময় প্ৰিয়াৰ ৰূপ নিশ্চয় দেখা পাব। সেইদৰে,

চিঙিলে চিঙিবা ফুল
সংঘাতটো আছে বোল,
কণ্ঠলগ্ন বিভীষিকাত
নিবিচাৰি তৰণি ৰচুল।

ইয়াতো চকা-চমকাভাৱে দেখা দিলেও বুদ্ধিশীল পাঠকৰ কাৰণে জীৱনৰ সংঘাতৰ এটি স্বৰূপ উপলব্ধি নকৰাকৈ নেথাকে।

সাম্প্ৰতিক কবিতাৰ অৰ্থ বুজিবলৈ পাঠকৰ শব্দ-জ্ঞান, বুদ্ধি আৰু সহানুভূতি অত্যন্ত প্ৰয়োজন। সি যি কি নহওক, কবিতা মাত্ৰেই –

'Truth is beauty, beauty is truth' এইষাৰ মন্তব্যৰ প্ৰভাৱ পূৰামাত্ৰাই থাকিব লাগিব। কবি হ'ল ঋষি। এওঁলোকে সত্যক ঋত কৰি দেখুৱায়। কবি আৰু কবিতাৰ বিষয়ে বহল আলোচনা এই ক্ষুদ্ৰ প্ৰবন্ধৰ মাজত খৰচি মাৰি কৰা সম্ভৱ নহয়। আমি মাথোন সম্যক ধাৰণা এটাহে আগবঢ়ালো।

****

## সময়ৰ সংলাপ

সংগ্ৰহ ঃ স্নেহ প্ৰতীম

১। জীৱন সুদীৰ্ঘ নহওক, কথা নাই, কিন্তু বিশাল হ'ব লাগে।

২। সাহিত্যিক প্ৰতিভা তামোল কটা কটাৰীৰ দৰে, খৰাই নেথাকিলে ভোটা হয়।

৩। চহকী মানুহৰ মনবোৰ ফুটা কলহৰ দৰে।

৪। সকলো দুৱাৰ খোলা, বতাহ আহক। সকলো খিড়িকী খোলা, পোহৰ আহক। দুবাহু প্ৰসাৰ কৰি সকলো বন্ধুক মাতা, আহাঁ, বন্ধু আহাঁ।

৫। জ্ঞানৰ প্ৰথম সূত্ৰ হৈছে সন্দেহ কৰিব লাগে।

৬। লেখকৰ ৰচনা-কৌশল প্ৰতিভাৰ স্বাভাৱিক ফল, অন্ততঃ মানুহৰ ছালৰ নিচিনা ঃ ই গাৰ চোলা নহয় যে কাৰোবাৰ পৰা ধাৰ কৰি আনি পিন্ধিব পাৰি।

# ন'বেল বঁটা বিজয়ী ভাৰতীয় অৰ্থনীতিবিদজন

ৰশ্মিৰেখা শৰ্মা
*স্নাতক, দ্বিতীয় বৰ্ষ*

উৎফুল্লিত হৈ পৰিল ভাৰতবাসী। ধন্য হ'ল ভাৰত। সন্মানিত হ'ল ভাৰতৰ প্ৰায় এশ কোটি জনগণ। 'ছুইডিছ ৰয়েল একাডেমি'য়ে ঘোষণা কৰা ১৯৯৮ চনৰ অৰ্থনীতি বিজ্ঞানৰ বিখ্যাত ন'বেল বঁটা লাভ কৰিলে ভাৰত সন্তান, প্ৰখ্যাত অৰ্থনীতিবিদ, কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজৰ মাষ্টাৰ ড° অমৰ্ত্য সেনে। 'জনকল্যাণ অৰ্থনীতি (Welfare economic) নামৰ অৰ্থনীতিৰ নতুন শাখা এটাৰ সূচনা কৰি সেই ক্ষেত্ৰত আগবঢ়োৱা বিৰল অৱদানৰ বাবে ন'বেল বঁটাৰে সন্মানিত হৈছে ড° অমৰ্ত্য সেন। অমৰ্ত্য সেন ন'বেল বঁটা বিজয়ী ষষ্ঠ ভাৰতীয় নাগৰিক। কিন্তু অৰ্থনীতি বিজ্ঞানত ন'বেল বঁটা পাওঁতা অমৰ্ত্য কেৱল প্ৰথমগৰাকী ভাৰতীয়ই নহয়, সমগ্ৰ এছিয়াৰ ভিতৰতে এই বঁটা লাভ কৰোঁতা প্ৰথমজন অৰ্থনীতিবিদ।

১৯৩৩ চনৰ ৩ নৱেম্বৰ তাৰিখে কবিগুৰু ৰবীন্দ্ৰনাথৰ শান্তিনিকেতনত জন্ম হয় অমৰ্ত্য সেনৰ। পিতৃ ড° আশুতোষ সেন আৰু মাতৃ অমিতা সেন। মাক-দেউতাকে থোৱা বাব্‌লু নামৰ পৰিৱৰ্তে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে ৰাখে অমৰ্ত্য আৰু সেই নামেৰেই তেওঁ বিশ্বত প্ৰখ্যাত হ'ল।

শান্তিনিকেতনত প্ৰাথমিক শিক্ষা সাং কৰি বিশ্বভাৰতীৰ পৰা মেধাৱী ছাত্ৰ অমৰ্ত্যই আই.এ. পৰীক্ষা পাছ কৰি কলিকতাৰ প্ৰেছিডেন্সি কলেজত অৰ্থনীতি বিজ্ঞানত সন্মান সহ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰে। স্নাতক মহলাত তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰে। তাৰ পাছত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু পি.এইচ.ডি. ডিগ্ৰী লাভ কৰি তেওঁ কলিকতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ত নিজৰ কৰ্মজীৱন আৰম্ভ কৰে। মাত্ৰ তেইশ বছৰ বয়সতে অৰ্থনীতি বিজ্ঞানৰ মুখ্য অধ্যাপকৰ সন্মান লাভ কৰা এইগৰাকী মনীষীয়ে পাছত ক্ৰমে দিল্লী বিশ্ববিদ্যালয়, লণ্ডন স্কুল অৱ্‌ ইকনমিক্স, কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়, অক্সফ'ৰ্ড বিশ্ববিদ্যালয় আদি পৃথিৱীৰ বিভিন্ন দেশৰ এই অনুষ্ঠানসমূহত শিক্ষকতা কৰি শেষত হাৰ্বাৰ্ড বিশ্ববিদ্যালয়ৰ 'ফেলো'ৰূপে কাম কৰে। ১৯৯৭ চনত ড° অমৰ্ত্য সেনে ট্ৰিনিটি কলেজৰ মাষ্টাৰৰূপে অৰ্থাৎ অধ্যক্ষৰূপে নিযুক্তি পায়।

অমৰ্ত্য সেনে ১৯৪৩ চনতেই প্ৰত্যক্ষ কৰিছিল দুৰ্ভিক্ষৰ এক জীয়া ছবি। তেওঁৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল সেই দুৰ্ভিক্ষই। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ মাত্ৰ এবছৰ আগতে ১৯৪৬ চনত কলিকতাত লগা সাম্প্ৰদায়িক সংঘৰ্ষ আৰু লগে লগে তাত উদ্ভৱ হোৱা ভয়ানক দুৰ্ভিক্ষৰ কৰাল গ্ৰাসত পৰা পশ্চিমবংগৰ জনসাধাৰণক দেখি অমৰ্ত্য থিৰেৰে থাকিব পৰা নাছিল। তেতিয়াৰ পৰাই তেওঁ আৰ্তজনৰ বাবে কিবা এটা কৰাৰ পণ ল'লে আৰু অৰ্থনীতিক জনকল্যাণৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল।

অৰ্থনীতিৰ সমগ্ৰ উন্নয়নৰ ধাৰণাটোকেই সলনি কৰি এক নতুন অৰ্থ প্ৰদান কৰিছে অমৰ্ত্য সেনৰ এই দীৰ্ঘদিনীয়া অধ্যয়ন আৰু সাধনাই। পঞ্চাশৰ দশকত অৰ্থনীতিবিদসকল উৎপাদনভিত্তিক তত্ত্বৰ উত্তৰোত্তৰত ব্যস্ত হৈ পৰে। তেতিয়া সকলোৰে মাজত এই ধাৰণা সাধাৰণ হৈ পৰিছিল যে উৎপাদন বাঢ়িলেই জীৱন ধাৰণৰ মানো বৃদ্ধি পায়। কিন্তু বহুবোৰ দেশত ইয়াৰ বিপৰীত ছবিহে ফুটি উঠিল। অভাৱনীয়ভাৱে উৎপাদন বৃদ্ধি হোৱা সত্ত্বেও বহুবোৰ দেশত জনগণে খাদ্যৰ অভাৱত জীয়াতু ভুগিবলগা অৱস্থাৰ সৃষ্টি হ'ল।

'উৎপাদন বনাম উন্নয়ন' — অমৰ্ত্য সেনে এই ধাৰণাৰ ওপৰত বিস্তৃত অধ্যয়ন চলাবলৈ আৰম্ভ কৰি দিলে। বিশ্বৰ কেইবাটাও সংহাৰী দুৰ্ভিক্ষক অতি ওচৰৰ পৰা চাক্ষুষ অধ্যয়ন চলাই অমৰ্ত্য সেন এই সিদ্ধান্তলৈ আহিল যে 'দুৰ্ভিক্ষৰ পূৰ্বৰ বছৰতকৈ খাদ্য-সামগ্ৰীৰ যোগান অধিক হোৱা সত্ত্বেও দুৰ্ভিক্ষৰ সূত্ৰপাত ঘটে বা কেতিয়াবা দুৰ্ভিক্ষ আক্ৰান্ত অঞ্চলেও খাদ্য-সামগ্ৰী ৰপ্তানি কৰে।' ড° সেনে খাদ্যশস্যৰ অভাৱেই দুৰ্ভিক্ষৰ মূল কাৰণ বুলি কোৱা ধাৰণাটোক প্ৰত্যাহ্বান জনালে তেওঁৰ 'দৰিদ্ৰতা আৰু দুৰ্ভিক্ষ ঃ অধিকাৰ আৰু বঞ্চনা' নামৰ বিখ্যাত গ্ৰন্থখনৰ জৰিয়তে।

ড° সেনলৈ ন'বেল বঁটা ঘোষণা কৰি ন'বেল কমিটিয়ে ঘোষণা কৰিলে — "উন্নয়ন অৰ্থনীতিত অধ্যাপক অমৰ্ত্য সেনৰ অৱদান আৰু তেওঁৰ তত্ত্বই আমাক দুৰ্ভিক্ষৰ আঁৰত থকা অৰ্থনৈতিক কাৰণসমূহ অনুধাৱন কৰাত সহায় কৰিছে। অৰ্থনীতিৰ কেন্দ্ৰীয় বিষয়ত তেওঁৰ অৱদানে বহু বিষয়ত

চৰ্চাৰ দ্বাৰ মুকলি কৰি দিছে; নতুন প্ৰজন্মৰ বাবে গৱেষণাৰ নতুন দিগন্ত উন্মোচন কৰিছে। অধ্যাপক সেনে অৰ্থনীতিৰ স'তে দৰ্শনক সংপৃক্ত কৰি মৌলিক অৰ্থনৈতিক সমস্যাৰ আলোচনাত এক নৈতিকতাবোধ আনি দিছে। সংখ্যাগুৰুৰ শাসন, ব্যক্তি অধিকাৰ আৰু জনকল্যাণৰ বাবে তথ্যৰ পৰ্যাপ্তিক লৈ তেওঁ বিশেষভাৱে চিন্তা-চৰ্চা কৰিছে।

যোৱা বছৰটোত মানৱ সমাজৰ প্ৰতি আগবঢ়োৱা তাৎপৰ্যপূৰ্ণ বৰঙণিৰ বাবে আন্তৰ্জাতিক সন্মান 'এডেনবাৰ্গ মেডেল' আৰু বিশ্বৰ বৈজ্ঞানিক সাংস্কৃতিক ক্ষেত্ৰলৈ যোগোৱা অৱদানৰ বাবে 'কেটানলিয়া প্ৰাইজ' লাভ কৰা অমৰ্ত্য সেনে মুঠ ১৮খন অৰ্থনৈতিক গৱেষণামূলক গ্ৰন্থৰ উপৰিও দুশৰো অধিক গৱেষণা-পত্ৰ প্ৰকাশ কৰিছে। তেওঁৰ প্ৰখ্যাত গ্ৰন্থকেতবোৰ হ'ল — 'চইজ অৱ্ টেকনিকছ্' (১৯৬০), গ্ৰ'থ ইক'ন'মিকছ্ (১৯৭০), 'চুইছ্, ৱেলফেয়াৰ এণ্ড মেজাৰমেণ্ট' (১৯৮২), 'প্ৰভাৰ্টী এণ্ড ফেমিনছ্ ঃ এন এছে অন এনটাইটেলমেণ্ট এণ্ড ডিপ্ৰাইভেশ্যন' (১৯৮১), 'ইণ্ডিয়া ঃ ইক'ন'মিক ডেভেলপ্‌মেণ্ট এণ্ড ছচিয়েল অপৰচুনিটি' (১৯৯৫) ইত্যাদি। দৰ্শনৰ স'তে অৰ্থনীতিৰ সমন্বয় ঘটোৱাৰ প্ৰয়াস কৰি অহা অমৰ্ত্য সেনৰ অৰ্থনৈতিক তত্ত্বসমূহ যথেষ্ট সমালোচিতো হৈছে। সমালোচকসকলৰ মতে, "মূল সমস্যাসমূহৰ উপস্থাপন অমৰ্ত্য সেনৰ মতবাদত খুব কমেইহে আছে।" এনে সমালোচকসকলক অতি সহজভাৱেই গ্ৰহণ আহিছে ভাৰতীয় অৰ্থনীতিবিদজনে। তেওঁ কয়, "সমস্যাসমূহ উত্থাপন কৰে চৰকাৰে। অৰ্থনীতিবিদৰ কৰ্তব্য কেৱল তৃণমূল পৰ্যায়ত কাম কৰাটোৱেই নহয় বৰং অন্তৰ্দৃষ্টি দিয়াটোও।"

বিশ্ববিখ্যাত অৰ্থনীতিবিদ জঁ ড্ৰেজৰ স'তে ঘনিষ্ঠভাৱে কাম কৰা সেনৰ প্ৰথম আলোড়নকাৰী গ্ৰন্থখন আছিল 'চইজ অৱ্ টেকনিকছ্'। এই গ্ৰন্থত অধিকাংশ উন্নয়নশীল ৰাষ্ট্ৰই সন্মুখীন হোৱা অৰ্থনৈতিক সমস্যাসমূহৰ ক্ষেত্ৰত তীক্ষ্ণ অন্তৰ্দৃষ্টি দিছিল। তেওঁৰ মতে, "ভাৰতৰ ক্ষেত্ৰত মূল সমস্যাসমূহ হৈছে গভীৰ দাৰিদ্ৰ আৰু সামাজিক বৈষম্য।"

ন'বেল বঁটাৰ প্ৰৱৰ্তক আৱিষ্কাৰক, উদ্যোগপতি আলফ্ৰেড ন'বেলৰ মৃত্যু বাৰ্ষিকী দহ ডিচেম্বৰৰ দিনা ছুইডেনৰ ৰাজধানী ষ্টকহ'মত ন'বেল বঁটাৰ ন'বেল পদক, ডিপ্ল'মা আৰু ৭.৬ নিযুত ছুইডিছ ক্ৰোনাৰ (চাৰি কোটি টকা) লাভ কৰি অমৰ্ত্য সেনে সন্ধ্যা ষ্টকহ'মত অল ইণ্ডিয়া ৰেডিঅ'ৰ স'তে হোৱা এক সাক্ষাৎকাৰত ভাৰতৰ বিত্তমন্ত্ৰী যশোৱন্ত সিন্‌হাক অৰ্থনীতিৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভ্ৰান্ত নীতি পৰিহাৰ কৰি উচিত সিদ্ধান্ত কৰিবলৈকো উপদেশ দিয়ে। তেওঁ আৰু কয় যে বৰ্তমানৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পক্ষে অৰ্থনৈতিক নীতি জনমুখী কৰি গঢ়ি তোলাৰ লগতে বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া প্ৰয়োজনীয় হৈ পৰিছে। অৰ্থনৈতিক বিকাশ ত্বৰায়িত কৰাটোও সন্দেহাতীতভাৱে গুৰুত্বপূৰ্ণ বুলি ন'বেল বঁটা বিজয়ী অৰ্থনীতিবিদজনে কয়, দেশৰ জনগণক এক স্বাচ্ছন্দ্য জীৱনৰ বাবে সমৰ্থৱান কৰি তোলাহে অধিক গুৰুত্বপূৰ্ণ। সৰ্বমুঠ জনমূৰি আয়ৰ পৰিসংখ্যা বৃদ্ধিয়েই যথেষ্ট নহয়, মানুহৰ ফালেও গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা বৰ্তমানে আহি পৰিছে। ভাৰতবৰ্ষ, বাংলাদেশ, আফ্ৰিকা আদি মৰু প্ৰান্তীয় দেশবোৰত দুৰ্ভিক্ষৰ সমস্যা এটা মুখ্য সমস্যাৰূপে থিয় দিছে।

১৯৬০ চনত অমৰ্ত্যই বংগৰ জীয়ৰী মেধাৱী ছাত্ৰী, বাংলা সাহিত্য আৰু সাংস্কৃতিক জগতৰ ভোটাত্ৰা, ভাৰতীয় জ্ঞানপীঠৰ সদস্যা নৱনীতা দেৱসেনক প্ৰেম বিবাহ কৰে। অমৰ্ত্যক সকলো দিশতেই সহায় কৰা নৱনীতাৰ গৰ্ভত জন্ম হ'ল দুই কন্যাৰ — ক্ৰমে অন্তৰা অৰু নন্দনা। এওঁলোক সৰু হৈ থাকোঁতেই অমৰ্ত্যই বিবাহ-বিচ্ছেদ কৰে। তাৰ পাছত তেওঁ পুনৰ বিবাহ কৰালে সুন্দৰী কেৰ'লিনাক। কিন্তু অকাল মৃত্যুয়ে কেৰ'লিনাক অমৰ্ত্যৰ কাষৰ পৰা কাঢ়ি নিলে আৰু শেষত বৰ্তমানৰ পত্নী কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ শিক্ষিকা এমা ৰুথচাইল্ডক অমৰ্ত্যই বিবাহ কৰালে। এমা-অমৰ্ত্যৰ সন্তান দুটি হ'ল ক্ৰমে ইন্দ্ৰাণী আৰু কবীৰ।

ড° সেনক ন'বেল বঁটা আগবঢ়োৱাৰ বহুত কাল পূৰ্বে বিশ্বৰ বিভিন্ন পণ্ডিতে তেওঁৰ পাণ্ডিত্যৰ বিষয়ে আগবঢ়োৱা বিভিন্ন মন্তব্য মন কৰিবলগা। ১৯৭২ চনৰ ন'বেল বঁটা বিজয়ী কেনেথ্ এ. বোৱে মন্তব্য দিছিল — "There is a tradition in economics of assuming that a dollar is a dollar and if the GDP goes up that is all it matters. Dr. Amartya Sen has always pushed against that." আন এগৰাকী ন'বেল বঁটা বিজয়ী ৰবাৰ্ট ছল'ৰ মতে, "He (Sen) is important as a sort of concience of our profession."

অৰ্থনীতিৰ পিতৃস্বৰূপ এডাম স্মিথ আছিল দাৰ্শনিক তথা অৰ্থনীতিবিদ। তেওঁৰ মৃত্যুৰ ২০৮ বছৰৰ পাছৰ দাৰ্শনিক অৰ্থনীতিবিদজন হৈছে অমৰ্ত্য সেন। ড° সেনে আৱিষ্কাৰ কৰা কেইটামান সূত্ৰ, অৰ্থবিজ্ঞান ইতিমধ্যে সেনৰ নামেৰে প্ৰচলিত হৈ আহিছে।

ড° অমৰ্ত্য সেনক এইবাৰ ভাৰত চৰকাৰে 'ভাৰত ৰত্ন' খিতাপেৰে বিভূষিত কৰিছে। অমৰ্ত্যৰ গৌৰৱেৰে আমিও গৌৰৱান্বিত।

**সহায়ক সূত্ৰ ঃ** ১। দেশ ঃ ৯ জানুৱাৰী, ১৯৯৯; ২। প্ৰান্তিক ঃ ১৬-৩০ নৱেম্বৰ '৯৮; ৩। চিত্ৰলেখা ঃ ১ জানুৱাৰী '৯৯; ৪। 'আমাৰ অসম' আৰু 'আজিৰ বাতৰি'; ৫। অন্যান্য সৰু সৰু ৰচনা ও প্ৰবন্ধ।

****

বিশেষ নিবন্ধ

# গেছ চেম্বাৰত স্বাধীনতাৰ অৰ্থনৈতিক প্ৰস্তাৱ

জয়ন্ত কৃষ্ণ শৰ্মা
*প্ৰাক্তন ছাত্ৰ*

অসমত আজি প্ৰায় এক দশক জুৰি হত্যাৰ জোৱাৰ উঠিছে। প্ৰত্যেক দিনাই শিয়াল-কুকুৰৰ দৰে গুলীয়াই মৰা হৈছে মানুহ! তেজ, মাটি, তেল একেলগে মিলি যোৱাত এক অদ্ভুত বৰণেৰে বিশ্বৰ চকুত জিলিকিছে অসম। .....

মানুহৰ মৃত্যু মানেই কৰুণ আৰু বেদনাদায়ক। যীশু, মহম্মদ, শংকৰদেৱ, মাধৱদেৱ, প্লেটো, এৰিষ্টটল, বেনথামকে আদি কৰি বিশ্বৰ সকলো মহাপুৰুষ আৰু মনীষীয়েই নিজা নিজা ধৰণেৰে এই সুন্দৰ ধৰাখনক সৰ্বাধিক মানুহৰ অধিকাধিক উপযোগী কৰিবলৈকে চেষ্টা কৰি গ'ল। বনৰীয়া জীৱ-জন্তুৰ সৈতে যুঁজ-বাগৰ কৰি, মৃত্যু আৰু জীৱনৰ আলি-দোমোজাৰপৰা নিজৰ জ্ঞান আৰু তপস্যাৰে প্ৰজ্ঞাময় আলোকৰ দিশত ধাৱিত মানুহ আজি যেন অবুজনভাৱে সংকট পথৰ পথিক। ..... দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লাখ লাখ ইহুদীক হিটলাৰৰ নেতৃত্বত আইখমেনে গেছ চেম্বাৰত ভৰাই নৃশংসভাৱে হত্যা কৰা ঘটনাবোৰৰ কথা আজিৰ পৰা মাত্ৰ এটা দশকৰ আগতে পঢ়োঁতে আমাৰ মনবোৰে যেনেদৰে হাহাকাৰ কৰি উঠিছিল। পঢ়ি উঠি যেনেদৰে বহুদিন পৰ্যন্ত ঘটনাবোৰৰ কুখ্যাত চৰিত্ৰবোৰক মনৰ নিৰ্ভৃত কোণৰ পৰা মচি পেলাব নোৱৰা এটা বেদনাৰ সৃষ্টি হৈছিল; আজিৰ পৰিস্থিতিত আৰু ঘটনাবোৰে হয়তো একেই হেন্দোলনি কেতিয়াও তুলিব নোৱাৰে। সাধাৰণ, সচেতন লোকে আজি হাটে-বজাৰে, কাগজে-পত্ৰই, বাটে-পথে কথা প্ৰসংগত ক'বলৈ প্ৰয়াস কৰা দেখা যায় যে কিছুদিনৰ আগলৈকে মানুহৰ হত্যাৰ খবৰে মানুহৰ মনবোৰ যেনেদৰে আলোড়িত কৰিছিল, আজি আৰু সেই চোক একেবাৰে নাইকিয়া হৈছে।

প্ৰশ্ন হৈছে, সঁচাকৈয়ে নাইকিয়া হৈছেনে? নে মানুহবোৰ হৃদয়শূন্য একো-একোটা জড় পদাৰ্থলৈ ৰূপান্তৰিত হৈছে?

নাই হোৱা! আলোড়নৰ চোকটোও মানুহৰ সমানে আছে, বৰং বৃদ্ধিহে পাইছে; হাটে-বাটে লগ পোৱা গঞাসকলৰো ক্ষোভ আৰু মনোবেদনা বৃদ্ধি পাইছে; কিন্তু সকলো আজি নিৰুপায়। 'আহ! মোৰ অসমী আইয়ে কোন দিশে গতি কৰিছে' বুলি শোকাকুল অন্তৰেৰে আমি হুমুনিয়াহহে কাঢ়িব পাৰোঁ, কৰিব যে একোকে নোৱাৰোঁ, এনে এক সংকটে দেখা দিছে। অসমখনক সঁচাকৈয়ে ভাল পোৱাসকলৰ বক্তব্যকো বহুতে বিভ্ৰান্ত আৰু বিকৃত কৰিবলৈ চেষ্টা কৰাৰ ফলত ধোঁৱা-ধূলিময়-অন্ধকাৰ-অস্পষ্ট পৰিস্থিতিত দিক্-বিদিক নেদেখি জনগণে নিজৰ ভিতৰতে খুন্দা-খুন্দলি খাই আঘাতপ্ৰাপ্ত হৈছে। ফলত সমগ্ৰ অসমখনেই যেন হৈ পৰিছে এটা গেছ চেম্বাৰ, য'ত কোনে কেতিয়া আৰু কি পৰিস্থিতিত শেষ নিশ্বাস ত্যাগ কৰিবলগীয়া হয়, তাৰ কোনো নিশ্চয়তা নাই।

অসমৰ যদি আমি সঁচা অৰ্থত উন্নতি বিচাৰোঁ, আমি খাটি খোৱা প্ৰত্যেকজন মানুহৰ হাড়ে-হিমজুৱে জড়িত ব্ৰহ্মপুত্ৰ নদীখনৰ নিয়ন্ত্ৰণৰ কথা চিন্তা কৰিবই লাগিব। স্বাধীনতা সদায়েই অৰ্থনীতিৰ সৈতে জড়িত বিষয়। যদিহে ৰাজনৈতিক স্বাধীনতাই অৰ্থনৈতিক স্বাধীনতা বা স্বাধীন অৰ্থনীতিক নিজস্ব চিন্তাৰে পৰিচালনা কৰিবলৈ সুবিধা পায় আৰু পৰিচালক বা পৰিচালক মণ্ডলীৰ চিন্তাধাৰাবোৰো যদি বিজ্ঞানসন্মত আৰু বাস্তৱতাৰ ভেটিত প্ৰতিষ্ঠিত হয়, তেন্তে দেশৰ প্ৰগতি নহৈ নোৱাৰে। কিন্তু সেয়াই নহৈ যদি অৰ্থনীতি হৈ থাকে পৰাধীন, আৰু ৰাজনৈতিক স্বাধীনতা ঘোষিতও হয়, ৰাজনৈতিক স্বাধীনতাৰো কোনোবা নৱয় কোনোবাখিনিত পৰাধীনতাৰ চাব থাকি যায়। এই ক্ষুদ্ৰ চাবটোতেই এদিন ঘুণে ধৰে আৰু বহু কষ্টেৰে, বহু ত্যাগেৰে, বহু বলিদানেৰে আৰ্জিত ৰাজনৈতিক স্বাধীনতাও এদিন আকৌ যেন পংগু হৈ যায়। কেতিয়াবা ই হৈ পৰে লুপ্ত। চল্লিশ, পঞ্চাশ আৰু ষাঠিৰ দশকত স্বাধীনতা লাভ কৰা এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহুবোৰ দেশত এনে এক লক্ষণেই দেখা দিছে।

এনে বহু দিশৰ পৰা গভীৰভাৱে পৰ্যৱেক্ষণ কৰিলে দেখা যায় যে ব্ৰহ্মপুত্ৰ অসমৰ অৰ্থনৈতিক প্ৰগতিৰ ৰাজহাড়। সেয়েহে অৰ্থনৈতিকভাৱে স্বাধীন অসমৰ বীজ ৰোপণ কৰিব লাগিব ব্ৰহ্মপুত্ৰৰ 'মাটি'তেই। ব্ৰহ্মপুত্ৰক যে আমি কলিজাৰ ধমনিৰূপে পাইছোঁ, আমি বৰ সৌভাগ্যবান।

আচলতে ইয়াৰ বহুমুখী ব্যৱহাৰ কৰিব পৰাৰ নিজাববীয়া সামৰ্থ্য নথকাৰ ফলত যদিও আমি বৰ্তমান অৱস্থাত সংকটময় মুহূৰ্তত বাস কৰিছোঁ, তথাপিও এই নদীখন থকাৰ বাবেইতো আমি পাইছোঁ ভৱিষ্যৎ অৰ্থনৈতিক প্ৰগতিৰ নতুন চিন্তা! নতুন সোপান!

আমি অধিক দূৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। অন্ধ্ৰ প্ৰদেশৰ ৰাজহমুন্দ্ৰীলৈ গৈ গোদাবৰী নদীৰ নিয়ন্ত্ৰণ ব্যৱস্থা প্ৰত্যক্ষ কৰিলেই যথেষ্ট হ'ব। পানীৰ উপযুক্ত ব্যৱহাৰ কৰাৰ বাবে লোহাৰ ভাল্‌ভ ইমান শক্তিশালীভাৱে ব্যৱহাৰ কৰা হৈছে যে নদীৰ এফালে পানীৰে ভৰা মহাসাগৰ যেন হ্ৰদ আনফালে শুকান ঢকেঢকা বালি। দেখি মই আচৰিত! সম্পূৰ্ণভাৱে বহুমুখী উদ্দেশ্যেৰে নিয়ন্ত্ৰিত পানী। বিজ্ঞানসন্মত চিন্তা আৰু কামৰ সুস্থ ভেটি নথকাকৈ অন্ধ্ৰই আজি এনেয়েই আমালৈ বৰফত ভৰাই লাখ লাখ টকাৰ মাছ পঠোৱা নাই! এই সাফল্যৰ আঁৰত লুকাই আছে নিজৰ সীমিত সম্পদবোৰক উচিতভাৱে বিজ্ঞানসন্মত ৰূপত ব্যৱহাৰ কৰাৰ এটা সুস্থ মানসিকতা। ঠিক একেদৰে তামিলনাডু, কৰ্ণাটক আদিয়ে কাবেৰি নদীৰ পানীৰ কাৰণে ইমান গুৰুত্ব দিয়াৰ দীৰ্ঘদিনীয়া ঘটনাৱালী প্ৰত্যক্ষ কৰাৰ পাছত ব্ৰহ্মপুত্ৰৰ জলধাৰাক দিনে দিনে বৈ যাবলৈ দি নষ্ট হ'বলৈ এৰি দিব পাৰোঁনে? পঞ্জাৱে আজি গোটেই দেশৰ বাবেই খাদ্য-শস্য উৎপাদন কৰাৰ এটা প্ৰেৰণা পাইছে। কিহৰ বাবে সম্ভৱ হৈছে এয়া? নদীৰ পানীৰ উপযুক্ত ব্যৱহাৰ কৰাৰ সু-ব্যৱস্থা কৰাৰ বাবেই নহয় জানো?

অসমৰ ক্ষেত্ৰত সমস্যা হৈছে ব্ৰহ্মপুত্ৰৰ তলি ১৯৫০ চনৰ ভুঁইকঁপৰ পাছত অগভীৰ হৈ পৰিছে আৰু ইয়াক খান্দিলেও পুনৰ পাহাৰৰ পৰা মাটি, বোকা খহি আকৌ অগভীৰ কৰাৰ এটা সাংঘাতিক আশংকা। এই আশংকাৰ স্থায়ী নিৰাময় কৰি বহুমুখী বৃহৎ প্ৰকল্প ল'ব লাগিলে প্ৰথমেই অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত সুন্দৰ বুজা-পৰাৰ আৱশ্যক হ'ব। পাহাৰবোৰত মাটি ক্ষয় হোৱা ৰোধ কৰিবৰ বাবে বনাঞ্চল ধ্বংস ৰোধ কৰিবই লাগিব। এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ বনাঞ্চল ধ্বংসৰ বিৰুদ্ধে দিয়া শেহতীয়া নিৰ্দেশ যথেষ্ট আশা বহন কৰিছে। বুজা-পৰা আৰু প্ৰাথমিক ব্যৱস্থাৰ পাছত আমি বহুমুখী বৃহৎ প্ৰকল্পৰ আঁচনি প্ৰস্তুত কৰি উঠি-পৰি লাগিব পাৰিম। দেশৰ ধনে নুকুলালে প্ৰয়োজন সাপেক্ষে বিদেশৰ পৰা ঋণো ল'ব লাগিব। এইখিনিতে উল্লেখ কৰিব খোজা গুৰুত্বপূৰ্ণ বিষয়টি হ'ল, এই সকলোবোৰ কাৰ্যাৱলীৰ বাস্তৱায়নত আমি দুৰ্নীতিক অকণমানো প্ৰশ্ৰয় দিব নালাগিব। দুৰ্নীতিৰ প্ৰৱেশ মাত্ৰেই সকলোবোৰ ব্যৱস্থা ফুটুকাৰ ফেন। দুৰ্নীতিক 'ভেটো' দিয়াৰ প্ৰশ্নত কিন্তু ষোল্ল অনাই সচেতন নহ'লে আমি কোনোদিনাই আমাৰ মৰমী আই অসমীৰ উন্নতি সাধিব নোৱাৰিম! এই কথা চিৰদিন মনত ৰখা উচিত হ'ব।

গেছ চেম্বাৰত সদৃশ বৰ্তমান পৰিস্থিতিতেই অৰ্থনৈতিক প্ৰগতিৰ পথত আগবঢ়াৰ বাবে নতুন নতুন দুৱাৰ-খিৰিকী সজাৰ কাম আৰম্ভ কৰিব নোৱাৰিলে বিষাক্ত গেছে এদিন সকলোকে শেষ কৰিব। "ক্ৰিটো, ইস্কুলোপিয়াছক এটা মতা কুকুৰা দিব থাকিল, তুমি এই ধাৰটো মাৰিবা, অৱহেলা নকৰা যেন।" — এইষাৰেই আছিল মহাজ্ঞানী ছক্ৰেটিছৰ শেষ কথা। গেছ চেম্বাৰৰ মাজতো, (ছক্ৰেটিছে এপিয়লা বিহ পাণ কৰি মৃত্যুৰ বাবে ক্ষণ গণি থকাৰ মুহূৰ্ততো পৰিশোধ কৰিবলৈ বাকী থকা এটা মতা কুকুৰাৰ কথা মনত পৰাৰ দৰে) এটা মতা কুকুৰা, এটা টকা, আনকি এটা পইচা পৰ্যন্ত নিকা হিচাপ ৰাখি যদি আমি কামত অগ্ৰসৰ হওঁ; অসম দেশৰ উন্নতি নোহোৱাৰ কোনো বেলেগ কাৰণ চকুত নপৰে।

****

## মহৎ লোকৰ বাণী

হতাশক প্ৰশ্ৰয় নিদিবা। এবাৰ প্ৰশ্ৰয় দিলে ই তোমাৰ অভ্যাসৰ অংশ হৈ পৰিব।

— *ছিডনি স্মিথ*

স্বদেশপ্ৰেমকে ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ মূল মন্ত্ৰ হিচাপে গ্ৰহণ কৰা উচিত, তেওঁলোকে জনা উচিত প্ৰথমে ভাৰত, বাকী সকলো তাৰ পাছত।

— *লাল বাহাদুৰ শাস্ত্ৰী*

# কবি নলিনীবালা দেৱীৰ প্ৰকাশিত কবিতা পুথিসমূহৰ ওপৰত এটি আলোকপাত

শ্ৰীযশোদা কোঁৱৰ
*কাৰ্যালয় অধীক্ষিকা*

অসমৰ শ্ৰেষ্ঠ মহিলা কবি বুলি যাৰ সুনাম অসমৰ উপৰিও ভাৰতৰ বিভিন্ন প্ৰান্তত আজিও পৰিব্যাপ্ত, শোক-বেদনাৰ আন্ধাৰৰ মাজত থাকিও, অন্তৰাত্মাৰ জ্যোতিৰে নিজে জ্যোতিষ্মান হৈ আনকো প্ৰদীপ্ত কৰি তুলিলে সেই অন্যন্যা কবিগৰাকীয়ে হ'ল ভাৰত চৰকাৰৰ দ্বাৰা পদ্মশ্ৰী সন্মান লাভ কৰা মহীয়সী নলিনীবালা দেৱী, আৰু এক ভাষাত কাব্য ভাৰতী ।

নলিনীবালা দেৱীয়ে দহ বছৰ বয়সৰ পৰা মৃত্যুৰ প্ৰায় দুমাহৰ আগলৈকে আন গ্ৰন্থৰ উপৰিও অজস্ৰ কিতাপ লিখি থৈ যায়।

কবিৰ প্ৰকাশিত কবিতা পুথিসমূহ হ'ল ঃ ১। সন্ধিয়াৰ সুৰ (১৯২৮), ২। সপোনৰ সুৰ (১৯৪৮), ৩। পৰশমণি (১৯৫৫), ৪। যুগদেৱতা (১৯৫৮), ৫। জাগৃতি (১৯৬২), ৬। অলকানন্দা (১৯৬৪), ৭। অন্তিম সুৰ (১৯৭৭)।

'সন্ধিয়াৰ সুৰ' কবিতা পুথিখনত কবিগৰাকীৰ ৰহস্যবাদ ফুটি উঠিছে। 'সন্ধিয়াৰ সুৰ' অসমীয়া সাহিত্য ভঁৰাললৈ ৰহস্যবাদী মহিলা কবি নলিনীবালা দেৱীৰ এটি অনৱদ্য দান। কবিৰ ৰহস্যবাদী মনে বিশ্বনিয়ন্তা ভগৱান আৰু মানুহৰ মনৰ সোণালী সম্বন্ধ কেনেকুৱা, সিপুৰী কি বস্তু, তাৰ লগত মানৱ মনৰ সম্বন্ধ কি, মানুহৰ মনত আশা-আকাংক্ষাবোৰ কিয় উপজে, সেইবোৰৰ সাৰ্থকতা ক'ত, ইত্যাদি এশ এটা ৰহস্যময় প্ৰশ্নৰ উত্তৰ দিবলৈ যত্ন কৰিছে। ইয়াতেই কবিগৰাকীৰ ৰহস্যবাদী চিন্তাধাৰাই আত্মপ্ৰকাশ কৰিছে। অদৃশ্য ভগৱান বা তেনে কোনো শক্তিৰ লগত গোপনপটীয়া সংযোগ স্থাপনৰ চেষ্টাতে ৰহস্যবাদৰ জন্ম। কবিগৰাকীৰ ক্ষেত্ৰতো সেয়ে হৈছে। কবিয়ে 'জীৱনৰ সুৱদি পুৱাত' সুখ-সন্তোষৰ কালত তেওঁৰ পৰম প্ৰিয়ক (পৰমেশ্বৰক) কোনোদিনে বিচৰা নাছিল, বিচাৰিছে আজি 'বিষাদৰ সন্ধিয়া' পৰত, দুখৰ দিনত, ইয়াতেই বাজি উঠিছে ৰহস্যবাদী সুৰ ঃ

তোমাক বিচৰা নাই সুৱদি পুৱাৰ
জীৱনৰ সুধাময় পবিত্ৰ ক্ষণত,
আজি এই আবেলিৰ বিদায় পৰত
গহীন এন্ধাৰে ঢকা
সীমাহীন সাগৰ পাৰত,
তোমালৈ পৰিছে মনত।
অ' মোৰ পৰম প্ৰিয়,
তুমি ক'ত, তুমি ক'ত? (অনাহূত)

নলিনীবালা দেৱীৰ কাব্যিক চিন্তাৰ দ্বিতীয় পৰ্যায় আৰম্ভ হয় 'সপোনৰ সুৰ' নামৰ কবিতা পুথিখনৰ ৰচনাৰ লগে লগে। এই পৰ্যায়ৰ কবিতা বিষয়বস্তু বহুমুখী। কিন্তু সময় পৰিৱেশনিষ্ঠতা থাকিলেও কবিতাবোৰ ৰহস্যবাদী ধাৰণামুক্ত নহয়।

'যুগদেৱতা' 'জাগৃতি' আদি কবিতাবোৰ 'মহাজীৱনৰ মহিমা, স্মৃতিসম্ভূত আৰু জাতীয় জাগৰণৰ উদ্দেশ্য-প্ৰণোদিত। 'যুগদেৱতা' উছৰ্গিত হৈছে যুগ-প্ৰৱৰ্তক পুৰুষসকলৰ স্মৃতিতেই। তথাপিও যুগদেৱতাৰ বন্দনা আৰু বৰ্ণনাতো ৰহস্যবাদী সুৰ প্ৰসংগভেদ সুস্পষ্ট হোৱা আমি দেখা পাওঁ —

হৃদয়ৰ মণিকূট জুৰি
সুন্দৰৰ মনোহৰ পুৰী
ব্যাকুল হিয়াত কান্দে
জীৱনৰ পাৰে পাৰে
হে সুন্দৰ! তোমাকে বিচাৰি।

'পৰশমণি' কবিৰ তুলনামূলকভাৱে অধিক গভীৰ আৰু সংযত আধ্যাত্মিক চিন্তাধাৰা। ভাবসমৃদ্ধ 'পৰশমণি' হ'ল কবিগৰাকীৰ আধ্যাত্মিক উপলব্ধি আৰু ৰহস্যবাদী সুৰৰ প্ৰকৃষ্ট নিৰ্দৰ্শন। 'পৰশমণি' সত্য সুন্দৰৰ সন্ধান আৰু আৰাধনামুখৰ ছন্দময় সুৰ সুশোভিত আৰু সত্য সুন্দৰৰ পূজা আদিৰ পৰাই আৰম্ভ হৈছে। এই কবিতাফাকিতে আমি অনুমান কৰিব পাৰোঁ —

আজি মই সুৰ গীতি ছন্দ
দীপ শিখা ধূপ গন্ধ
আৰতি পঞ্চদীপ পুষ্প উপচাৰ
মই আৰাধনা পূজাৰিণী
চিৰ সুন্দৰৰ।

'অলকানন্দা' নামৰ কবিতা সংকলনখনৰ বাবে এইগৰাকী মহীয়সী কবিয়ে ১৯৬৮ চনত সাহিত্য একাডেমি বঁটা লাভ কৰে।

'অলকানন্দা'ত মুঠতে এশ চৈধ্যতা গীত আৰু কবিতা আছে। বিচিত্ৰ ভাব অনুভূতিয়ে অপৰূপ ৰূপ পৰিগ্ৰহ কৰিছে সংকলনটিক। বংগীয় নাট্যকাৰ দ্বিজেন্দ্ৰলালে কোৱাৰ দৰে নলিনীবালা দেৱীয়েও কৈছে, তেওঁৰ তৃপ্তিৰ কাৰণে নহয়, বিভৱ, বিভূতি নাইবা গৌৰৱৰ কাৰণেও নহয়, কেৱল চিৰসুন্দৰ, আৰাধনাৰ আৰু আনন্দৰ কাৰণেহে গীত ৰচনা কৰিছে।

কবিৰ কাব্যমনত এই পৃথিৱীতে সৰগ সুষমা ব্যাপ্ত, চিৰসুন্দৰ, চিৰ সেউজিয়া, নিত্যনতুন, মহীয়ান। পৃথিৱীৰ ৰূপ তৃষ্ণাই কবিৰ অন্তৰত চিন্তাৰ ঢৌ কেনেদৰে তুলিছে, আমি এই অলকানন্দা সংকলনটিৰ দুই-এফাকি পঢ়ি বুজিব পাৰিছোঁ —

কোনে আঁকি দিলে মোৰ দুচকুত  
ৰামধেনু ৰূপে ৰূপছবি,  
ছন্দে ছন্দে বকুল গন্ধে  
মালাকৰ মই সুৰ কবি।

কত বসন্ত কত ৰবষাৰ  
সুৰ জোৱাৰত ঢৌ তুলি  
শাৰদীয় নিশাৰ জোন জোনাকৰ  
সোণ জোনালীত বুৰ মাৰি।  
আঁকো সপোনৰ ৰূপছবি,  
ছঁয়াময়া মোৰ মন উপবন  
মালাকৰ মই সুৰ কবি।

সুখ আশা পৰম পদৰ,  
ৰূপ তৃষ্ণা চিৰসুন্দৰৰ।

চিৰসুন্দৰৰ ৰূপ তৃষ্ণাই কবিগৰাকীৰ প্ৰাণত যি আনন্দৰ ঢৌ তুলিলে তাৰ আদি-অন্ত নাই। কবিগৰাকীৰ মানসত বিবিধ ঝংকাৰ তুলিলে মাথোন।

নলিনীবালা দেৱীৰ শেহতীয়া কবিতা পুথিখনি হ'ল তেওঁৰ সাতটি কবিতাৰে 'অন্তিম সুৰ'। জীৱনৰ অন্তিম অৱস্থাত ৰচিত অন্তিম সুৰ এইগৰাকী কবিৰ কবিতাৰ অন্তিম পৰ্যায় আৰু সমাপ্তি। অন্তিম সুৰত সত্য শিৱ সুন্দৰৰ প্ৰতি কাতৰ আত্ম নিবেদন জনোৱা হৈছে। কবিতাৰ মাজত, কবিৰ আন্তৰিক আকুলতাৰ মাজত সত্য শিৱ সুন্দৰৰ ধ্যানৰ ক্ষেত্ৰত একপ্ৰকাৰ অনিবাৰ্য আৱেগিক অস্থিৰতা পৰিলক্ষিত হয়। তথাপি কবিগৰাকীৰ অন্তৰৰ সন্ধানৰ একাগ্ৰতা অকণো ম্লান হোৱা নাই।

শেষ মুহূৰ্তত কবিগৰাকীয়ে দেখা পায় উৰলি শেষ হৈ যোৱা নিজৰ জীৱনৰ সাধুটো —

এৰি অহা পঁজা জহি খহি শেষ হ'ব  
জীৰ্ণ দেহৰ ছাইবোৰ পৰি ৰ'ব  
এটি সাধু শেষ হ'ব।

১৯৭৭ চনৰ ২৪ ডিচেম্বৰৰ নিশা ৯·২০ বজাত গুৱাহাটীৰ দক্ষিণ শৰণীয়াত অৱস্থিত নিজা বাসভৱন 'স্বপ্নাচল'ত এইগৰাকী মহীয়সী নাৰীৰ জীৱন অৱসান ঘটে। জীৱনৰ বিয়লি পৰলৈকে কলম অব্যাহত ৰাখি কবিতা জগতখনৰ বাহিৰেও অসমীয়া সাহিত্যৰ আটাইকেইটা দিশলৈ যি অৰিহণা যোগাই থৈ গ'ল সিয়েই তেওঁক প্ৰতিজন সাহিত্যানুৰাগীৰে মনত বৰণীয় তথা স্মৰণীয় কৰি ৰাখিব।

****

## কৌতুক

সংগ্ৰহ ঃ *প্ৰদীপ খাউণ্ড*

এটা ঘৰৰ ভিতৰত দুজন যুৱকে সুৰা সেৱন কৰি আছিল। তেনেতে এজন যুৱকে আনজনক ক'লে বেলিটো কিমান সময়ত অস্ত যাব চাই আহচোন। দ্বিতীয়জন যুৱকে বাহিৰলৈ ওলাই গ'ল আৰু ঘূৰি আহি ক'লে – ঐ, বাহিৰত ইমান আন্ধাৰ বেলিটো নেদেখি।

# প্লাজমা

শ্ৰীনীলমণি শইকীয়া
প্ৰবক্তা

পদাৰ্থ বিভিন্ন ৰূপত থাকিব পাৰে। যেনে – গোটা (কঠিন) জুলীয়া আৰু গেছীয়। আমি দেখিছোঁ যে বৰফ এটুকুৰাই তাপ পালে পানীলৈ ৰূপান্তৰিত হয় আৰু সেই পানীক তাপ প্ৰয়োগ কৰিলে বাষ্প অৰ্থাৎ গেছীয় অৱস্থাপ্ৰাপ্ত হয়। দৃশ্যমান অভিজ্ঞতাৰে আমি এইখিনিলৈকে আগবাঢ়িব পাৰোঁ। আমি যদি এই বাষ্পখিনিক যথেষ্ট তাপ প্ৰয়োগ কৰোঁ, তেন্তে এই বাষ্পখিনি বাষ্প অৱস্থাতে থাকিবনে বেলেগ এটা অৱস্থা প্ৰাপ্ত হ'ব। এই ক্ষেত্ৰত পদাৰ্থই চতুৰ্থ এটা অৱস্থাপ্ৰাপ্ত হয়। বিজ্ঞানীসকলে পদাৰ্থৰ এই চতুৰ্থ অৱস্থাৰ নাম থলে 'প্লাজমা' (Plasma)।

প্লাজমা নামটো আয়নীয় গেছৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। অত্যধিক উষ্ণতাত কম পাৰমাণৱিক সংখ্যাৰ গেছসমূহ সম্পূৰ্ণভাৱে আয়নীকৃত হৈ ইলেক্ট্ৰন আৰু ধনাত্মক নিউক্লিয়াছ সমূহেৰে গঠিত পৰস্পৰ অন্তৰ্ভেদী (interpenetrating) গেছৰ সমষ্টি দুটা তৈয়াৰ কৰে। আধানযুক্ত কণাৰ মিশ্ৰণেৰে গঠিত এই গেছ সমষ্টিক প্লাজমা (Plasma) বোলে। বহলভাৱে চালে দেখা যায় যে প্লাজমা তিনিটা উপাদানৰ এটা মিশ্ৰণ। এই উপাদানকেইটা হ'ল – মুক্ত ইলেক্ট্ৰন, ধনাত্মক আয়ন আৰু নিষ্ক্ৰিয় পৰমাণু (বা অণু)।

বিশ্বব্ৰহ্মাণ্ডৰ সকলোতকৈ বেছিকৈ থকা পদাৰ্থৰ অৱস্থাটো প্লাজমা। সূৰ্য আৰু অন্যান্য নক্ষত্ৰবিলাক প্লাজমাৰে গঠিত বুলি বিজ্ঞানীসকলে মতপোষণ কৰিছে। আমাৰ পৃথিৱীৰ বায়ুমণ্ডলকো প্লাজমাৰ আৱৰণে আবৃত কৰি ৰাখিছে। এই আৱৰণটোক আয়ন'স্ফেয়াৰ নামেৰে জনা যায়। আয়ন'স্ফেয়াৰৰ সিপাৰৰ অংশটো হ'ল বিকিৰণ বেষ্টনী (radiation belt) মহাকাশৰ এই অংশত প্লাজমা যথেষ্ট উষ্ণ উষ্ণতাত থাকে।

যিহেতু প্লাজমা ঋণাত্মক আৰু ধনাত্মক কণাৰ এটা মিশ্ৰণ আৰু এই আধানযুক্ত কণাৰ সংখ্যা সমান, গতিকে প্লাজমা বৈদ্যুতিকভাৱে উদাসীন। কিন্তু ইহঁতৰ অন্তঃচাপৰ পৰিমাণ বৰ বেছি হোৱাত (প্ৰায় এহেজাৰ বায়ৱীয় চাপৰ সমান) বাহিৰৰ পৰা আন কোনো বলে ক্ৰিয়া নকৰিলে ইহঁতক আবদ্ধ কৰি ৰখাই টান। সূৰ্য বা অন্যান্য নক্ষত্ৰবিলাকৰ মহাকৰ্ষণীয় বল যথেষ্ট বেছি হোৱাত প্লাজমাবিলাক আবদ্ধ হৈ থাকে। কিন্তু গৱেষণাগাৰত প্লাজমাৰ কণাসমূহৰ মাজত থকা মহাকৰ্ষণীয় বল একেবাৰে নগণ্য হোৱাত প্লাজমা অধ্যয়নত এক অন্তৰায় হিচাপে থিয় দিছে। দ্বিতীয়তে নিউক্লিয় সংযোজন (Nuclear Fusion) বিক্ৰিয়া এটা ঘটাবৰ বাবে যথেষ্ট উচ্চ উষ্ণতাৰ প্ৰয়োজন। এই ক্ষেত্ৰত আমাৰ দুটা সমস্যা আহি পৰে। এটা হ'ল পৰীক্ষাগাৰত ইমান উচ্চ উষ্ণতা প্ৰস্তুত কৰাটো। তৃতীয়তে বিক্ৰিয়াটো ঘটাবৰ বাবে পাত্ৰ এটা তৈয়াৰ কৰাটো। গণনাৰ পৰা দেখা গৈছে যে H–H বিক্ৰিয়াৰ বাবে এই উষ্ণতা হ'ল $4\times10^{80}$K। ইমান এটা উচ্চ উষ্ণতাত যিকোনো পাত্ৰই গলি যায়। বিজ্ঞানীসকলৰ সন্মুখত ই এটা প্ৰত্যাহ্বান হিচাপে থিয় দিলে। অৱশ্যে প্লাজমাক প্ৰত্যক্ষভাৱে প্ৰয়োজনীয় উষ্ণতালৈ নিয়াৰ পৰিৱৰ্তে কণাসমূহৰ গতিশক্তি বঢ়াই একে ফল পাব পাৰি। গেছৰ গতিতত্ত্বৰ পৰা দেখা যায় যে কোনো গেছৰ গতিশক্তি E আৰু পৰম উষ্ণতা T-ৰ মাজৰ সম্পৰ্কটো হ'ল –

$$E = KT, \quad K - \text{বল্টামনৰ ধ্ৰুৱক।}$$

এনে গতিশক্তিৰ সমতুল্য উষ্ণতাক গতি উষ্ণতা (Kinetic Temperature) বোলা হয়।

লাভজনক শক্তি আহৰণৰ বাবে বৃটিছ পদাৰ্থবিদ জে. ডি. লাওছনে (J. D. Lawson) দেখুৱায় যে এই প্লাজমাৰ এটা চৰ্ত পূৰণ হ'ব লাগে। ই হৈছে প্লাজমা ঘনত্ব কণাৰ সংখ্যা (N) আৰু আবদ্ধকাল (t)-ৰ গুণক অৰ্থাৎ Nt-ৰ মান নিৰ্দিষ্ট হ'ব লাগে, যাতে সকলোবিলাক কাৰণতে হানি হোৱাৰ পাছতো সংযোজনৰ বাবে আৱশ্যকীয় শক্তি থাকে। এতিয়া প্লাজমাক যদি $10^{-10}$ ছেকেণ্ড আবদ্ধ কৰি ৰাখিব পাৰি, তেন্তে $10^{24}$ সংখ্যক নিউক্লিয়াছ থাকিলেহে নিযুক্ত লাভৰ ঘৰত থাকিব।

প্লাজমাৰ আবদ্ধকাল বেছি হ'লে আৱশ্যকীয় ঘনত্বৰ মান কমি যায়, কিন্তু কথা হ'ল যে 100 কিলো ইলেক্ট্ৰন ভল্ট গতি উষ্ণতাৰ বাবে প্ৰায় এহেজাৰ বায়ৱীয় অন্তঃচাপ থকা প্লাজমাকনো কিমান সময়লৈ আবদ্ধ কৰিব পাৰি?

ইয়েই সংযোজন ৰিএক্টৰৰ প্ৰধান সমস্যা।

প্লাজমা অন্তঃচাপৰ ফলতে ই যিকোনো ধাৰকৰ অন্তৰ্ভাগত বিয়পি পৰে। তদুপৰি ধাৰকৰ বেৰত পদাৰ্থৰ সংস্পৰ্শলৈ অহাৰ লগে লগে প্লাজমাৰ শক্তিৰ শোষণ ঘটিব। যাৰ ফলত সংযোজন ঘটাবৰ বাবে আৱশ্যকীয় গতিশক্তিৰ হ্ৰাস ঘটিব। ধাৰকৰ বেৰৰ পৰা উচ্চ পৰামাণু সংখ্যাৰ পৰমাণু বাহিৰ হৈ প্লাজমাৰ শক্তি হানি হোৱাত দুগুণে সহায় কৰিব।

প্লাজমা আবদ্ধকৰণ সমস্যা দূৰ কৰিবলৈ বিজ্ঞানীসকলে যথেষ্ট চিন্তা-চৰ্চা কৰি আহিছে। নানান গৱেষণাৰ ফলত দেখা গৈছে যে ধাৰক পৃষ্ঠৰ লগত সংস্পৰ্শ নঘটাকৈ প্লাজমাক আবদ্ধ কৰিব পৰা সৰ্বোৎকৃষ্ট কৌশল হৈছে চুম্বক ক্ষেত্ৰৰ প্ৰয়োগ।




চিত্ৰ ঃ চুম্বক ক্ষেত্ৰত প্লাজমাক আবদ্ধ কৰাৰ ৰৈখিক চিত্ৰ
(1) কুণ্ডলী পাত্ৰ, (2) প্লাজমা, (3) চুম্বক ক্ষেত্ৰ।

ওপৰৰ চিত্ৰত প্লাজমাক আবদ্ধ কৰি ৰখা ফোঁপোলা কুণ্ডলী (Hollow solenoid) এটা অনুপ্ৰস্থচ্ছেদ দেখুওৱা হৈছে। কুণ্ডলীৰ A আৰু C অঞ্চলত B তকৈ চুম্বক ক্ষেত্ৰৰ তীব্ৰতা বেছি হোৱাত বল্‌ৰেখাবোৰ অক্ষীয় নহৈ চিত্ৰত দেখুওৱা ধৰণৰহে হয়।

ধাৰকৰ ভিতৰত থকা চুম্বক ক্ষেত্ৰত আয়নবিলাকে সৰ্পিল কক্ষত গতি কৰে। এই কক্ষবিলাকৰ বক্ৰতা চুম্বক ক্ষেত্ৰৰ তীব্ৰতাৰ অনুপাতী হোৱাত কুণ্ডলীৰ দুয়োমূৰে থকা অধিক তীব্ৰতৰ অঞ্চলত কক্ষপথ এনে ধৰণে ভাঁজ লয় যে প্লাজমা, ধাৰকৰ দুয়োমূৰ অতিক্ৰম কৰিব নোৱাৰি প্ৰতিফলিতহে হয়। অৰ্থাৎ দুয়ো মূৰে থকা উচ্চ চুম্বক ক্ষেত্ৰই চুম্বকীয় দাপোণৰ দৰে ক্ৰিয়া কৰে। ফলস্বৰূপে প্লাজমা সমষ্টি কুণ্ডলীৰ ভিতৰতে আবদ্ধ থাকিবলৈ বাধ্য হয়। এনে কৌশলকে চুম্বকীয় বটল (Magnetic Bottle) বোলে। বটলত দ্ৰব্য ৰখাৰ দৰে ইয়াতো প্লাজমা ৰাখিব পাৰি। সোঁফালে মূৰত চুম্বক ক্ষেত্ৰৰ মান হ্ৰাস কৰি আৰু বাওঁফালৰ পৰা ক্ৰমাৎ ক্ষেত্ৰত মান বৃদ্ধি কৰি প্লাজমাক এটা কুণ্ডলীৰ পৰা আন এটা কুণ্ডলীলৈ স্থানান্তৰিত কৰিব পাৰি। A,B,C কুণ্ডলীৰ মাজেদি বৈদ্যুতিক প্ৰৱাহৰ সাল-সলনি ঘটাই অৰ্থাৎ চুম্বক ক্ষেত্ৰ বঢ়ালে বা কমালে প্লাজমা সমষ্টিৰ আকৃতিৰ পৰিৱৰ্তন ঘটাব পাৰি। ক্ষেত্ৰ বঢ়ালে প্লাজমা সংকুচিত হয় আৰু ক্ষেত্ৰ কমালে ই প্ৰসাৰিত হয়। এনেদৰে প্লাজমাৰ সংকোচন ঘটালে ইয়াৰ গতি উষ্ণতা (Kinetic temperature) তীব্ৰভাৱে বৃদ্ধি পায়। এইদৰেই চুম্বক ক্ষেত্ৰৰ আকস্মিক পৰিৱৰ্তনৰ দ্বাৰা চুম্বকীয় বটলত আবদ্ধ হৈ থকা প্লাজমাৰ সংযোজন (Fusion) ঘটাব পাৰি। এই সংযোজনৰ ফলতে প্ৰচণ্ড বেগী প্ৰটন (হাইড্ৰ'জেন), ডয়টেৰিয়াম আদি কণাসমূহৰ মাজত দ্ৰুত গতিত সংঘৰ্ষ ঘটিলে এই কণাসমূহে সিহঁতৰ মাজত থকা বৈদ্যুতিক বিকৰ্ষণ বল অতিক্ৰম কৰি উভয়ে থূপ খাই এটা গধুৰ নিউক্লিয়াছলৈ ৰূপান্তৰিত হয়। উদাহৰণ স্বৰূপে চাৰিটা হাইড্ৰ'জেন নিউক্লিয়াছ সংযোজন (Fusion) ঘটি হিলিয়াম নিউক্লিয়াছ এটা গঠিত হ'লে বিক্ৰিয়াটো তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰি ঃ

$$4\,{}_1H^1 \rightarrow {}_2He^4 + 2\,{}_{+1}e^0 + 29 + Q$$

চাৰিটা হাইড্ৰ'জেনৰ ভৰ $= 1{\cdot}00813 \times 4$
$= 4{\cdot}03252$ এ.এম.ইউ.

এটা হিলিয়ামৰ ভৰ $= 4{\cdot}00386$ এ.এম.ইউ.

দুটা হিলিয়ামৰ ভৰ $= 4{\cdot}001098$ এ.এম.ইউ.

$\therefore$ ভৰ ঘাটিৰ পৰিমাণ $= 0{\cdot}02866$ এ. এম. ইউ.

সমীকৰণটোৰ সোঁফালে ঘাটি হোৱা এই ভৰ শক্তিলৈ ৰূপান্তৰ হয়। আইনষ্টাইনৰ সূত্ৰ অনুসৰি নিযুক্ত শক্তিৰ পৰিমাণ

$$Q = .02866 \times 931$$
$$\cong 27\ \text{MeV}$$ (এম.ই.ভি)

বিজ্ঞানীসকলে গৱেষণাৰ দ্বাৰা পাইছে যে সূৰ্যই প্ৰতি ছেকেণ্ডত $3.8 \times 10^{26}$ জুল শক্তি নিৰ্গমণ কৰে। এই শক্তি ৰাসায়নিক বা মহাকৰ্ষণীয় শক্তি নহয়। সূৰ্যৰ ক্ষেত্ৰত দেখা যায় যে সূৰ্যই H (হাইড্ৰ'জেন) পুৰি He হিলিয়াম অঙঠালৈ ৰূপান্তৰ হয় আৰু সেই জুইকুৰাৰ পৰা সৌৰজগতে প্ৰয়োজনীয় শক্তি আহৰণ কৰে। অৱশ্যে এই বিক্ৰিয়া ঘটাবৰ বাবে কাৰ্বনে অনুঘটকৰ কাৰ্য কৰে। আজিকালি লেজাৰ ৰশ্মিৰ সহায়তো প্লাজমাত সংযোজন ঘটোৱা হৈছে। ইয়াৰ উপৰিও আপেক্ষিকীয় ইলেক্ট্ৰন কিৰণ আৰু আয়ন কিৰণ সমূহৰ দ্বাৰাইও সংযোজন ঘটাবলৈ চেষ্টা কৰা হৈছে। এইদৰে বিভিন্ন কৌশলৰ বিষয়ে গৱেষণা চলোৱা হৈছে আৰু অদূৰ ভৱিষ্যতে শক্তিৰ অক্ষয় উৎস হিচাপে হাইড্ৰ'জেনৰ আইছ'টপসমূহৰ সংযোজন ঘটোৱা ৰিএক্টৰ সাজিব পৰা যাব বুলি আশা কৰা হৈছে।

সহায়ক গ্ৰন্থ ঃ

1. নিউক্লীয় পদাৰ্থবিজ্ঞান ঃ টি. ডি. গোস্বামী।
2. Modern Physics, by R. Murugeshan.
3. On Plasma, by L. A. Artsimovich.

# আমাৰ সমাজ-সংস্কৃতি আৰু আমি

চুমি বৰঠাকুৰ
স্নাতক, তৃতীয় বৰ্ষ

শিক্ষা বিভাগ ঃ

অসমীয়া কৃষ্টি-সংস্কৃতি অতি পুৰণি। প্ৰাচীন কালৰেপৰা আমাৰ কৃষ্টি-সংস্কৃতি বিশ্বপ্ৰৱাহৰ ধাৰাৰ দৰে পৰিৱৰ্তন হৈ আহিছে । অসমীয়া কৃষ্টি-সংস্কৃতিয়ে আজি আহি এক নতুন ৰূপ ধাৰণ কৰিছেহি। পুৰণি সেই কৃষ্টি-সংস্কৃতিৰ প্ৰৱাহটোকে সম্প্ৰতি নতুন সৃষ্টি-সংস্কৃতিৰ এটা সুকীয়া প্ৰৱাহে ছানি পেলাইছে। নতুনত্বৰ গৰহাত প্ৰাচীন কৃষ্টি-সংস্কৃতি আৰু মানুহৰ ভাৱ-ভংগীৰ সম্পূৰ্ণৰূপে পৰিৱৰ্তন হৈ আহিছে।

বিহু আমাৰ জাতীয় উৎসৱ। বিহু আহিলে আমাৰ ডেকা-গাভৰুৰ মাজত এক বুজাব নোৱৰা পাৰস্পৰিক সম্বন্ধ ঘটে। সেই সম্বন্ধ মৰমৰ, হেঁপাহৰ। ৰঙালী বিহুক গছৰ তলৰ বা নৈ দাঁতি কাষৰীয়া বিহু হিচাপে ব্যৱহাৰ কৰা হৈছিল। কিন্তু সেই বিহু ১৮ শতিকাতেই আহঁতৰ তলৰপৰা আহি স্থচৰিৰ ৰূপত ৰাজকাৰেঙৰ সন্মুখলৈ, ৰংঘৰ পথাৰলৈ, ডাঙৰীয়াসকলৰ পদুলিৰ মুখলৈ ওলাল। (দেউতা ওলালে বাটচ'ৰাৰ মুখলৈ, দলিয়াই পাতিলে দোলো)। সম্প্ৰতি আঁহতৰ তলৰ আৰু ৰংঘৰৰ পথাৰত হোৱা বিহু মঞ্চলৈ আহি প্ৰতিযোগিতাত নামি পৰিল। নগৰ চহৰৰ কৃত্ৰিম সাজ-সজ্জা আৰু বিজুলি-বাতিৰ চমকনিত উত্ৰাৱল হৈ পৰিল। মঞ্চৰ বিহুৱে পুৰণি বিহুৰ আৱেদন পাহৰিলে। বৰ্তমান আমাৰ বিহু পুৰস্কাৰধৰ্মী হৈ পৰিল। ডেকা-গাভৰুহঁতে নাচোনত পাৰদৰ্শিতা দেখুৱাব পাৰিলে পুৰস্কাৰ প্ৰদান কৰা হয়। এনে ব্যৱস্থাই আমাৰ যুৱক-যুৱতীহতঁৰ মনত এক পুৰস্কাৰধৰ্মী মনোভাৱৰ সৃষ্টি কৰিছে। এয়া যেন সময়ৰ এক অপূৰ্ব হাত বাউলি।

দূৰদৰ্শন, কথাছবি আদিৰ দ্বাৰা প্ৰদৰ্শিত অৰ্ধ-নগ্ন নাৰীৰ নাচোনৰ লয়লাসে যুৱক-যুৱতীৰ মনৰ পৰিৱৰ্তন সাধন কৰিছে। অসমীয়া সমাজ ব্যৱস্থাত পশ্চিমীয়া ভাৱ-ভংগী, আচাৰ-ব্যৱহাৰ আৰু কাৰু-কাৰ্যই গা-কৰি উঠিছে। গাঁৱৰ সমাজত নগৰীয়া স্বচ্ছন্দতাই প্ৰভাৱ পেলাইছে। গাঁৱলীয়া সামাজিক জীৱনত নগৰীয়া প্ৰভাৱ বাৰুকৈ শিপাই পৰিছে। সাজ-পোছাক, পিন্ধন-উৰণ, খোৱা-লোৱা আদি সকলো দিশতে আমাৰ গাঁৱলীয়া সমাজে নগৰীয়া আদৱ-কায়দা গ্ৰহণ কৰিবলৈ ধৰিছে। আমাৰ গাঁৱলীয়া বোৱাৰীহঁতে আগৰ দৰে এহতীয়া ওৰণি ল'ব নালাগে; হাতে বোৱা কাপোৰ নিপিন্ধলেও হয়; চুইদাৰ, মেক্চি আদি পিন্ধিলেই চলি যায়--ইত্যাদি ধৰণৰ উক্তি আহি পৰিল। সমাজ পৰিৱৰ্তন হ'ল, মানুহ আধুনিক হ'ল আৰু নতুনত্বক আদৰি লোৱাটোহে আমাৰ কৰ্তব্য ইত্যাদি মনোভাৱ, নীতি আমাৰ সমাজে গ্ৰহণ কৰিবলৈ ধৰিলে। আধুনিক এই পৰিৱেশটোৱে ল'ৰা-ছোৱালীৰ মাজৰ পাৰ্থক্য একেবাৰে নুই কৰি পেলাইছে। আজিকালি ল'ৰা-ছোৱালীয়েই নে ছোৱালী ল'ৰাই মুঠেই ধৰিব নোৱৰা হৈ পৰিছে। আধুনিক ডেকাসকলৰ বৈশিষ্ট্য হৈছে চুলি দীঘলকৈ ৰখা, টাইট ফিটিং জিন্ছ্ পিন্ধা, হাতত খাৰু পিন্ধা ইত্যাদি। অন্যহাতে আমাৰ আধুনিক ছোৱালীহঁতৰ বৈশিষ্ট্য হৈছে, জিন্ছ্ পিন্ধা, চুলি বইজ কাট দিয়া, হাই হিল পিন্ধা ইত্যাদি। খাদ্য-সম্ভাৰৰ ক্ষেত্ৰত তাহানিৰ সেই আমোলমূলীয়া, আপুৰুগীয়া খাদ্যবস্তুবোৰো লোপ পাই আহিব ধৰিলে। হেঁচাপিঠা, ঘিলাপিঠা, বৰপিঠা, পকামিঠৈৰ পানী পিঠাৰ পৰিৱৰ্তে লালমোহন, মিষ্টি, জেলেপিয়েহে স্থান পাইছে। পুৰণি হাতীখুজীয়া বাতিৰ ম'হৰ এঠা নাগা দৈ আৰু তেঁতেলি পতীয়া চিৰাৰ পৰিৱৰ্তে আমাৰ ন-বোৱাৰীসকলে বিহুৱে সংক্ৰান্তিয়ে বিজতৰীয়া জলপান পৰিৱেশন কৰিবলৈ লৈছে।

পৰিৱৰ্তিত সময়ে মুখৰ মাত-কথাকো শুদাই এৰা নাই। আজিকালি ল'ৰা-ছোৱালীবিলাকে পাপা, ডেডী, মামী আদি শব্দহে ব্যৱহাৰ কৰে। পত্নীয়েও নিজৰ স্বামীক 'তুমি' বুলিহে সম্বোধন কৰে। আধুনিক ল'ৰা-ছোৱালীহঁতে নিজৰ মাক-দেউতাকক তই নুবুলি 'তুমি' বুলিহে মাতে। এনে এক ব্যৱস্থাই আমাৰ সমাজ ব্যৱস্থা আমাৰ সমাজ ব্যৱস্থাক এক অত্যাধুনিক দিশলৈ যে লৈ গৈছে তাকেই প্ৰমাণ কৰি দেখুৱাইছে।

পৰিৱৰ্তিত সময়ে আমাৰ শিক্ষা ব্যৱস্থাকো অন্য এক দিশলৈ ঠেলি নিছে। আধুনিক শিক্ষা ব্যৱস্থা হৈ পৰিছে কেৱল পুথিগত আৰু চাকৰিমুখী। আমাৰ এই শিক্ষা ব্যৱস্থাত

ব্যৱহাৰিক জ্ঞানৰ অভাৱ হৈছে আৰু এনে এক শিক্ষা ব্যৱস্থাই কেৱল মুষ্টিমেয় কেইজনমান ব্যক্তিৰ জীৱনৰ ভেটি সুদৃঢ় কৰিছে আৰু বাকীসকলে পেটত গামোচা বান্ধি খাবলৈ নাপাই ঘূৰি ফুৰিব লগা এটা পৰিৱেশৰ সৃষ্টি কৰিছে। এনে এক শিক্ষা ব্যৱস্থাৰ মূল্য ধনেৰে জোখা হৈছে। যিসকলে ধনৰ জৰিয়তে শিক্ষাৰ মূল্য কিনিব পাৰিছে সেইসকলে নিজৰ জীৱনক সংস্থাপন দিবলৈ সক্ষম হৈছে আৰু বাকীসকলে শিক্ষাৰ মূল্য ধনেৰে কিনিব নোৱাৰি ঘূৰি ফুৰিছে। এনে এক শিক্ষা ব্যৱস্থাই যুৱক-যুৱতীসকলৰ মাজত এক উচ্ছৃংখল বাতাৱৰণ সৃষ্টি কৰিছে, যাৰ ফলত যুৱকসকলে নানা ধৰণৰ অপৰাধমূলক কামত লিপ্ত হৈ পৰিছে। সেয়েহে আমাৰ শিক্ষা ব্যৱস্থাক সংশোধন কৰি বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্তন কৰিব লাগিব। দেশৰ অধিকসংখ্যক যুৱক-যুৱতীক সংস্থাপনৰ ব্যৱস্থা কৰিব পাৰিলেহে দেশৰ উন্নতি সম্ভৱ হৈ পৰিব।

পৰিৱৰ্তিত সময়ে ধৰ্ম, বিশ্বাস আদিৰ দিশতো যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিছে। যি ধৰ্মই বৰ্বৰ অৰাজতাক আঁতৰ কৰি মানুহক শ্ৰদ্ধা আৰু আনুগত্যৰ শিক্ষা দিব পাৰিছিল, যি ধৰ্মই মানুহক ঐক্যবদ্ধ কৰি ৰাখিব পাৰিছিল, সেই ধৰ্মৰ প্ৰতি মানুহক উদাসীন কৰি তুলিছে আধুনিক পৰিস্থিতিয়ে। আধুনিক সময়ত ধৰ্মৰ প্ৰতি মানুহৰ বিশ্বাস একেবাৰেই নাইকিয়া হৈ পৰিছে। আধ্যাত্মিকতাৰ প্ৰতি মানুহৰ বিশ্বাস নাইকিয়া হৈছে। পূজা-পাৰ্বণ আদিৰ ক্ষেত্ৰত মানুহৰ ভক্তি আৰু ভয় কমি আহিছে। যাৰ ফলত মানুহে কৰিব নলগীয়া কাম কৰিলেনো কি হ'ব, কিনো পাপ লাগিব ইত্যাদি মনোভাৱ পোষণ কৰি কৰিবলৈ আগবাঢ়ি গৈছে। মানুহ বিজ্ঞানমুখী হৈছে, বিজ্ঞানৰদ্বাৰা আৱিষ্কৃত ন-ন আহিলা-পাতিবোৰ মানুহে ব্যৱহাৰ কৰিবলৈ গৈ ধ্বংসযজ্ঞৰ সূচনা কৰিছে। এয়া যেন সময়ৰ এক পৰিৱৰ্তনীয় আহ্বানহে।

পৰিৱৰ্তিত সময়ে বিয়া-বাৰু আদিৰ ক্ষেত্ৰতো যথেষ্ট প্ৰভাৱ পেলায়। আমাৰ সমাজ ব্যৱস্থাত বৰ্তমান এনেকুৱা এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে এগৰাকী ছোৱালীক বিয়া কৰাবলৈ বুলি অহা এজন যুৱকে বা যুৱকজনৰ পৰিয়ালে ছোৱালীজনীৰ ঘৰখনৰ বিভিন্ন দিশ তন্ন তন্নকৈ চালি-জাৰি চোৱাৰ পিছততে বিয়া কৰাম বা নকৰাম ইত্যাদি কথা দিয়ে। তাৰোপৰি কোনোবাজন যুৱকে আকৌ ছোৱালীজনীৰ চাকৰিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। এনে সদাশয় যুৱকে ছোৱালীজনীৰ যদি চাকৰি আছে, তেন্তে ছোৱালীজনী লাগে বুঢ়ীয়েই হওক বা কেৰিয়েই হওক তাক গুৰুত্ব নিদি বিয়া কৰাব খোজে। কেতিয়াবা আকৌ আমাৰ কিছুমান ৰাংঢালি যুৱকে ছোৱালীৰ ৰূপ লাৱণ্যৰ প্ৰতিহে গুৰুত্ব দিয়ে। সেইসকলৰ মতে ৰূপেহে সংসাৰ তৰে, গুণে সংসাৰ নতৰে। কিন্তু তেখেতসকলে ভৱিষ্যতৰ সংসাৰখনৰ প্ৰতি গুৰুত্ব নিদি, এটি পৰিয়ালত যে এগৰাকী শিক্ষিত মাতৃৰ প্ৰয়োজন সেই কথা বিচাৰ নকৰে। এইবোৰ যেন মানৱ জাতিৰ এক যুগান্তকাৰী পৰিৱৰ্তন।

এতিয়া আহোঁ ভাষা-সাহিত্যৰ পৰিৱৰ্তনলৈ। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যই নতুন পথেৰে খোজ দিলে। সাহিত্যৰ ক্ষেত্ৰত বিশেষকৈ কবিতাই নতুন সাজ পিন্ধিলে। জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ খিৰিকী খুলি ৰখা সাম্প্ৰতিক কবিৰ ধৰ্মই হৈ পৰিল। ১৯৩৯-৪৫-ৰ দ্বিতীয় মহাযুদ্ধৰ ঠিক শেষৰ পৰাই অসমীয়া উপন্যাসৰ যেন নৱযৌৱন আহিল। এতিয়া উপন্যাস সমাজমুখী হ'ল। চুটিগল্পৰ ক্ষেত্ৰতো লেখকসকলে নতুন মানসিক দিগন্ত বিচাৰি, বিশেষকৈ মনোবিকলন আৰু জীৱনৰ নগ্নচিত্ৰৰ লগত জড়িত অসমীয়া ভাষাটোৱো পূৰ্ববৰ্তী যুগৰ তুলনাত নানা ধৰণৰ পৰিৱৰ্তনৰ ফলত অসমীয়া ভাষাৰ দেশী-বিদেশী নানা শব্দৰ ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰিলে। উদাহৰণস্বৰূপে, কমৰেড, ডাছ কেপিটেল, আলট্ৰা ভায়োলট, ফুট-পাথ ইত্যাদি। দ্বিতীয় মহাসমৰ আৰু স্বাধীনতা আন্দোলনৰ লগত জড়িত শব্দ কিছুমানো অসমীয়া ভাষালৈ সেই সময়তে আমদানি হয়। উদাহৰণস্বৰূপে, এৰোপ্লেন, ট্ৰেঞ্চ, হেলমেট, মিলিটেৰি, গান্ধি টুপি, মেচিনগান, ব্লেক-মাৰ্কেট ইত্যাদি।

স্বাধীনতাৰ পাছত অসমীয়া ভাষাৰ চিন্তা-চৰ্চাৰ বৃদ্ধি, ভাষা আইন, শিক্ষাৰ মাধ্যমৰ সলনি আদিয়ে পাৰিভাষিক শব্দৰ ব্যৱহাৰ অভাৱনীয়ৰূপে বঢ়াই তুলিলে আৰু তাৰ ফলত অসমীয়া ভাষালৈ প্ৰচুৰ পৰিমাণৰ তৎসম শব্দৰ আমদানি হ'ল। তলত কিছুমান এনে শব্দৰ উল্লেখ কৰা হ'ল – উপাযুক্ত, প্ৰবক্তা, অধিবক্তা, ন্যায়ালয়, অভিযন্তা, অধ্যক্ষ, উপাধ্যক্ষ, স্নাতক, স্নাতকোত্তৰ ইত্যাদি।

আন্যহাতে উপন্যাস আৰু চুটিগল্পৰ লেখকসকলে পৰ্যাপ্তৰূপে ইংৰাজী আৰু আন বিদেশী ভাষাৰ শব্দ ব্যৱহাৰ কৰিবলৈ ল'লে। এনে শব্দ কিছুমানৰ তালিকা তলত দিয়া হ'ল –

অপাৰেছন, আণ্ডাৰপেণ্টছ, এয়াৰবেগ, এজমা, হাফপেণ্ট, হাল্লা। কোনো কোনো লোকে আৱশ্যকতা অনুসৰি বিদেশী শব্দৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু কোনো কোনো লোকে আৱশ্যকতা নথকা ঠাইতো বিদেশী শব্দৰ অবাধ প্ৰয়োগ কৰিবলৈ ল'লে। তলত সেইবোৰৰ চানেকি দিয়া হল –

ক) "আমাৰ মেছটো অন্তৰ্ধান হৈছে। তাৰ ঠাইত থিয় হৈ আছে এটা ধুনীয়া আৰ. চি. চি. ঘৰ। গ্ৰিলসহ পকী দেৱালৰ ভিতৰত ফুলনি, প্ৰকাণ্ড লোহাৰ গেটৰ পোনে পোনে গাড়ী-বাৰাণ্ডা, তাতে লাইটৰ তলত এজনী গাভৰু ছোৱালী থিয় হৈ আছে -- তেওঁৰ পাছলৈ সুসজ্জিত ড্ৰইং ৰুমত দামী আচবাব টিউব লাইটৰ তলত জিলিকি থকা খিৰিকী ... ধৰিব পাৰি।" *(যোগেশ দাস ঃ গদাধৰ টি ষ্টল)*

খ) "অতবোৰ ডেকা বেছেলাৰ মানুহ আছে। মোকনো ফেমিলি থকা বুলি জানিও এই ৰাতি দুই ৰজাত ডিউটি দিব লাগেনে? টোপনিয়েই গৈছিলো। এলাৰ্ম ক্লকটোও বেয়া হৈছে। ৱাইফক জগাই দিবলৈ কৈছিলো।" ৱাইফেও দুই বজাৰ দহ মিনিট পাছতহে সাৰ পালে।"

*(সৌৰভ কুমাৰ চলিহা ঃ গৰখীয়া)*

গ) নিয়মমতে দহ দিন আগেয়ে সিহঁতে নোটিচ দিব। ইতিমধ্যে হেড অফিচৰ পৰা দাবী আহিছে। 'ডেইলি পেইড' শ্ৰমিকৰ কেজুৰেলবোৰক আঁতৰাব লাগে, তাৰ পাছতহে আহিব 'ৰেগুলাৰ আৰু মেহত মানথলি' বৰ সাহসেৰে ইঞ্জিনীয়াৰ ইনচাৰ্জ এই নোটিজ পুট-আপ কৰিব লাগিব।"

*(মামণি ৰয়ছম গোস্বামী ঃ মামৰে ধৰা তৰোৱাল)*

অসমীয়া ভাষাত ইংৰাজী শব্দৰ অবাধ প্ৰয়োগ আৰু আমদানিয়ে গোটেই ভাষাটোকে সান-মিহলি ভাষা কৰি পেলাইছে।

অসমীয়া ভাষাৰ অগ্ৰগতিৰ পথত আটাইতকৈ ডাঙৰ হেঙাৰখন পুতি লৈছোঁ আমি নিজে নিজে। আমাৰ এচাম মানুহৰ মনত বিশেষকৈ নগৰকেইখনৰ মানুহৰ মনত নিজৰ ল'ৰা-ছোৱালীক হাফ মেম নাইবা হাফ চাহাব কৰাৰ অসুস্থ আকাংক্ষা এটাই বাহ লৈছেহি। ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাই দুটামান ভাটৌশ্লোক আওৰাব পৰা কৰিব পাৰিলেই যেন জীৱনৰ স্বপ্নবিলাসী কিবা এটা হোৱাৰ বাসনাই পাৰ হৈ যাব।

অসমীয়া ভাষাৰ প্ৰগতি আৰু ভৱিষ্যতৰ বিকাশত বাধা আদিৰ বিষয়ে এটি সুন্দৰ চিন্তা আগবঢ়াইছে শ্ৰীনিবাৰণ বৰাই। তলত তাৰ কিছু অংশ দিয়া হ'ল ঃ আজি অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ ভেটি সুদৃঢ়। স্কুল, কলেজ, বিশ্ববিদ্যালয় বাতৰি-কাকত, আলোচনী, বোলছবি, মূকাভিনয় নৱন্যাসৰ ৰূপত বিহু, গল্প সাহিত্য, উপন্যাস, কবিতা আদিৰে আমি পুষ্ট। কিন্তু তথাপিও যে কিছু আসোঁৱাহ বৈ যোৱা নাই এনে নহয়। কথিত ভাষা গঢ় দিয়ে জনসাধাৰণে। লিখিত ভাষা গঢ় দিয়ে পণ্ডিত-ওজাসকলে। 'অৰুনোদই' যুগৰপৰা অসমীয়া ভাষাই মোৰ সলালে, সগোত্ৰবিমুখ হ'ল। বড়ো, কাৰ্বি, মিছিঙেই নহয়, পৰ্বতৰ নগা আদি ৰাইজে অসমীয়া শিকি যিদৰে প্ৰকাশ কৰে, শুনিবলৈ যেন আমি কোৱাতকৈও শুৱলা। মিছিংজনে যেতিয়া সোধে 'গাভৰু আনিলেনে নাই?' বাক্যটো 'বিয়া কৰালেনেই নাই' বাক্যটোতকৈ অধিক ভাৱাৰ্থ-বাক্য, শুনিবলৈ শুৱলা ভাষা। তদৰূপ 'নাগামিজ' আৰু 'মেফামিজ''।

অসমীয়া ভাষাটোক আমি যেন কঠিনৰ পৰা কঠিন কৰি আনিছোঁ। 'স্বৰ্গীয়' লেখিছিলো, আজিকালি 'প্ৰয়াত' লেখোঁ। অসমীয়া ভাষা অকল নগৰমুখীয়েই হোৱা নাই, পশ্চিমীয়ামুখীও হৈছে, অথচ অসমৰ শতকৰা ৯০ জন বাস কৰে গ্ৰামাঞ্চলত আৰু অসমীয়া ভাষাৰ শতকৰা ৯৭ জনেই তত। অসমীয়া ভাষাত এক প্ৰকাৰৰ অনুশাসনহীনতাই বৃদ্ধি পাইছে যাৰ ফলত অসমীয়া ভাষালৈ যথেষ্ট পৰিমাণৰ পশ্চিমীয়া শব্দৰ আমদানি হৈছে। এয়া যেন সময়ৰ এক অপূৰ্ব আহ্বানহে।

সমাজৰ প্ৰত্যেক বস্তুৰে দুটা দিশ আছে। ভাল অথবা বেয়া। ভাল অৰ্থত কৰিব লগা কাম-কাজে সমাজ তথা দেশৰ উন্নতি আৰু সমৃদ্ধি আনিব পাৰে। বেয়া অৰ্থত সমাজ, ব্যক্তি, সংস্কৃতি, সমৃদ্ধি আটাইবোৰতে ধ্বংসৰ বীজ সিঁচি নিৰ্মাণ কৰে এখন পঙ্গু পৃথিৱীৰ ধ্বংসাত্মক প্ৰতিচ্ছবি।

****

হৃদয়ৰ বেদনাই হৈছে সঁচা ভালপোৱাৰ উৎপত্তিৰ মূল।

*-- মাদাৰ টেৰেছা*

বিদ্যাই মানুহৰ শ্ৰেষ্ঠ অলংকাৰ, ই মানুহৰ সুৰক্ষিত ধন।

*-- ভক্ত হৰি*

সংগ্ৰহ ঃ

*শ্ৰীমনিমালা শইকীয়া*

# লেজাৰ, অৰ্ধপৰিবাহী লেজাৰ আৰু কোৱাণ্টাম কূপ গাঁথনি

শ্ৰীমতী ৰীতামণি বৰা
*প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ*

১। পাতনি ঃ

লেজাৰ (Laser) শব্দটোৰ আখৰ কেইটাই বুজায় Light Amplification by Stimulated Emission of Radiation আইনষ্টাইনে ১৯১৭ চনতে দেখুৱাইছিল যে প্ৰণোদিত বিকিৰণ ধাৰণাটোৰ সহায়ত প্লাংকৰ কৃষ্ণকায় সূত্ৰটো নিৰ্ণয় কৰিব পাৰি। এইটো উল্লেখযোগ্য যে আইনষ্টাইনে প্ৰকৃততে লেজাৰৰ সমন্ধে একো জনা নাছিল আৰু ১৯৬০ চনতহে প্ৰথম লেজাৰৰ কৌশলটো আৱিষ্কৃত হৈছিল। যোৱা ঊনচল্লিছ বছৰৰ ভিতৰত এইটো ক্ষেত্ৰত অভূতপূৰ্ব ক্ৰমবিকাশ হৈছে। বিংশ শতিকাৰ আৱিষ্কাৰসমূহৰ ভিতৰত লেজাৰৰ আৱিষ্কাৰ নিঃসন্দেহে এটা অতি মহত্বপূৰ্ণ আৱিষ্কাৰ আৰু একবিংশ শতিকালৈ বৰ্তমানে শতিকাৰ মানুহৰ এটা অতি গুৰুত্বপূৰ্ণ অৱদান। এই নিবন্ধটোত লেজাৰৰ এটি চমু আভাস দিয়াৰ উপৰিও অৰ্ধপৰিবাহী লেজাৰ আৰু বিশেষকৈ বৰ্তমানে যোগাযোগ ব্যৱস্থাত বিপ্লৱ অনা কোৱাণ্টাম কূপ লেজাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

২। আইনষ্টাইনৰ সূত্ৰ আৰু লেজাৰ ঃ

আণৱিক বা পাৰমাণৱিক সজ্জাত বিকিৰণৰ নিৰ্গমণ আৰু অৱশোষণ কেনেকৈ হ'ব পাৰে তলৰ চিত্ৰটোত (চিত্ৰ নং ১) দেখুউৱা হৈছে। আইনষ্টাইনে কৃষ্ণকায় সূত্ৰটো এনে ধৰণে নিৰ্ণয় কৰিছিল, পাত্ৰ এটাত অসংখ্য ফ'টন তাপসাম্য অৱস্থাত আছে। ফ'টনৰ শক্তি পাব পাৰি $E_2-E_1=h\nu$-ৰ পৰা। তলৰ শক্তিস্তৰ $E_1$ ত $N_1$ সংখ্যাৰ পৰমাণু আৰু ওপৰৰ শক্তিস্তৰ $E_2$ ত $N_2$ সংখ্যাৰ পৰমাণু আছে। ফ'টনৰ ঘনত্বৰ মান হৈছে $1(\nu)$। আইনষ্টাইনে ধৰি ল'লে যে তাপসাম্যাৱস্থাত প্ৰণোদিত অৱশোষণৰ যোগেদি প্ৰতি ছেকেণ্ডত ওপৰলৈ যোৱা পৰমাণুৰ সংখ্যা, প্ৰণোদিত বিকিৰণ আৰু স্বতঃস্ফূৰ্ত বিকিৰণৰ যোগেদি প্ৰতি ছেকেণ্ড তললৈ অহা পৰমাণুসমূহৰ সমান হ'ব। এইটোকে মূল আধাৰৰূপে লৈ আৰু সমীকৰণ –

$$E_2-E_1= h\nu \text{ ......... (1)}$$




চিত্ৰ নং - ১
*আইনষ্টাইনে কৃষ্ণকায় বিকিৰণ সূত্ৰটো নিৰ্ণয় কৰিবলৈ ব্যৱহাৰ কৰা দুটা স্তৰৰ আৰ্হি*

আৰু বল্টজমেনৰ সমীকৰণ

$$N_2 = N_1\, l^{-h\nu/KT} \text{ ......... (2)}$$

২-ৰ সহায়ত আইষ্টাইনে দেখুৱালে যে

$$1(\nu) = \frac{A_{21}}{B_{12}\, l^{-h\nu/KT} - B_{21}} \text{ ...... (3)}$$

ইয়াত $A_{21}$ ক স্বতঃস্ফূৰ্ত নিৰ্গমণ সম্ভাৱনীয়তা, $B_{12}$ ক প্ৰণোদিত অৱশোষণ সম্ভাৱনীয়তা আৰু $B_{21}$ ক প্ৰণোদিত বিকিৰণ সম্ভাৱনীয়তা বোলে। সমীকৰণ (3)টো প্লাংকৰ কৃষ্ণকায় সূত্ৰৰ সৈতে একে হ'ব যদিহে –

$$A21/_{B12} = hv3/_{\mu}{}^{2}{}_{C}{}^{3} \text{ ......... (4)}$$

সমীকৰণ (3) আৰু (4) অতি আমোদজনক। কিয়নো ইয়াৰ পৰাই পিছলৈ লেজাৰৰ আৱিষ্কাৰ হয়। আমি কিবা কৌশলেৰে যিকোনো এবিধ গেছক এনেধৰণে সৃষ্টি কৰিব পাৰোঁ, য'ত ওপৰৰ উত্তেজিত স্তৰত পৰমাণুৰ সংখ্যা তলৰ স্তৰতকৈ বহুগুণে বেছি আৰু এই ক্ষেত্ৰত বল্টজমেনৰ সমীকৰণো প্ৰয়োগ নহয়। এনে অৱস্থাত $E_2 - E_1 = h\nu$ শক্তি পাৰ্থক্যৰ পোহৰ তীব্ৰভাৱে অৱশোষণ নহয় আৰু আনহাতে এই পোহৰ প্ৰণোদিত হৈ তললৈ আহি যাব। গতিকে ওপৰৰ স্তৰত যদি অসংখ্য পৰমাণু থাকে, তেনেহ'লে যি পোহৰ প্ৰণোদিত হ'ব সেই মুহূৰ্ততে আৰু অধিক বিকিৰণ হ'বলৈ ধৰিব। এনেকৈ শৃংখল বিক্ৰিয়াৰ দৰে চাল থাকিব। ওপৰৰ স্তৰত পৰমাণুৰ সংখ্যা অধিক

হোৱাকে সমষ্টি ওলোটন বোলে। লেজাৰ ক্ৰিয়াই দেখুওৱা এটা মহত্বপূৰ্ণ কথা (এইটো কিন্তু আইনষ্টাইন বা আইনষ্টাইনৰ পিছত যিসকল বিজ্ঞানীয়ে প্ৰণোদিত বিকিৰণ ধৰা পেলাবলৈ যত্ন কৰিছিল, আশা কৰিব পৰা নাছিল) হ'ল যে প্ৰণোদিত বিকিৰণ আৰু প্ৰণোদিত কৰা বিকিৰণৰ কলা একে। কলাৰ এই চুক্তিয়েই হৈছে সকলো লেজাৰ ৰশ্মিতে বৰ্তমান উচ্চ পাৱাৰ বা শক্তিৰ মূল কাৰণ।




চিত্ৰ নং - ২

*কলাসংবদ্ধ হৈ থকা দুটা তৰঙ্গৰ শক্তি তৰঙ্গ দুটাৰ গাইগুটীয়া শক্তিৰ যোগফলৰ দুগুণ।*

ধৰা হওক একে কম্পনাংক আৰু কলাৰ দুটা উৎসই পানীৰ ওপৰত (চিত্ৰ নং-২) তৰঙ্গৰ সৃষ্টি কৰিছে। P বিন্দুত দুটা তৰঙ্গই কলাসংবদ্ধ অৱস্থাত আহি মিলিত হৈছে আৰু পৰিণামী বিস্তাৰ হৈছে $A=A_1+A_2$। যি বিন্দুত কোনো কলাৰ পাৰ্থক্য থাকে তাত পৰণামী বিস্তাৰ ভেক্টৰ চিত্ৰেৰে দেখুওৱা হৈছে। যিহেতু $W=KA^2$ দুটা তৰঙ্গৰ শক্তি যোগফল বেলেগ বেলেগ ল'লে $W=KA_1{}^2+KA^2{}_2$ কলাসংবদ্ধ হৈ থকা দুটা তৰঙ্গৰ শক্তিৰ মান হব $W_1= K(A_1+A_2)^2$।

যদি $A_1=A_2=A$ হয় $W_0= 2KA^2$ আৰু $W_1= 4KA_0{}^2= 2W_0$। গতিকে কলাসংবদ্ধ হৈ থকা দুটা তৰঙ্গৰ শক্তি দুটা তৰঙ্গ বেলেগ বেলেগ ললে যিমান শক্তি হয় তাৰ দুগুণ।

লেজাৰ ৰশ্মিত একে কলাতে থকা অগণন সংখ্যাৰ N তৰঙ্গ থাকে। লেজাৰ ৰশ্মিৰ মুঠ শাক্তি হ'ব –

$W= K(NA_1) = NKNA^2$ গতিকে ৰশ্মিৰ মুঠ শক্তি গাইগুটীয়া শক্তিৰ N গুণ হ'ব।

**(৩) লেজাৰ দোলনৰ মূল চৰ্ত ঃ**

লেজাৰ দোলন বা লেজাৰ পাৱাৰ ক্ৰিয়াৰ মূল চৰ্ত হৈছে প্ৰণোদিত বিকিৰণৰ হোৱা পাৱাৰ বৃদ্ধি অনুনাদ কূপত হোৱা পাৱাৰ ক্ষতিৰ সমান বা তাতোকৈ বেছি। এইটো এটা মূল চৰ্ত আৰু ইয়াকে বিভিন্ন ভাষাৰ প্ৰকাশ কৰা হয়। ধৰা হওক R প্ৰতিফলণ ক্ষমতাৰ দুখন আইনাৰ মাজত এটা লেজাৰ সক্ৰিয় মাধ্যম আছে। $E_2$ আৰু $E_1$ দুটা শক্তি ধৰা হওক। সক্ৰিয় মাধ্যমটোৰ দীঘ D আৰু তথাকথিত পৰিবৰ্ধন ধ্ৰুৱক বা ঋণাত্মক অৱশোষণ ধ্ৰুৱক ν হ'লে দোলনৰ মূল চৰ্ত হ'ব –

$$\exp [|\alpha| D] \geq 1$$

যদি α অতি সৰু হয়

$$[1+ |\alpha| D] R \geq 1$$

$$|\alpha| D \geq 1 \ \frac{1-R}{R}$$

$$|\alpha| D \geq 1-R, \text{ যদি } R = 1$$

$$-\alpha D \geq 1-R$$

(α-ৰ মানটো নিৰ্ণয় কৰিব পাৰি)। তলৰ শক্তিস্তৰত পৰমাণুৰ মান $n_1=0$ ধৰি দেখুৱাব পাৰি যে প্ৰতি ছেকেণ্ডত ওপৰৰ স্তৰলৈ যোৱা পৰমাণুৰ মান $n_2$ হৈছে।

$$\frac{n_2}{T} = \frac{26{\cdot}8}{\varnothing} = \frac{4}{\nu} \ \frac{C(1-R)}{\lambda^3{}_0 D} \quad \text{.............} (5)$$

ইয়াত T = জীৱন কাল, ∅ = ক্ষয় পোৱা পৰমাণুসমূহৰ সংখ্যা, ν = কম্পনাংক, $\lambda_0$= তৰঙ্গদৈৰ্ঘ্য C = পোহৰৰ বেগ। ওপৰৰ সমীকৰণটোৰ পৰাই থূলমূলকৈ গম পাব পাৰি যে লেজাৰ ক্ৰিয়াৰ বাবে কেনে ধৰণৰ মাধ্যম আৰু অন্য পৰিস্থিতিৰ প্ৰয়োজন। সকলো লেজাৰ ক্ৰিয়াত তিনিবিধ মূল আৰ্হিৰ ব্যৱহাৰ হয়। চিত্ৰ নং-৩ এই আৰ্হি দেখুওৱা হৈছে। লেজাৰ প্ৰক্ৰিয়াৰ বাবে হয় তিনিটা স্তৰ বা চাৰিটা শক্তিস্তৰৰ শক্তিস্তৰৰ আৰ্হি ব্যৱহাৰ কৰিবই লাগিব। প্ৰতিটো আৰ্হিৰে কিছুমান সুবিধা আৰু কিছুমান অসুবিধা আছে। প্ৰতিটো স্তৰৰ লেজাৰ ব্যৱহাৰিকভাৱে সম্ভৱ নহয়।




চিত্ৰ নং - ৩

*তিনিবিধ ঘাই লেজাৰ আৰ্হি*

**৪। বিভিন্ন ধৰণৰ লেজাৰ ঃ**

অতি বেঙুনীয়াৰ পৰা অৱলোহিত তৰঙ্গদৈৰ্ঘ্যলৈকে বৰ্তমান বহুতো ধৰণৰ লেজাৰ কৌশল আছে। কিন্তু গোটা পদাৰ্থ, গেছীয় পদাৰ্থ আৰু অন্য লেজাৰ কৌশলত ঘাইকৈ তিনিবিধ বেলেগ বেলেগ শক্তিস্তৰৰ ব্যৱহাৰ কৰা হ'ব। চিত্ৰ নং-৪-ত এই বিধ শক্তিস্তৰ দেখুওৱা হৈছে। প্ৰথমবিধ শক্তিস্তৰ হৈছে পৰমাণু বা অণুৰ পৰা সৃষ্টি হোৱা পদাৰ্থবিজ্ঞানত সংক্ৰমণৰ লগত জড়িত। লেজাৰ পদাৰ্থ বিজ্ঞানৰ সাধাৰণতে যিবোৰ ইলেকট্ৰন ব্যৱহাৰ হয়। সেইবোৰক 'ভেলেন্স' ইলেক্ট্ৰন বোলে। এই ইলেক্ট্ৰবোৰৰ শক্তি 1 ইলেক্ট্ৰন ভল্ট বা তাতোকৈ অধিক হ'ব পাৰে। এনেধৰণৰ লেজাৰ কম্পনাংক অৱলোহিতৰ পৰা সুদূৰ অতিবেঙুনীয়ালৈকে থাকিব পাৰে। সুদূৰ অতি বেঙুনীয়া

আৰু x-ray সীমাত লেজাৰ ক্রিয়া পোৱাটো কষ্টকৰ। দ্বিতীয়বিধ লেজাৰ কৌশলত অণুত পৰমাণুসমূহৰ কম্পন ব্যৱহাৰ কৰা হয়। অণুসমূহে বিভিন্ন ধৰণে কম্পন কৰিব পাৰে। এই কম্পনাংকসমূহৰ মুঠ মান হৈছে 3N-6। ইয়াৰ N হৈছে অণুত থকা পৰমাণুসমূহৰ সংখ্যা।

তৃতীয়বিধ লেজাৰ কৌশলত অণুৰ ঘূৰ্ণীয়মান শক্তিস্তৰসমূহৰ ব্যৱহাৰ হয়। ইয়াৰ শক্তি 0.1ev-ৰ পৰা 0.00 1ev ভিতৰত পৰে।




চিত্ৰ নং — ৪

*অৰ্ধপৰিবাহী লেজাৰৰ এটা আৰ্দশ পৰিস্থিতি*

**৫। অৰ্ধপৰিবাহী লেজাৰ আৰু কোৱাণ্টাম কূপ গাঁথনি ঃ**

অৰ্ধপৰিবাহী লেজাৰ এবিধ অতি প্ৰয়োজনীয় লেজাৰ কৌশল। বিশেষকৈ যোগাযোগ ব্যৱস্থাত ইয়াৰ গুৰুত্বত ইমানেই বেছি বৰ্তমান লেজাৰ গৱেষণাত এই বিষয় বিকশিত আৰু বিকাশশীল দুয়োবিধ দেশেই যথেষ্ট মনোযোগ দিছে। অৰ্ধপৰিবাহী লেজাৰ অন্য ধৰণৰ লেজাৰ কৌশলতকৈ বহুতো দিশত বেলেগ হ'লেও কিছুমান মূল ধাৰণা একে। সমষ্টি ওলোটন অৰ্ধপৰিবাহী লেজাৰতো হয়। কিন্তু ইয়াৰ অণু-পৰমাণুৰ সলনি ইলেক্‌ট্ৰন আৰু ছিদ্ৰৰ ধাৰণাটো আহে। বাৰ্নাড আৰু ডুৰাফোৰ্গে ১৯৬২ চনত প্ৰথমে অৰ্ধপৰিবাহী পদাৰ্থত পৰিবাহী আৰু 'ভেলেন্স' পটি বা বেন্দৰ মাজত বা এটা পৰিবাহী আৰু অপদ্ৰব্য স্তৰৰ মাজত প্ৰণোদিত বিকিৰণৰ সম্ভাৱনীয়তাৰ সম্বন্ধে বহুলভাৱে পৰীক্ষা কৰি চাইছিল।

**মূল ধাৰণা ঃ** অৰ্ধপৰিবাহী লেজাৰৰ বাবে কেবাবিধো গাঁথনি বিবেচনা কৰা হৈছে। আটাইতকৈ সহজ আৰু লেজাৰ ক্ৰিয়াৰ বাবে আৰ্দশ পৰিস্থিতি চিত্ৰ নং-৫-ত দেখুওৱা হৈছে। পাৰমাণৱিক স্তৰসমূহৰ দৰে অৰ্ধপৰিবাহী পদাৰ্থৰ শক্তিস্তৰসমূহ ঠেক নহয়। এই শক্তিস্তৰসমূহৰ যথেষ্ট বহল আৰু পৰিবৰ্জিত শক্তিশূন্য স্থানৰ দ্বাৰা পৃথক কৰি ৰখা হয়। সমষ্টি ওলোটনৰ ধাৰণাটো এই ক্ষেত্ৰত বৰ স্পষ্ট নহয়, কিয়নো এই শক্তিসমূহৰ পৰিবাহিতা আৰু 'ভেলেন্স' পটি দুয়োটাতে বিয়পি থাকে। হঠাৎ এটা বৈদ্যুতিক বা আলোকীয় স্পন্দন যদি দিয়া হ'য়, তেনে অৱস্থাত যথাক্ৰমে পৰিবাহিতা আৰু 'ভেলেন্স' পটিত ইলেক্‌ট্ৰন আৰু ছিদ্ৰ যোৰা হিচাপে সৃষ্টি হয়। প্ৰতিটো পটিত এই যোৰাবোৰ অলপ সময়ৰ বাবে সাম্য অৱস্থাৰে আহে। এই সময়টো ইহঁতৰ পুনৰ সংযোজন সময়তকৈ কম হোৱা বাবে ইলেক্‌ট্ৰনৰ অপজাত সমষ্টিৰ শূন্য ভেলেন্স-পটিৰ তুলনাত ওলোটা হৈ পৰে। যদি P ইলেক্‌ট্ৰনৰ ভৰবেগ হয় আৰু AP=0 হয়, তেনে অৱস্থাত ফ'টন নিৰ্গমণৰ বৰ্ণালীয় বিতৰণ এনে শক্তি পৰিসীমাৰে ভিতৰত হয়। অৰ্থাৎ

$Eg < hv < F_c$ আৰু $f_v$




চিত্ৰ নং — ৫

*অৰ্ধপৰিবাহী লেজাৰৰ এটা আদৰ্শ পৰিস্থিতি*

**$F_v$-ক ছিদ্ৰৰ আৰু $F_c$-ক ইলেকট্ৰনৰ ক্ষণস্থায়ী ফাৰ্মি-স্তৰ বোলা হয়। P-n সংযোগ এটাক এফালে যদি অন্যফালতকৈ গধুৰভাৱে 'ড'প' কৰা হয়, তেনে অৱস্থাত অতি কম পৰিমাণৰ অশুদ্ধি লৈয়ো এফালে ইলেক্‌ট্ৰন বা ছিদ্ৰ কৰিব পৰা যায়।** যিকোনো ক্ষেত্ৰতে অতিৰিক্ত ইলেক্‌ট্ৰন আৰু ছিদ্ৰই n আৰু P বিধৰ পদাৰ্থত শূন্যস্থানৰ উৎপন্ন কৰে (চিত্ৰ নং-৬) n আৰু P বিধৰ অপৰিবাহী লেজাৰ। n বিধৰ অৰ্ধপৰিবাহী পদাৰ্থত অধিক ছিদ্ৰই পৰিবাহী




চিত্ৰ নং — ৬

পটিৰ তলত ইলেক্‌ট্ৰনৰ ওলোটনৰ সম্ভৱ কৰি তোলে আৰু hv ফ'টনৰ পোহৰ নিৰ্গত হয়। P বিধৰ অৰ্ধপৰিবাহী পদাৰ্থত পৰিবাহী পটিৰ অধিক ইলেক্‌ট্ৰনে ইহঁতক যোজ্যতা পটিৰ ওপৰত ওলোটন কৰাত সহায় কৰে। প্ৰকৃত P-n সংযোগ এটাত দুয়োটোফাল অতি বেছিকৈ অপজাত হৈ থাকে আৰু

সেয়েহে এইটো বিশ্বাস কৰা হৈছে যে সংযোগ স্থানখিনিৰ পৰাই লেজাৰৰ নিৰ্গমণ হৈছে।

P-n সংযোগ লেজাৰ এটাৰ মূল গঠনটো চিত্ৰ নং ৭-ত দেখুওৱা হৈছে। সংযোগটোৰ লম্বভাৱে এযোৰ সমান্তৰাল তল আইনাৰ দৰে মিহি কৰি মূল অনুনাদ কূপটোৰ সৃষ্টি কৰা হৈছে। সংযোগটো n আৰু P-ৰ মাজত সমান্তৰালভাৱে ৰখা হয়। দায়ডৰ বাকী দুটা ফাল অতি খহটা কৰি ৰখা হয় যাতে সেই দিশত লেজাৰ ক্ৰিয়া হ'ব নোৱাৰে। সংযোগটোৰ মাজেদি উপযুক্ত পৰিমাণে বিদ্যুৎ প্ৰৱাহ যাবলৈ দিয়া হয়। আৰম্ভণিতে বিদ্যুৎ-প্ৰৱাহ কম হ'লে সকলো দিশতে কেৱল স্বতঃস্ফূৰ্ত বিকিৰণহে দেখা দিয়ে। 'বায়চ' ভল্ট বৃদ্ধি কৰাৰ লগে লগে এটা প্ৰাৰম্ভিক ক্ষণত প্ৰণোদিত বিকিৰণে দেখা দিয়ে আৰু একবৰ্ণীয় আৰু একদিশীয়ে ৰশ্মি সংযোগটোৰ পৰা ওলাবলৈ ধৰে। ১৯৬২ চনত হ'ল আৰু তেওঁৰ সহকৰ্মীসকলে প্ৰথমে নিৰ্মাণ কৰা দায়ড লেজাৰ কৌশলটো আয়তনত দীঘে কেৱল ০.৪ মিলিমিটাৰহে আছিল। Gasi-ৰ ক্ষেত্ৰত লেজাৰ নিৰ্গমণ 8460 A° তৰঙ্গদৈৰ্ঘ্যৰ ওচৰে-পাঁজৰে আছিল। একে গঠনৰ P-n সংযোগ অৰ্ধপৰিবাহী লেজাৰৰ এটা অসুবিধা হৈছে উষ্ণতা বৃদ্ধিৰ লগে লগে প্ৰাৰম্ভিক বিদ্যুৎ প্ৰৱাহৰ ঘনত্ব বৃদ্ধি হৈ থাকে আৰু সাধাৰণ কোঠালি উষ্ণতাত বিদুৎ প্ৰৱাহৰ ঘনত্ব Jr-ৰ মান প্ৰতি বৰ্গচেণ্টিমিটাৰত প্ৰায় $50 \times 10^4$ $A^0$ (1) এনেধৰণৰ একে গঠনৰ P-n সংযোগ লেজাৰ চলাবলৈ সাংঘাতিক অসুবিধা হয় বাবে বহু গঠনযুক্ত P-n সংযোগ লেজাৰৰ নিৰ্মাণ কৰা হৈছে। বহু গঠনযুক্ত লেজাৰৰ ক্ষেত্ৰত বিদ্যুৎ-প্ৰৱাহৰ ঘনত্ব বহু পৰিমাণে কমি যায়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত বিশেষকৈ যোগাযোগ ব্যৱস্থাত এনেধৰণৰ অৰ্ধপৰিবাহী লেজাৰৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে।




চিত্ৰ নং — ৭

*এটা ব্যৱহাৰিক অপৰিবাহী লেজাৰ।*

**কোৱাণ্টাম কূপ গাঁথনি ঃ**

বৰ্তমানে অৰ্ধপৰিবাহী লেজাৰ পদাৰ্থবিজ্ঞানত এটা অতি বৈপ্লৱিক আৱিষ্কাৰ হৈছে কোৱাণ্টাম কূপ গাঁথনি। বিশ্বৰ বহুতো ঠাইতে বিজ্ঞানীসকলে অতি পাতল (L= 40 পৰা $100^{A0}$-ৰ মাজত) অৰ্ধপৰিবাহী পদাৰ্থৰ প্ৰলেপ দূৰত্বটো ইমানেই কম যে ইয়াক তথাকথিত ডি. ব্ৰগলীৰ তৰঙ্গদৈৰ্ঘ্যৰ সৈতে তুলনা কৰিব পাৰি আৰু এই স্থূল জগতত থাকিয়েই কোৱাণ্টাম গাঁথনি প্ৰক্ৰিয়া দেখা পাব পাৰি। এনেধৰণৰ অতি পাতল অৰ্ধপৰিবাহী পদাৰ্থৰ লেপন এটাৰ ওপৰত আনটো দি নতুন নতুন অৰ্ধপৰিবাহী পদাৰ্থৰ সৃষ্টি কৰি গৈ থাকিব পাৰি। এই সময়ত এইটো স্পষ্ট নহয় যে কেতিয়া এই বিপ্লৱৰ অন্ত পৰিব। ই কেৱল গৱেষক কল্পনাৰ ওপৰতহে নিৰ্ভৰ কৰিব। অৰ্ধপৰিবাহী লেজাৰতত্ত্বত মূলতে এইটো ধৰি লোৱা হয় যে আয়তনটো ডি. ব্ৰগলীৰ তৰঙ্গ-দৈৰ্ঘ্যৰ তুলনাত বহুতো ডাঙৰ। কিন্তু যেতিয়া কোৱাণ্টাম গাঁথনি প্ৰক্ৰিয়াৰ কথা আহে এই ধাৰণাটো নেখাটে। অৰ্ধপৰিবাহী আৰু কোৱাণ্টাম কূপ গাঁথনি কেৱল ইলেক্ট্ৰন অণুবীক্ষণ যন্ত্ৰৰ সহায়ত দেখা পাব পাৰি।

****

উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহ'লে ছাত্ৰ জীৱন বিশুদ্ধ আৰু মহৎ হ'ব নোৱাৰে।

*– কৃষ্ণকান্ত সন্দিকৈ*

প্ৰেৰণা হৈছে এজনে ভালপোৱা সঠিক বিষয় এটা বিচাৰি পোৱা মুহূৰ্তটো, যিটোৱে লিখা কৰ্মটো অনায়াস আৰু সহজ কৰি তোলে।

*– গেব্ৰিয়েল গাৰ্থিয়া মাৰ্কুৱেজ*

সংগ্ৰহ ঃ

*শ্ৰীমণিমালা শইকীয়া*

# মৌখিক লোক-সাহিত্য

তুলিকা টাইদ
*স্নাতক, দ্বিতীয় বৰ্ষ (কলা)*

সাহিত্য কি আমি একেযাৰ কথাৰে বা বাক্যৰে ক'ব নোৱাৰোঁ। সাহিত্য বুলিলে সাধাৰণতে কবিতা, গল্প, প্ৰবন্ধ আৰু গ্ৰন্থৰ কথাই আমাৰ মনলৈ আহে। খ্ৰীষ্টীয় দশম শতিকাৰ আগতে অসমীয়া ভাষা বুলি এটা স্বতন্ত্ৰ ভাষা নাছিল। ভাষা সৃষ্টি নোহোৱাকৈ সাহিত্য ক'ব পৰা হ'ব। লিখিত সাহিত্য উদ্ভৱ হোৱাৰ বহুকালৰ আগৰে পৰা জনসাধাৰণৰ মাজত এক সাহিত্য চলি আহিছিল। সিয়ে হ'ল লোক-সাহিত্য। ভাষাই যেতিয়া বিভিন্ন ভাব, অনুভূতি আৰু উচ্চাৰণ কৰিব পৰা বিভিন্ন ধ্বনি বুজিবলৈ সাংকেতিক চিহ্ন ব্যৱহাৰ কৰিব পৰা হ'ল আৰু লিখা পদ্ধতি প্ৰৱৰ্তন কৰিব পৰা হয়, তেতিয়াৰ পৰাহে সাহিত্যৰ প্ৰকৃত বুৰঞ্জী সৃষ্টি হয় বুলি ক'ব পাৰি। কিন্তু ভাষাই লিখিত সাহিত্য উদ্ভৱ হোৱাৰ আগতে যে কোনো সাহিত্যৰ উদ্ভৱ হোৱা নাছিল, তেনে নহয়। উদাহৰণস্বৰূপে, কিছুমান জাতি আমি লক্ষ্য কৰিলে দেখিবলৈ পাম যে তেওঁলোকৰ নিজস্ব লিখিত সাহিত্য নাই; কিন্তু মুখে মুখে প্ৰচলিত হৈ আহিছে গীত-মাত আৰু সাধুকথা। সেইদৰে সকলো জাতিৰে লিখিত সাহিত্যৰ ৰূপ পোৱাৰ আগতে মৌলিক, গীত-মাত সাধুকথাৰ কিছুমান প্ৰমাণ পোৱা যায়। ঠিক সেইদৰে অসমীয়া ভাষাতো লোকগীত, সাধুকথা, প্ৰবচন হোৱা দেখিবলৈ পোৱা যায়। আমি লক্ষ্য কৰিলে দেখিবলৈ পাম যে নিৰক্ষৰ জনসাধাৰণৰ মাজত প্ৰচলিত গীত-মাত আৰু সাধুকথাৰ। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো আনকি এতিয়াও নিৰক্ষৰ জনসমাজত প্ৰচলন হোৱা ৰীতি-নীতি, গীত-পদ ৰচনা কৰি মৌলিকভাৱেই প্ৰচলন হোৱাৰ ৰীতি চলি আছে। এনেধৰণে পুৰুষানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ অহা লোকগীতসমূহ বিভিন্ন যুগৰ পৰিৱেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই নতুন গঢ় লয়, সংজ্ঞা নতুন হয়। তাৰ উপৰিও ৰচকৰ কোনো পৰিচয় নোপোৱাত এই মৌখিক সাহিত্যৰ উদ্ভৱ হোৱা কাল সঠিককৈ নিৰ্ণয় কৰা টান। অৱশ্যে যিবোৰ গীত ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰৰ ৰচনা সময় ঠাৱৰ কৰিবলৈ কঠিন হয়।

সপ্তদশ শতিকাত অসমীয়া ভাষাই প্ৰাকৃত অপভ্ৰংশ স্তৰ অতিক্ৰম কৰি স্বতন্ত্ৰ ৰূপ পৰিগ্ৰহ কৰা নাছিল। কিন্তু অসমীয়া ভাষা যে এটা জনভাষা! এই ভাষাটোৰ পৰাই ওফৰি যোৱা দুই-এটা শব্দ দ্বাদশ শতাব্দীৰ পূৰ্বৰ তাম্ৰ শাসনবোৰত পাওঁ। গতিকে অসমীয়া জনভাষাত গীত-মাত ৰচিত হোৱা আৰু সেই গীত-মাতৰ কিছু অংশই ৰূপ সলাই পৰৱৰ্তী যুগত অসমীয়া ৰূপে পৰিচিত হোৱা একো অস্বাভাৱিক নহয়। সকলো ভাষাত লিখিত আৰু পৰিমাৰ্জিত সাহিত্য সৃষ্টি হোৱাৰ আগতে জনসমাজে মৌখিক গীত-নৃত্যৰ মাজেদিয়েই সামূহিক আশা-নিৰাশা, প্ৰেম-প্ৰীতি, আনন্দ-উৎসৱত ভাব ফুটাই তুলিছিল। অসমীয়া ভাষা-ভাষী লোকসকলেও লিখিত তথা পৰিমাৰ্জিত সাহিত্য সৃষ্টি কৰাৰ আগতে মৌখিক সাহিত্যৰ যোগেদি জীৱনৰ নানান অভিব্যক্তি প্ৰকাশ কৰিছিল।

অসমীয়া লোক-সাহিত্যৰ ভিতৰত প্ৰধানকৈ এইকেইবিধ পৰে ঃ (১) লোকগীত, (২) ফকৰা-যোজনা আৰু প্ৰবচন, (৩) সাধুকথা।

১। লোকগীত ঃ

পুৰণিকালৰ পৰা মানৱৰ ব্যক্তিগত আৰু সামূহিক ভাব, অনুভূতি প্ৰকাশ কৰিবৰ আৰু সাহিত্যিক সৌন্দৰ্যৰ ফালৰ পৰা লোকগীত সকলো ভাষাৰে অমূল্য সম্পদ। এই গীতসমূহৰ পৰা লোকগীতসমূহৰ লগত গাঁৱলীয়া মানুহে জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা; বিবিধ ধৰ্মৰ কাৰ্য, আচাৰ, অনুষ্ঠান আদিৰ নিবিড় সম্বন্ধ আছে। গীতবোৰক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি। যেনে --(ক) অনুষ্ঠানমূলক, (খ) আখ্যানমূলক আৰু (গ) বিবিধ বিষয়ক।

(ক) অনুষ্ঠানমূলক ঃ যিবিলাক লোকগীত বিভিন্ন উৎসৱত বা সমাজত গোৱা হয় বা বিভিন্ন অনুষ্ঠান বা পূজা আদিত গোৱা হয় সেইবিলাকেই অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত পৰে। যেনে -- বিহুগীত, আইনাম, বিয়ানাম আদি।

(i) বিহুগীত ঃ অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত বিহুগীত, আইনাম, বিয়ানাম, সুবচনীৰ গীত, অপেশ্বৰী গীত, লখিমী সবাহৰ গীত, ম'হ খেদা গীত আৰু পূজা-পাতলৰ গীত উল্লেখযোগ্য। বিহুগীতৰ ভিতৰত হুচৰি গীত, বনগীত,

এই দুয়োটাই অন্তৰ্ভুক্ত। ব'হাগ বিহুত গাঁৱৰ ৰাইজে ঢোল-তাল লৈ প্ৰত্যেকৰে ঘৰত হুচৰি গায়। ডেকা-গাভৰুৰ মন আনন্দত মতলীয়া হয়। উদং পথাৰৰ বুকুত ডেকা-গাভৰুৱে যৌৱনৰ নাচে নাচে সৃষ্টি অংকুৰ সিঁচে। এই কাৰণে বিহুগীতবোৰৰ প্ৰধান সুৰ প্ৰায় যৌৱনৰ উদ্দাম, বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহৰ উত্তাপ; প্ৰেমৰ আকুতি কমুৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক বিহুগীতত প্ৰকাশ কৰা হয়। প্ৰকৃতিৰ বুকুত লালিত-পালিত হোৱা, প্ৰকৃতিৰ বুকুৰ পৰাই জীৱন ৰস আহৰণ কৰা চহা ডেকাৰ প্ৰণয়সুলভ দৃষ্টিত প্ৰকৃতিদেৱী মানৱীয় কাৰ্য বা ঘটনাৰ কেৱল পটভূমি নহয়। প্ৰকৃতি অতি আপোন আৰু মৰমী বিহুগীতত পৌৰুষৰ চিত্ৰ। জীৱন যুদ্ধত ক্ষত-বিক্ষত হোৱা হৃদয়ৰ চিত্ৰ নাই; প্ৰেম-প্ৰীতি হা-হুমুনিয়াহ কোমল চিত্ৰ দেখিবলৈ পোৱা যায়। যেনে —

কৃষ্ণাইৰ মুৰত বকুল ফুল এপাহি
নিয়ৰ পাই মৰহি যায় — গোবিন্দাই ৰাম।
সৰু সূতাৰ চেলংখনি
বই দিয়া সৰু ভনী
বিহু মাৰিবলৈ যাওঁ — গোবিন্দাই ৰাম।

আকৌ বিহুগীতৰ যোজনা এফাকি —

অতিকৈ চেনেহৰ মুগাৰে মহুৱা
তাতোকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকোঁ।

কিছুমান বিহুগীতত ডেকা-গাভৰুৱে মনৰ ভাব প্ৰকাশ কৰা দেখা যায় আৰু কিছুমান সামাজিক জীৱনৰ চিত্ৰ, অসমৰ প্ৰকৃতিৰ শোভা অসমীয়া সমাজৰ ধৰ্ম বিশ্বাসৰ আভাস পোৱা যায়। যেনে —

দিখৌ, দিচাং সোৱণশিৰী আছে যেনে বৈ
নীৰৱতা হৈ থাকিব চেনাই মোৰো মৰম
যুগমীয়া হৈ।

আকৌ,

দিখৌ পাৰৰ সৰু গাঁৱত মোৰে পঁজা ঘৰ
অতি মৰমৰ আছে মাথোঁ আইজনী মোৰ
আপোন বুলিবৰ।

এনেদৰে চহা গাঁৱলীয়া সমাজত বিহুগীতৰ মাজেদি প্ৰণয়ৰ ভাব আদান-প্ৰদান কৰা দেখা যায়।

**(ii)** আইনাম ঃ আইনাম, সুবচনীৰ গীত, অপেশ্বৰী গীত, লখিমী সবাহৰ গীত গোসাঁনী পূজাৰ গীত। এইবোৰ একে শাৰীতে পৰে। এই গীতবোৰ নাৰী সমাজতহে প্ৰচলন হোৱা দেখা যায়। বৰ্তমানকালত বিজ্ঞানে বহুতো স্থান অধিকাৰ কৰিছে যদিও অতীতৰ পৰা প্ৰচলিত হৈ অহা গীতবোৰ এৰি দিব পৰা নাই। বসন্ত ওলালে বা আই দেখা দিলে দেৱী বুলি বিশ্বাস কৰে। সাতগৰাকী আই বা দেৱীৰ বাই-ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে আইনাম গোৱা হয়। লক্ষ্মী পূজাৰ দিনা নাইবা পথাৰত গোজ লোৱাৰ দিনা বা ঘৰলৈ অৰ্থাৎ প্ৰথমদিনা ধান কাটি আনি ভঁৰালত চাকি-বন্তি জ্বলাই লখিমী সবাহৰ নাম গোৱা হয়। আইসকল এগছি চাকি জ্বলাই আৰু উপাচাৰৰূপে যিকোনো বস্তু আগবঢ়াই সন্তুষ্ট কৰিব খোজে আৰু পুৱা-গধূলি নাম পূজাৰে পূজিবলৈ ভাগৱতীৰ ওচৰত প্ৰাৰ্থনা কৰা হয়।

যেই বস্তু দিওঁ মাতৃ সেই বস্তু চুব
আপোনাৰ নামে মাতৃ আপুনি সন্তোষ হোৱা।

আইসকলে এইদৰে গোসাঁনী বা আইনাম গোৱা দেখা যায়। দেশৰ মঙ্গলৰ কাৰণে দুৰ্গা পূজাৰ দেৱী নাম গোৱা হয়।

**(iii)** বিয়ানাম ঃ অসমীয়া বিবাহ-অনুষ্ঠানতহে বিয়া নাম গোৱা হয়। এই বিয়ানাম অসমীয়া লোকসকলৰ সাহিত্যৰ এক অমূল্য সম্পদ। দৰা আহোঁতে বা কইনাক গা ধুৱাবলৈ পানী তোলোঁতে, কইনাক গা ধুৱাওঁতে, কইনা হোমৰ গুৰিত বহোঁতে আৰু উলিয়াই দিওঁতে আইসকলে বিধে বিধে বিয়ানাম গায়। দাম্পত্য জীৱনৰ আদৰ্শ, বৰ-কন্যাৰ ৰূপ-যৌৱনৰ, উলিয়াই দিবলৈ ধৰা কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য নাৰী জীৱনৰ আশা-আকাংক্ষা আৰু ঘৰুৱা চিত্ৰৰ সুন্দৰভাৱে এই গীতবোৰত প্ৰকাশ পায়। আকৌ বিয়ানাম দৰা বা কইনাঘৰীয়াক ঠাট্টা-মস্কৰা কৰি আনন্দ উপভোগ কৰি গীত গোৱা হয়। এই গীতবোৰক যোৰা নাম বুলি কোৱা হয়। যেনে —

তালপাতৰ বিচনী
দৰা ঘৰৰ মানুহকেইটাৰ বৰকৈ ফুটনি।

আকৌ দৰা ঘৰৰ লোকে কইনাঘৰীয়াক এনেদৰে ঠাট্টা-মস্কৰা কৰে —

আইদেৱে চাউল চালে চালনী নুঘূৰে
বোপায়ে তামোল কাটে সৰু
সৰুটো ভায়েকে ধৰম বিয়া দিলে
লগতে নিদিলে গৰু।

(খ) আখ্যানমূলক গীত ঃ এই শ্ৰেণীৰ গীতৰ মাজেদি একোটা আখ্যান বৰ্ণনা কৰা হয়। ইয়াক কাহিনী গীত বা মালিতাও বোলা হয়। এনে গীতত বীৰত্ব ব্যঞ্জক দু-সাহসী

আৰু সঁচা ঘটনাও বৰ্ণিত হয়। মালিতা তিনিটা ভাগত ভাগ কৰা হয়। (ক) বুৰঞ্জীমূলক (খ) কিম্বদন্তী বা জনশ্ৰুতিমূলক (গ) কাল্পনিক।

বুৰঞ্জীমূলক গীতৰ ভিতৰত বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, নাহৰৰ গীত, জয়মতী কুঁৱৰীৰ গীত, চিকণ সাহিত্যৰ গীত, গৌৰীনাথ সিংহৰ গীত, বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ ভিতৰত বোধকৰোঁ নাহৰৰ গীতটোৱেই অতি প্ৰাচীন কাৰণ নাহৰ ডেকা খোৱা ৰজাৰ কুঁৱৰী এগৰাকীৰ তোলনীয়া ল'ৰা আছিল। মণিৰাম দেৱানৰ গীতটোৱেই অতি প্ৰাচীন।

**আন অনুষ্ঠানমূলক গীত ঃ** ভেকুলীৰ বিয়াৰ গীত, ম'হ খেদা গীত, উপনয়ন চূড়াকৰণ আদি শাস্ত্ৰীয় অনুষ্ঠানত গোৱা গীত, গোৱালপাৰাৰ কতিপূজাৰ গীত, বাঁহপূজাৰ গীত, মনসা পূজাৰ গীত, অ'ৰি বা এউৰি মগা গীত, আদি বিবিধ গীত আন আন অনুষ্ঠানমূলক গীত আছে।

**(২) বিবিধ বিষয়ক গীত ঃ**

বিবিধ বিষয়ৰ গীতত পৰে নিচুকনি গীত, নাওখেলাৰ গীত, বৰশি বোৱা গীত, নাঙলৰ গীত, চাহ পুৰাণৰ গীত, হাউখেলৰ গীত, গৰখীয়া গীত আদি ল'ব পাৰি। নিচুকনি গীত হ'ল ল'ৰা-ছোৱালী ওমলোৱা আৰু নিচুকুওৱা গীত। মিঠা সুমধুৰ কোমল মাতেৰে এই গীত গোৱা হয়। এই গীতক ধাইনাম বুলিও কোৱা হয়। এই গীতৰ যোগেদি শিশুৰ মনক এনে এখন 'সকলো পাইছোঁ'ৰ দেশলৈ লৈ যোৱা হয় য'ত কালৰ দৌৰাত্ম্য নাই দূৰত্ব ব্যৱধান নাই, আৰু যি বিচাৰে তাকে পায়।

**সাধুকথা ঃ** সাধুকথাৰ কোনো নিৰ্দিষ্ট ৰূপ নাথাকে। ভাল একোটা সহজ নীতিশিক্ষা থাকে। সেই সাধুকথা সাধাৰণতে বাস্তৱধৰ্মী নহয়, ই অলৌকিকতাৰ মাত্ৰা কেতিয়াবা কম, কেতিয়াবা বেছি থাকে। সাধুকথাত কল্পনাৰ মাত্ৰা অনেক থাকে। কিন্তু মানুহক সৰল বিশ্বাস আৰু অনুভূতিৰ প্ৰকাশ পোৱা যায়। মানুহৰ লগত মানুহৰ সম্পৰ্কলৈ কিছুমান সাধুত এটা বিষাদ সুৰ বাজি উঠে। যেনে — তেজীমলা, চম্পাৱতী আদি। বুঢ়া-বুঢ়ী, বামুণ আৰু লিটিকাই, ৰজা বিক্ৰমাদিত্য আৰু কুকুৰীকণা জোঁৱাইৰ ঘৰ পতা, ককা টোটেন তামুলী আদি চৰিত্ৰবোৰ সাধুকথাত দেখিবলৈ পোৱা যায়।

**৩। ফকৰা যোজনা, সাঁথৰ, প্ৰবচন ঃ**

লোকগীতৰ দৰে ফকৰা যোজনা অসমীয়া লোক সাহিত্যৰ এক অমূল্য সম্পদ। এইবোৰ বিভিন্নকালৰ বিভিন্ন বিষয়ৰ আৰু অভিজ্ঞতা সম্পন্ন। এইবোৰৰ লগত অসমীয়া লোকৰ নিবিড় সম্বন্ধ আছে। এই ফকৰা যোজনাৰ লগত তুলনা কৰিবৰ বাবে ৰিজনী দিয়া হয়। যেনে —

আঁঠুৰা চাই ঠেং মেলিবা।

যি মূলা বাঢ়ে তাৰ দুপাততে চিন, আদি।

সাঁথৰবোৰ হৈছে যিকোনো কথা বা বস্তুৰ প্ৰকৃত নাম সহজে ক'ব নোৱৰাকৈ দিয়া আওপকীয়াকৈ বৰ্ণনা কৰা সাঁথৰত বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায়।

**সহায় লোৱা গ্ৰন্থ ঃ**

*১। অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ।*
*২। অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা।*

****

## জানানে

ৰুবী দে

মাকে ক'লে, "হেৰ' আইজনী পৰীক্ষা পালেহিয়েই এগাল-এগাল খাই-শুই থাকিলেই হ'বনে? আজিৰ পৰা অলপ কমকৈ খাবি।" কিয় বেছিকৈ খালে সোনকালে টোপনি আহিব নেকি?

— হয়, টোপনি আহে। কিয় এনে হয় বাৰু জানেনে?

আচলতে বেছিকৈ খালে পোষণ কামৰ বাবে মগজুৰ বেছিভাগ তেজ পাকস্থলীলৈ গতি কৰে। ফলত মগজু সক্ৰিয় কৰি ৰাখিবলৈ প্ৰয়োজনীয় তেজৰ পৰিমাণ কমি যায় আৰু মগজু ক্ৰমান্বয়ে কিছু পৰিমাণে নিষ্ক্ৰিয় হৈ পৰে। সেয়ে সোনকালে টোপনি ধৰে।

# অব্যক্ত বেদনা

শ্ৰীদিপ্তী শইকীয়া
স্নাতক, দ্বিতীয় বৰ্ষ

দুই-এটা অশ্লীল শব্দৰ লগতে অশালীন বাক্যবাণ। কেইটামান সম্ভৱ ক্লাছ নাইন-টেনমানৰ ল'ৰাই ৰাতুলৰ পাণ-দোকানৰ সন্মুখৰ পৰা তাইৰ উদ্দেশ্যে নিক্ষেপ কৰা শব্দকেইটা শুনি ডেইজীৰ ভাব হ'ল তাই যেন ভৰিত পিন্ধা চেণ্ডেলযোৰকে সিহঁতৰ গালে দলিয়াই দিব। উত্তেজনাত তাইৰ সমগ্ৰ শৰীৰ কঁপি উঠিল। পিছে কুকুৰৰ সন্মুখত ভুকা মানে নিজেই অপমানিত হোৱা। গতিকে বাহিৰত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি তাই খৰকৈ খোজ পেলালে। ৰুবী, ললিতাহঁত চাগৈ কেতিয়াবাই গ'ল। কেইদিনমান প্ৰায়ে তাইৰ ক্লাছ মিছ হৈছে। তাৰবাবে বিনয়ে তাইক কালি গালিও পাৰিছে। কিন্তু বিনয়ে যে নেজানে ডেইজীৰ মৰহি যাবলৈ ধৰা জীৱনটোৰ কথা।

বিনয় সম্বন্ধত ডেইজীৰ মোমায়েকৰ ল'ৰা। বয়সত বিনয় ডেইজীতকৈ ডাঙৰ যদিও দুয়োটা বন্ধুৰ দৰেই। তাতে পঢ়েও একেলগে। আজি বিনয়ে তাইক নিশ্চয়কৈ গালি পাৰিব। কালি সি ক্লাছ মিছ নকৰিবৰ বাবে দঢ়াই দঢ়াই কৈ পঠাইছিল। কথাবোৰ ভাবি ভাবি তাই কেতিয়া কলেজ পালেহি গমেই নাপালে। "ডেইজী, পলম হ'ল দেখোন।" প্ৰশান্তৰ কথাত তাই 'এনেয়ে' বুলি কৈ খৰকৈ খোজ দিলে। কোনে বাৰু জানে তাইযে আজি শেষদিনাৰ বাবে কলেজত ভৰি দিছে। নাছিমা বাইদেউ ক্লাছ ৰুমৰপৰা ওলাই অহা দেখি তাই ক্লাছৰ সন্মুখত থকা গছজোপাৰ তলত ৰৈ দিলে। ৰুবীহঁতে হাঁহি হাঁহি ৰুমৰপৰা ওলাই আহিল। সিহঁতৰ এতিয়া অফ্ পিৰিয়ড। গতিকে ৰুবীহঁতৰ লগতে তাই কমন ৰুমৰ ফালে আগবাঢ়িল। এনেতে অলপ দূৰত অসীমক দেখি ৰুবীহঁতে 'ডেইজী, তোমাৰ দোষ্ট আহিল' বুলি কৈ খৰকৈ খোজ দি হাঁহি হাঁহি আঁতৰি গ'ল।

অসীম ডেইজীৰ খুব ভাল বন্ধু। তাতে অসীম খুব ভদ্ৰ, স্মাৰ্ট আৰু অত্যন্ত স্পষ্টবাদী। বিনয়ৰ লগতো অসীমৰ খুব ভাল টাৰ্মছ। কলেজৰ সকলোৱে জানে ডেইজী আৰু অসীমৰ বন্ধুত্বৰ কথা। সিহঁতৰ বন্ধুত্বত কোনো কৃত্ৰিমতা নাই। কিন্তু, কিছুমানে অৱশ্যে সিহঁতৰ বন্ধুত্বক সহজভাৱে ল'ব নোৱাৰে। সেয়া স্বাভাৱিক। কিন্তু ডেইজী আৰু অসীমৰ তাৰ প্ৰতি কোনো কাণসাৰ নাই কাৰণে সিহঁতে জানে পৰৰ সমালোচনা অমানুহৰ ধৰ্ম।

"ডেইজী, আজি ক্লাছ মিছ কৰিলা যে কিয়?" অসীমৰ প্ৰশ্নৰ উত্তৰ ডেইজীয়ে কি বুলি দিব ভাবি নাপালে। মাত্ৰ ক'লে, "ঘৰৰপৰা আহোঁতেই পলম হৈ গ'ল।"

"বাৰু এতিয়া তোমাৰ ক্লাছ নাই নহয়, ব'লা লাইব্ৰেৰি ৰুমলৈ যাওঁ। মোৰ কিতাপ এখনো ঘূৰাবৰ আছে।" 'ব'লা' বুলি কৈ ডেইজী অসীমৰ লগে লগে আগবাঢ়িল। অসীমে লক্ষ্য কৰিলে ডেইজীৰ মুখত কিবা এক গভীৰ চিন্তাৰ ছাপ স্পষ্ট। হঠাৎ অসীমে সুধিয়েই পেলালে, "ডেইজী, তোমাৰ কি হৈছে?"

"নাই, একো হোৱা নাই।"

"নহয় ডেইজী, তোমাৰ নিশ্চয় কিবা এটা হৈছে। আজি অলপ দিনৰপৰা তুমি অনবৰতে কিবা এটা চিন্তা কৰি থাকা। প্লিজ ডেইজী, তুমি যদি মোক প্ৰকৃত বন্ধু বুলি ভাবা, কোৱা, তোমাৰ কি হৈছে? প্লিজ ডেইজী কোৱানা।" প্ৰকৃত বন্ধুত্বৰ দাবী। ডেইজীয়েও অসীমৰ বন্ধুত্বসুলভ দাবীক আওকাণ কৰিব নোৱাৰিলে।

"অসীম, সংসাৰত আমাৰ দৰে মানুহবোৰৰ জীয়াই থকাৰ কোনো অৰ্থই নাই। জীৱনৰ প্ৰতিটো মুহূৰ্ততে কিবা নহয় কিবা অটা ঘটিয়েই থাকে দেখোন। তুমিতো জানাই মাৰ মৃত্যুৰ আজি তিনি বছৰেই হোৱা নাই। ভাইটিয়ে এইবাৰ মেট্ৰিক পাছ কৰিছে মাত্ৰ। দেউতাই লোকৰ আধি মাটিত খেতি কৰিও আমাক কোনোদিনেই দুখ অনুভৱ কৰিবলৈ দিয়া নাই। কিন্তু ..........।" অসীম আৰু ডেইজীয়ে কথা পাতি আহি থাকোঁতেই কেতিয়া যে লাইব্ৰেৰি পালেহি গমেই নাপালে।

"কিন্তু কি, ডেইজী?" অসীমে লাইব্ৰেৰিৰ বেঞ্চখনত বহি লৈ পুনৰ আৰম্ভ কৰিলে।

এটি দীঘল হুমুনিয়াহ কাঢ়ি তাই পুনৰ ক'বলৈ ধৰিলে, "তোমাক তো কৈছিলোৱেই দেউতাৰ অসুখ হৈছিল বুলি। সিদিনা ডাক্তৰৰ ওচৰত নিছিলো। ডাক্তৰে দেউতাৰ কেন্সাৰ হোৱা বুলি সন্দেহ কৰিছে। হয়তো দেউতাৰ প্ৰকৃততেই

কেন্সাৰ হৈছে। মই একো ভাবিবই পৰা নাই। ভাইটিয়ে নিজৰ ভৰিত থিয় দিব পৰা হোৱা হ'লেও! দেউতা হয়তো চিকিৎসা অবিহনে এবছৰো নাথাকিব। মই উপায়বিহীন হৈ পৰিছোঁ।" ডেইজীৰ চকুত দুটোপাল অশ্রু বিৰিঙি উঠিল। অসীমে ডেইজীক কি বুলি সান্ত্বনা দিব ভাবিবই নোৱাৰিলে। "মই কাইলৈৰপৰা আৰু কলেজ নাহোঁ অসীম। হয়তো জীৱনত আৰু কোনোদিনেই কলেজত ভৰি দিবলৈ আহিব নোৱাৰিম।" অসীমে এইবাৰ ডেইজীক বাধা দি কৈ উঠিল। ডেইজী, তুমি ইমান ছিৰিয়াছ হৈছা কিয়? দেউতাৰ কেন্সাৰ নহ'বও পাৰে। তুমি হয়তো বেছি ভয় খাইছা ধৈর্য ধৰা ডেইজী বিপদত ধৈর্য ধৰাহে জ্ঞানীৰ লক্ষণ।" অসীমৰ সান্ত্বনাসুলভ কথাকেইটা শুনি ডেইজীৰ মুখত এটা শোকৰ হাঁহি বিয়পি উঠিল। হঠাৎ ঘণ্টাৰ শব্দ শুনি দুয়ো লাইব্ৰেৰি ৰুমৰপৰা ওলাই ক্লাছ ৰুমলৈ বুলি খোজ দিলে। ক্লাছৰুমৰ সন্মুখ পাই ডেইজী পুনৰ থমকি ৰ'ল, "অসীম মই তোমাক মোৰ জীৱনৰ চূড়ান্ত সিদ্ধান্তটোকেই জনোৱা নাই।"

"চূড়ান্ত সিদ্ধান্ত মানে?" অসীমৰ এইবাৰ অবাক হোৱাৰ পাল। "অঁ, মোৰ বিয়াৰ সিদ্ধান্ত, মই মহাজনৰ অন্ধ পুত্ৰ প্ৰদীপক বিয়া কৰাম। অঁ, ভাইটিৰ ভৱিষ্যৎ আৰু দেউতাৰ চিকিৎসাৰ কথা ভাবিয়েই মই মহাজনৰ চৰ্তটো মানি লৈছোঁ।" অসীমে একো ভাবিব নোৱাৰিলে ডেইজীৰ সিদ্ধান্তৰ ওপৰত মাত মতাৰ অধিকাৰ তাৰ নাই। সেয়া ডেইজীয়ে বন্ধুত্বৰ প্ৰথম পদক্ষেপতে অসীমক কৈ থৈছিল, "অসীম তোমাৰ মোৰ মাজৰ সম্পৰ্ক মাথোঁ বন্ধুত্বহে, মনত ৰাখিবা। তাতকৈ বেছি আগনাবাঢ়িবা। তোমাক মই প্ৰথমেই সতৰ্ক কৰি দিছোঁ পিছত মোক দোষাৰোপ নকৰিবা।" কিন্তু মনেতো কোনো চৰ্ত নেমানে। অসীমৰ মনেও ডেইজীৰ চৰ্তক আওকাণ কৰি ডেইজীৰ প্ৰেমত আবদ্ধ হৈ পৰিছিল। এই সম্বেদ ডেইজীয়েও পোৱা নাছিল। অসীমে অৱশ্যে এই সম্বেদ ডেইজীক দিয়াৰ কল্পনাও কৰা নাই। কিন্তু ডেইজীৰ জীৱনলৈ আজি যিজাক ধুমুহাৰ আগমন হৈছে সি অসীমৰ অন্তৰত এক প্ৰবল বানপানীৰ সৃষ্টি কৰিছে। কিন্তু সিতো ডেইজীক আজি ক'ব নোৱাৰে, 'মই তোমাক ভাল পাও' বুলি আৰু ডেইজীয়ে ভালপোৱাৰ বিনিময়ত আজি তাৰপৰা যি বিচাৰিব তাকতো সি দিব নোৱাৰে। কাৰণ আৰ্থিকভাৱে সিয়ে একেবাৰে দুৰ্বল। নাই, সি ডেইজীক ধৰি নাৰাখে আৰু সি ৰাখিব বিচাৰিলেও ডেইজীয়ে আজি তাৰ কোনো কথাৰেই কৰ্ণপাত নকৰে তাক সি ভালদৰেই জানে।

"অসীম মই আৰু ক্লাছ নকৰোঁ, যাওঁ। জীৱনত আকৌ কেতিয়াবা লগ পালে তোমাক মোৰ মনৰ কথা ক'ম।"

অসীমে মাথোঁ একেথৰে চাই ৰ'ল ডেইজী যোৱাৰ ফালে।

বৈ গ'ল এজাক ধুমুহা
হৃদয়খনৰ মাজেৰে
শেষ কৰি গ'ল
কোনেও নেদেখাকৈ।

কোনেও নেদেখাকৈ অসীমে বৈ অহা দুধাৰি চকুলো মোহাৰি ল'লে। তাৰ আৰু ক্লাছ কৰাৰ ধৈৰ্য নাথাকিল। ডেইজীৰ পিছে পিছে সিও ঘৰ অভিমুখে গতি কৰিলে।

****

## জানানে

ৰুবী দে

চোলাটো খোলাৰ লগে লগে সোঁ বাহুত টল-টলকৈ জিলিকি থকা তিলকেইটা দেখি বুঢ়ীগৰাকীয়ে কৈ উঠিল, "ল'ৰাটো বৰ লক্ষী ল'ৰা।" আমাৰ সকলোৰে বিশ্বাস যে, যি ল'ৰাৰ সোঁবাহুত আৰু যি ছোৱালীৰ বাওঁবাহুত তিল আছে তেওঁলোক বৰ লক্ষী মানুহ। তেনেহ'লে তিল নথকা মানুহবিলাক একেবাৰে বেয়া মানুহ নেকি বাৰু?

— নহয়; বিজ্ঞাননো ইয়াৰ উত্তৰ কেনেদৰে দিছে চাওঁ আহকচোন। বিজ্ঞানে কয়, মেলানিন নামৰ ছালত থকা এবিধ ক'লা কাৰ্ক জাতীয় বস্তু জমা হৈহে এই তিলবোৰৰ সৃষ্টি কৰে। টাইৰোছিন (Tyrosin) নামৰ দ্ৰব্যৰ পৰা উৎপন্ন হোৱা এই মেলানিন ৰং স্বাভাৱিক অৱস্থাত মানুহৰ চকুৰ মণিৰ ক'লা অংশত, চুলিত আৰু ছালৰ কিছু অংশত থাকে। কেতিয়াবা এই বস্তুবোৰ ছালৰ কোনো অংশত থাকে। কেতিয়াবা এই বস্তুবোৰ ছালৰ কোনো অংশত বেছি পৰিমাণে জমা হ'বলৈ ধৰে; যৰ ফলত এই অংশত একোটা তিলৰ উদ্ভৱ হয়। মেলানিনৰ ৰং ক'লা বাবেই তিলবোৰ দেখিবলৈ ক'লা।

# ডায়েৰিয়া

ৰ'জি ৰাণী শৰ্মা
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*
*(কলা শাখা)*

কাৰোবাৰ হাঁহি-খিকিন্দালি আৰু কোলাহলৰ শব্দ শুনি উপমাই পঢ়াৰ পৰা মূৰ তুলি বাহিৰলৈ চাই পঠিয়ালে। জুম পাতি পাতি মানুহ সিহঁতৰ ঘৰৰ আগৰ বাটেদিয়েই পাৰ হৈ গৈছে। ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী কোনোৱেই প্ৰায় বাদ পৰা নাই।

উপমাই বুজি পালে, মানুহবোৰ ক'লৈ গৈছে। এইবাৰ বানে সংহাৰ ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ নদী ফেনে-ফোটোকাৰে বাঢ়িছে। সিহঁতৰ ঘৰত সোমোৱা নাই যদিও সিহঁতৰ ঘৰৰ পৰা কিছু দূৰৈত পানীয়ে সকলো গ্ৰাস কৰি নিছে আৰু মানুহবোৰ তাকেই চাবলৈ গৈছে।

"উপমা, ব'ল, পানী চাবলৈ সকলো গৈছে, আমিও গৈ আহোঁগৈ।" তাইৰ লগৰে চুমি, কাবেৰী, ঝৰ্ণা, বিৰিণা, টুটু, গৰীয়সীহঁতে জোৰকৈ ধৰাত তায়ো যাবলৈ ওলাল। সিহঁত আটাইকেইজনীয়ে পিন্ধিছিল নতুন কাপোৰ। তায়ো ভাল কাপোৰ এযোৰ উলিয়াই পিন্ধি ল'লে।

"ঐ টুটু চা, বাটেদি কেনেকৈ পানী বাগৰিছে। মই খেলোগৈ দেই" বুলি বিৰিণাই দৌৰ মাৰিলেই।

"অঁ ভাই, ময়ো যাওঁ" বুলি লৰ মাৰি গৈ টুটুৱেও পানীত খেলিবলৈ ধৰিলে।

"ব'ল না উপমা তয়ো।" কাবেৰীয়ে তাইক যথেষ্ট অনুৰোধ কৰিলে। কাবেৰীৰ এবাৰ নোৱৰা অনুৰোধৰ পৰা হাত সাৰিবলৈ উপমাই এনেয়ে ক'লে, "চৰ্দি লাগি আছে মোৰ। মায়ে পানীত নামিবলৈ হাক দিছে। তহঁত যা। বেয়া নাপাবি দেই।"

ইহঁত পানী চাবলৈ নহয়, ধেমালি কৰিবলৈহে আহিছে। মানুহৰ ইমান দুৰৱস্থা দেখিও ইহঁতে হাঁহিব পাৰিছে .....

"মা, মা, দেউতা কেতিয়া আহিব? মোৰ যে বৰ ভোক লাগিছে।" সৰু ল'ৰা এটাৰ কথাই উপমাৰ ভাবত যতি পেলাই তাইৰ মনোযোগ সেইফালে টানি নিলে। বাটৰ যিখিনি অংশত পানী নাই, তাতে বস্তা, টিনপাত আদি দি মানুহে ঘৰ সাজি বাহৰ পাতিছে। কাষতে বান্ধিছে পোহনীয়া গৰু, ছাগলী.......।

"আহিব সোণ, আহিব, তুমি এতিয়া এই মাছটোকে খাই শুই থাকাগৈ যোৱা।"

"মা, ভাত হ'লে মোক জগাই দিবা দেই।" বুলি মাকে পুৰি দিয়া মাছটো বৰ তৃপ্তিৰে খাই মাত্ৰ এটা ফটা মলিয়ন পেন্ট পিন্ধি ল'ৰাটো ধান খেৰৰ ওপৰত কাপোৰ এখন পাৰি শুই পৰিল।

বিধে বিধে ব্যঞ্জন তৈয়াৰ কৰি মুখৰ আগত দিয়া সত্বেও মাকৰ ওচৰত অভিমান কৰি ভাত নোখোৱা উপমাই নিজৰ কাপোৰসাজলৈ চালে। পুৰণা বুলি ভাবি প্ৰায়েই নিপিন্ধা কাপোৰ সাজেই বহুত নতুন আৰু দামী যেন লাগিল তাইৰ। তাই অনুভৱ কৰিলে যেন কাপোৰসাজে তাইক বিদ্ৰূপহে কৰিছে।

এনেতে ল'ৰাটোৰ দেউতাক ভাগৰে-জুগৰে সোমাই আহিল। মানুহজন প্ৰায় লেবেজান। "নাপালো বুজিছা; আজিও নাপালো ৰিলিফৰ চাউল। কি যে হ'ব।

... অ' সোণটো শুলে নেকি? পোণাকণ আহিলনে? সি মাছ আনিব নহয়। আজি আৰু মাছকে পুৰি খাওঁ দিয়া। কাইলৈ পাম নেকি চাউল।"

"মা, আজি ইমানেই মাছ। ঢেৰ পাইছিলো জান। এই অৰবিন্দহঁতৰ পথাৰত বৰশী বাইছিলো। সিহঁতৰ ঘৰৰ বুঢ়ীজনীয়ে দেখিলে আৰু চোঁচা মাৰি আটাইবোৰ মাছ লৈ গুচি গ'ল। সিহঁতৰ পথাৰখনত ধান ৰোৱাৰ পাছত হেনো পানীয়ে বুৰাইছে। সেইবাবেই বৰশী বালে হেনো চব খেতি নষ্ট হৈ যাব। বুঢ়ীৰ নাতিকেইটাই ভুৰত উঠি লগি মাৰিলে খেতি বেয়া হৈ নাযায় আৰু মই বৰশী বাওঁতে সিহঁতৰ আটাইবোৰ ধান যেন মৰিহে যাব। ......."

"উপমা, যাওঁ ব'ল।" কাবেৰীৰ হাতত পোণাকণ-সোণটোৰ জগতৰ পৰা তাই পুনৰ নিজৰ জগতলৈ ঘূৰি আহিল।

"অঁ, ব'ল।" কোনোমতে মুখৰপৰা কথাকেইটা বাহিৰ ওলাল। তাই ঘৰলৈ বুলি খোজ দিলে।

"ঐ চা-চা, সেই ল'ৰাটোৱে কেচুটো কেনেকৈ গচকি দিছে। ছিঃ ছিঃ ঘিণো নালাগে পায়।" গৰিমাই কোৱাৰ লগে

লগে আটাইকেইজনীয়ে গির্জনী মাৰি হাঁহি দিলে। হাঁহিমুখৰ পৰিৱেশতো প্ৰায় অন্যমনস্ক ভাব এটাৰে উপমা ঘৰ সোমাল।

"ইহঁত চৰকে ধান খেৰ লাগে। কিমান দিম। গৰুবোৰৰ কাৰণেওতো সাঁচি থ'ব লাগিব। মই নিদিও বুলিতো ক'ব নোৱাৰোঁ, সেয়েহে এওঁকে পঠিয়াইছোঁ গালি পাবিবলৈ। অকণমান চল দিলেই ইহঁত ডিঙিলৈকে উঠিব খোজে।" দেউতাকে বীৰদৰ্পে কাৰোবাৰ আগত কথাকেইটা কৈ আছিল।

ৰাতি ভাত খাবলৈকো মন নগ'ল উপমাৰ। বিছনাখনত শুই শুই তাই আৰাম কৰিবলৈ চেষ্টা কৰিলে। কিন্তু সোণটোৰ দৰে সুখ-নিদ্ৰাত তাই ডুব যাব নোৱাৰিলে।

পাছদিনা দেখে, সিহঁতৰ ঘৰতো আশ্ৰয় বিচাৰি দুটা পৰিয়াল উপস্থিত হৈছেহি। সিহঁতে প্ৰথমতে ওচৰৰে স্কুলখনত আশ্ৰয় লৈছিল হেনো। কিন্তু লাহে লাহে তাতো পানী সোমাবলৈ ধৰাত সিহঁতৰ ঘৰত আশ্ৰয় বিচাৰি আহিছে।

উপমাৰ মাকেতো প্ৰথমতে দিবই খোজা নাছিল। কিন্তু বহু কাকুতিৰ অন্তত সিহঁত থাকিল। উপমাৰ ভাল লাগিল। সিহঁতক প্ৰয়োজন হোৱা খৰি, খেৰ আদি উপমাই যতনাই দিলে। সিহঁতৰ সৰু ল'ৰাটোৰ লগত ধেমালি কৰি তাই বৰ আমোদ পালে। কিন্তু মাকৰ গালি শুনি উপমাই তাইৰ কামৰ মাজত কিছু সচেতনতা অৱলম্বন কৰিব লগা হ'ল। মাকৰ শেন চকুত ধূলি মাৰি তাই দিব খুজিও সিহঁতক বহু কিবাকিবি দিব নোৱাৰিলে।

দুদিনমান সেইদৰেই পাৰ হ'ল। সিহঁতৰ ঘৰত থকা পৰিয়ালটোৰে ৰিলিফৰ চাউল পোৱা নাই। চাউল থাকিলে তেল, হালধি নিদিয়াকৈ কেৱল নিমখ দি সিজোৱা মাছৰ লগতে সিহঁতে মহা তৃপ্তিৰে ভাত খায়।

উপমাহঁতৰ ঘৰতো ৰিলিফৰ চাউল দিয়া হ'ল। কিন্তু নিজে খোৱাৰ পৰিৱৰ্তে সেয়া দিয়া হ'ল গৰুক।

পিছদিনা পুৱাতে উপমাই দেখিলে তাই খেলি ভালপোৱা ল'ৰাটোৰ যাওঁ যাওঁ কৈয়ো ওলাব নোৱৰা প্ৰাণটোৰ জীৰ্ণ-শীৰ্ণ শৰীৰ। হয়তো তাৰ ডায়েৰীয়া হৈছে। মহা আৰামেৰে এপেট খাই সিহঁতৰ পোহনীয়া কুকুৰটোৱে তেতিয়াও টোপনিত লালকাল দি আছিল।

"তোমালোকে যে বানপানী চাবলৈ গৈছা, দুৰ্দশাগ্ৰস্ত মানুহবোৰক কিবা বনাই খাবলৈ দিয়ানে নাই?" উদ্ধাৰকাৰ্য কৰিবলৈ অহা সেনা বাহিনীৰ জোৱান এজনে তেনেদৰে কোৱাত তাইৰ মাকে, "এই আৰ্মিবোৰ বৰ বদমাছ অ', ব'ল ব'ল। ইয়াৰ পৰা ব'ল" বুলি কোৱা কথাটো তেতিয়া তাইৰ কাণত বাজি উঠিল।

****

## জানানে

**ৰুবী দে**

ধনগুলৈ বা ধনজুই শব্দটো নিশ্চয় সকলোৰে পৰিচিত। আমি যেতিয়া সৰুতে ককা-আইতাৰ কাষত বহি জুই পুঁৱাই থাকো তেতিয়া তেওঁলোকে কেতিয়াবা ধনগুলৈৰ সাধুবিলাক কয়। সিহঁতে কেনেকৈ ধন ৰাখি থাকে আৰু সেই ধন আনিবলৈ গ'লে মানুহক কেনেকৈ আঁকুৰি মাৰে। কথাবিলাক শুনি ভয়ত পেঁপুৱা লাগো। বাঃ কিযে ভয়ানক ভূত! কিন্তু এয়া বিজ্ঞানৰ যুগ। ককা-আইতাৰ সাধু শুনিলেইতো নহ'ব। আহকচোন, ধনগুলৈৰ সত্যতা বিচাৰি চাওঁ।

আচলতে ধনগুলৈ বা ধনজুই কেইবিধমান গেছৰ সংমিশ্ৰণত জ্বলি উঠা জুইহে। মৰিশালী, পিতনি বা জলাহ আদিত কেতিয়াবা ৰাতি এই ৰহস্যময় জুইৰ সিখা দেখা যায়। মৰিশালী, পিতনি আদিত প্ৰাণীৰ দেহ পচন ঘটি ফছফিন আৰু ফছফৰাছ ডাই হাইড্ৰাইড নামৰ দুবিধ গেছ উৎপন্ন হয়। এই গেছ সহজদাহ্য। আনকি বায়ুৰ সংস্পৰ্শত ফছফিন নিজে নিজে জ্বলি উঠে। পিতনিসমূহত আকৌ উদ্ভিদ পদাৰ্থ পচনৰ ফলত প্ৰচুৰ মিথেন গেছ উৎপন্ন হয়। পিতনিৰ ভেৰত ভৰি দিলে সি বুৰবুৰণি দেখা যায় সেইয়ে মিথেন গছ। মিথেনে বায়ুৰ লগত বিস্ফোৰক মিশ্ৰ তৈয়াৰ কৰে। জ্বলন্ত ফছফিন মিথেনৰ সংযোগলৈ আহিলে জুইকুৰা বেছিকৈ জ্বলে। লগতে বতাহৰ গতিৰ কাৰণে এই জ্বলন্ত গেছ ইফাল-সিফাল কৰি থকাৰ ফলত নাচি থকা যেন লাগে। উৎপন্ন হোৱা এই গেছ পুৰি শেষ হৈ গ'লে ধনগুলৈ নুমাই যায়। এই জুই একেবাৰে উত্তাপহীন হোৱাৰ বাবে কোনো বস্তুকে নোপোৰে।

# প্ৰেমৰ অন্য নাম

শ্ৰীৰুবুল সন্দিকৈ
স্নাতক, তৃতীয় বৰ্ষ
*(কলা শাখা)*

কলেজলৈ ৰাজীৱ চাইকেলখন লৈ ওলাই গ'ল। সি এটা সৰু চেণ্টাৰত উপস্থিত হ'ল। তাতে সি চাইকেল থৈ সদায়ে বাছত কলেজলৈ অহা-যোৱা কৰে। সেইদিনাও তেনেদৰে চেণ্টাৰত উপস্থিত হওঁতে বিদিত আহি তাৰ ওচৰ পালেহি। বিদিত ৰাজীৱৰ অন্তৰংগ বন্ধু। সি বৰ আগ্ৰহেৰে আগবাঢ়ি গৈ ৰাজীৱক ক'লে —

ঃ ৰাজীৱ, তোমাৰ লগত এটা কথা আছে, আহাচোন সোনকালে, সেই জিৰণি চ'ৰাটোলৈকে যাওঁ।

ৰাজীৱ তাৰ কথামতেই চাইকেলখন থৈ জিৰণি চ'ৰাত বহিলগৈ। বিদিতে তাৰ চোলাৰ জেপৰপৰা এখন চিঠি উলিয়াই ৰাজীৱক পঢ়িব দিলে, ৰাজীৱে চিঠিখন পঢ়িলে। চিঠিখন এজনী ছোৱালীৰ, সম্ভৱ বিদিতৰ প্ৰেমিকাৰ। তাই মনৰ আৱেগ বিদিতৰ আগত প্ৰকাশ কৰিছে আৰু সোমবাৰৰ দিনা অৰ্থাৎ ১৬ নৱেম্বৰৰ দিনা নাগ শংকৰৰ মন্দিৰলৈ বিদিতক মাতিছে। বিদিতে ৰাজীৱক নাগশংকৰ মন্দিৰলৈ মাতিছে। চিঠিখন পঢ়ি ৰাজীৱৰ বুকুৰ মাজে মাজে কিছুমান শিহৰণ জাগ্ৰত হ'ব ধৰিলে। তাৰ বুকুখন জ্বলা-পোৰা কৰিব ধৰিলে অসীম যন্ত্ৰণাত। তাৰ মনটোৱে এনেদৰে ছাটি-ফুটি কৰিব ধৰিলে যে চিঠিখন পঢ়াৰ মাজতেই তাৰ মন ক'ৰবাত হেৰাই গ'ল। ৰাজীৱক অতীতে বৰকৈ আমনি কৰিব ধৰিলে। সিও এদিন কাৰোবাক হিয়া উজাৰি ভাল পাইছিল। তাইৰ বাহিৰে জগতত কাকো ভাল পোৱা নাছিল সি, প্ৰেমত তাৰ কোনো কৃত্ৰিমতা নাছিল। চিঠিৰ মাজৰ বহুতো আৱেগমিশ্ৰিত ভাষাও পঢ়িছিল সি। কিন্তু নিয়তিৰ যে কি নিষ্ঠুৰ পৰিহাস! ৰাজীৱে তাৰ প্ৰেমত ফলৱতী হ'ব নোৱাৰিলে। এতিয়া তাৰ প্ৰেয়সী কাৰোবাৰ দুবাহুৰ মাজত আবদ্ধ, কাৰোবাৰ ধৰম পত্নী। সি ভাবিব নোৱাৰিলে। তাৰ মূৰটো গৰম হৈ যাব ধৰিলে, বুকুখনে বহুতো কষ্ট পাইছে। তৎক্ষণাৎ ৰাজীৱে এটা চিগাৰেট জ্বলাই ল'লে। চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ মাজতেই দুখবোৰ দূৰ কৰিবৰ মন গ'ল তাৰ। লাহে লাহে সি চিগাৰেটটো শেষ কৰি যাব ধৰিলে।

ৰাজীৱ কলেজৰ পৰা ঘূৰি আহিলগৈ। তাৰ মনটো আনদিনাৰ দৰে মুঠেই ভাল নালাগিল। কিবা এটাই যেন তাৰ মনটো বৰকৈ খেলি-মেলি লগাই গ'ল। সি ভাতকেইটা খাই ক্লান্ত পথিকৰ দৰে তাৰ ৰুমৰ বিছনাখনতে দীঘল দিলেগৈ, লগতে এটা চিগাৰেট জ্বলাই ল'লে। আজিকালি ৰাজীৱে সকলো বেয়াবস্তু সেৱন কৰিবলৈ লৈছে, ৰাজীৱক সাংঘাতিক ধৰণে বদলি হোৱা পৰিলক্ষিত হৈছে। যিটো ল'ৰাই এদিন তামোল এখনো নাখাইছিল, আজি তাৰ বাবে নিচাজাতীয় বস্তুবোৰ প্ৰিয় হৈ পৰিছে। মদ আৰু চিগাৰেটৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দৰে হৈ পৰিছে। সি চিগাৰেটটো দীঘল দীঘলকৈ হোঁপা মাৰি তাৰ অতীত জীৱনলৈ ঢাপলি মেলিলে। প্ৰায় তিনি বছৰৰ আগৰপৰা ঘটি অহা ঘটনাসমূহ তাৰ মনত পৰিব ধৰিলে।

অনিতা, তাইৰ নাম, ক্লাছ এইটত ভৰি দিছিল। সিও তেতিয়া হায়াৰ ছেকেণ্ডাৰীৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। নিৰিবিলি সন্ধ্যাপৰত, চকামকা সময়ত ফুৰিবলৈ ৰাজীৱ ওলাই গৈছিল। ৰাজীৱৰ কিবা এটা ভাল লাগি গ'ল। সি ক'ব নোৱাৰাকৈ মনতে কিবাকিবি ভাবি পেলালে। তাৰ ছোৱালীজনীক লগ কৰিবলৈ মন গ'ল। হঠাৎ তাৰ সিমানখিনি সাহসে নুকুলালে। এনেদৰে সি আগ-পিছ ভাবি থাকোঁতেই দেখা-নেদেখা আন্ধাৰৰ বুকুত হেৰাই গ'ল সেই ছোৱালীজনী।

ইতিমধ্যে ৰাজীৱৰ চিগাৰেটটো শেষ হৈছিল। শেষ হোৱা চিগাৰেটৰ টুকুৰাটো পেলাই আন এটা জ্বলাবলৈ ধৰোঁতেই দুৱাৰত টোকৰ পৰিল। ৰাজীৱে কোন বুলি সুধিলে,

ঃ মই, মই আদিত্য, তই দুৱাৰখন খোলচোন। কিহৰ কাৰণেনো দিন দুপৰতে দুৱাৰ মাৰি সোমাই আছ?

ৰাজীৱে দুৱাৰখন খুলি দিলে। আদিত্য ৰুমটোলৈ সোমাই আহিল। ৰাজীৱে এটা মধুৰ হাঁহি মাৰি আদিত্যক স্বাগতম জনালে আৰু দুৱাৰখন পুনৰ বন্ধ কৰি দিলে। আদিত্যক বহিবৰ কাৰণে চেয়াৰখন আগবঢ়াই দিলে আৰু হাতত লৈ থকা চিগাৰেটটো জ্বলাই আদিত্যক ক'লে —

ঃ ক এতিয়া, ইমান দিনৰ মূৰত কি কাৰণত ওলালহি? আজিকালি মানুহটো দেখোন আমাৰ ঘৰলৈ নহাই হলি!

ঃ মই নাহোঁ নে তই নাযাৰ ? মইতো আহিয়ে থাকোঁ দেখোন, তইহে আজিকালি আমাৰ ঘৰলৈ নোযোৱা হ'লি। ৰাজীৱ আৰু এটা কথা শুন, তোৰ জীৱনত যি ঘটি গ'ল তাক পাহৰিবলৈ চেষ্টা কৰ, তাকেনো লৈ কিয়নো মূৰটো গৰম কৰি থাক, আৰু এই চিগাৰেটবোৰ খাবলৈ এৰ বুজিছ।

আদিত্যও ৰাজীৱৰ বন্ধু। ক্লাছ ফ্ৰেণ্ড নহয়। আদিত্য ৰাজীৱতকৈ এটা ক্লাছ তলত মানে ডিগ্ৰী ছেকেণ্ড ইয়াৰত আৰু ৰাজীৱ ডিগ্ৰী থাৰ্ড ইয়াৰত। আদিত্যই ৰাজীৱৰ ডিগ্ৰী ছেকেণ্ড ইয়াৰৰ কিতাপখিনি নিবলৈ আহিছিল আৰু কিছু সময় থাকি সি গুচি গ'ল।

আদিত্যই ৰাজীৱৰ প্ৰেমৰ সূত্ৰপাত কৰিছিল বুলি ক'লে ভুল নহ'ব। তিনি বছৰৰ আগৰ কথা। এদিন আদিত্যই বিদিতহঁতৰ ঘৰলৈ লৈ গৈছিল ৰাজীৱক। বিদিতহঁতৰ ঘৰতেই সেইদিনা ৰাস্তাত দেখা ছোৱালীজনীৰ লগত চিনাকি হৈছিল ৰাজীৱ। চিনাকি কৰি দিলে আদিত্যই। ছোৱালীজনীৰ নাম আছিল অনিতা। সেইদিনাই জানিব পাৰিছিল অনিতা বিদিতৰ খুড়াকৰ ছোৱালী। এনে সূত্ৰপাতেই ৰাজীৱ আৰু অনিতাৰ মাজৰ সম্পৰ্ক প্ৰেম ভালপোৱালৈ ৰূপান্তৰ হৈছিল। এনেকৈয়ে সিহঁতৰ প্ৰেম চলি থাকিল। সিহঁতৰ মৰম-স্নেহৰ দিন কিন্তু সমানে পাৰ হৈ নগ'ল। হঠাৎ ......

অনিতাক চাবলৈ ল'ৰা এজন আহিল। অনিতাহঁতৰ ঘৰৰ মানুহে তাইক বিয়া দিবলৈ মান্তি হ'ল। ৰাজীৱে সিহঁতৰ ঘৰখনক বহু প্ৰতিবাদ কৰিছিল, কিন্তু সেই প্ৰতিবাদ অথলে গ'ল। ৰাজীৱ একেবাৰে বিমোৰত পৰিল, সি কোনো উপায় বিচাৰি নাপালে। হাতত উঁপাৰ্জনৰ পথ নোহোৱাকৈ অনিতাক কেনেদৰে আনে সি ? ইফালে ৰাজীৱৰ বিয়াৰো উপযুক্ত বয়স হোৱাগৈ নাই। হঠাৎ অনিতাক আনি সি খুৱাব কি, পিন্ধাব কি ? যৌৱনৰ কোনো অবুজ মুহূৰ্তত সৰু বয়সতে অনিতাক ভাল পাই পেলাইছিল। তাৰ পৰিণতি আজি কি হ'ব, অনিতা তাৰ বুকুৰ মাজৰ পৰা হেৰাই যাব। অনিতাহঁতৰ ঘৰখনে ৰাজীৱলৈ অনিতাক কিয়নো দিব, কোনো উপাৰ্জনৰ পথ নথকা এটা ল'ৰালৈ নিজৰ ছোৱালীজনীনো বাৰু কিয় দিব ? হয়তো, কোনো মাক দেউতাকেই নিদিব ! ৰাজীৱৰ ভাবি ভাবি মূৰটো গৰম হৈ গৈছিল। ৰাজীৱে চেষ্টা কৰি চালে, সি অনিতাৰ মাক-দেউতাকলৈ চিঠি লিখিলে, যদি পাৰে বিয়াখন ভাগক। কিন্তু ৰাজীৱৰ কথাত সিহঁতৰ ঘৰৰ মানুহ মান্তি নহ'ল। ৰাজীৱে কি কৰিব ভাবি নাপালে। সি অনিতাক লগ কৰিবলৈ ইচ্ছা কৰিলে; কিন্তু অনিতাক এদিনো লগ কৰিব নোৱাৰিলে।

সি ভাগৰুৱা অনুভৱ কৰিলে। জীৱনটোৰ প্ৰতি তাৰ ধিক্কাৰ জন্মিল। জ্বলি থকা চিগাৰেট তাৰ হাততে জ্বলি জ্বলি শেষ হৈ গ'ল। ৰাজীৱে সুদূৰলৈ চাই পঠিয়ালে। এখন সেউজীয়া পৃথিৱীৰ ছবি তাৰ সন্মুখত জিলিকি উঠিল। সি থিয় হ'ল। খোলা দুৱাৰেদি এজাক শীতল বতাহ সোঁ-সোঁৱাই সোমাই আহিল।

****

## জানানে

**ৰুবী দে**

কলেজলৈ যাওঁতে চিগাৰেট এটা নাখালে কলেজীয়া ল'ৰা যেনেই নালাগে। কিন্তু আপুনি জানেনে ধূমপান আপোনাৰ বাবে কিমান ক্ষতিকাৰক।

ধূমপানৰ ধোঁৱাত ৯০ শতাংশই গেছীয় উপাদান আৰু ৮ (আঠ) শতাংশ পদাৰ্থকণা থাকে। পদাৰ্থকণাৰ সংখ্যা প্ৰায় ৫০ কোটিৰ সমান। গেছীয় উপাদনসমূহৰ ভিতৰত প্ৰধান বিষাক্ত গেছকেইটা হৈছে কাৰ্বন মনোঅক্সাইড। ইয়াৰ পাছতে হাইড্ৰজেন চায়ানাইড, এক্ৰলিন, এমোনিয়া, ফৰমেলডিহাইড আৰু নাইট্ৰ'জেনৰ বিভিন্ন অক্সাইডসমূহ। এইবোৰে হাওঁফাওঁ তথা শ্বাসনলীৰ ক্ষতি কৰে। তাৰোপৰি গেছীয় উপাদানসমূহত থকা 'নাইট্ৰ'ছোমাইন' আৰু হাইড্ৰজিনে কেন্সাৰৰ সৃষ্টি কৰিব পাৰে। বিড়ি, চিগাৰেট আদিত থকা পদাৰ্থ কণাসমূহৰ ভিতৰত অন্যতম বিষাক্ত কণাটো হৈছে 'টাৰ'। এ এবিধ আলকাটৰা জাতীয় যৌগ যিয়ে কেন্সাৰ সৃষ্টিত প্ৰধান ভূমিকা লয়। ফেনল আৰু ক্ৰেচল জাতীয় যৌগবোৰে হাওঁফাওঁ আৰু নাসাৰন্ধ্ৰৰ ক্ষতি কৰে। তদুপৰি পদাৰ্থকণাবোৰৰ ভিতৰত বিটা নেপমিল এমাইন, এন নাইট্ৰচোনৰ নিকোটিন। নিকেল পলোনিয়াম, ইন্দল, কাৰবাজল, ৩ ঃ ৪ পাইৰোলিন আদি ক্ষতিকাৰক কণাবোৰ থাকে। ধূমপানৰ ফলত হৃৎপিণ্ড চঞ্চল হৈ পৰে যাৰ ফলত হৃৎপিণ্ডৰ কাম বাঢ়ে যদিও ৰক্ত প্ৰৱাহ নাবাঢ়ে। ফলস্বৰূপে হৃৎপিণ্ড ক্ষতিগ্ৰস্ত হয় আৰু হৃদৰোগৰ সম্ভাৱনা বাঢ়ে। মস্তিষ্কৰ ধমনিত ধূমপানে বেয়া প্ৰভাৱ পেলায় যাৰ ফলত 'চেৰিব্ৰেল থ্ৰম্ব'চিচ' নামৰ ৰোগৰ সৃষ্টি হ'ব পাৰে।

# জখলা

ৰুবুল পাটোৱাৰী
*স্নাতক মহলা (বিজ্ঞান শাখা)*

মোৰ আইৰ সোঁতোৱা পৰা মুখখনিলৈ চাওঁতেই মোৰ দুচকুৰেদি ধাৰাসাৰে অশ্রু নিগৰি আহি মোৰ ভৰিৰ পতাত পৰিল। আজিকালি মই আইৰ চকুলৈকে চাব নোৱাৰোঁ! চালেই মোৰ বুকুখন আশংকাত চিৰিংকৈ উঠে। কাৰণ .... কাৰণ আজি যে মই ভয়াৱহ, দুৰাৰোগ্য এইড্ছত আক্রান্ত। মোৰ অসুখৰ কথা অৱশ্যে আয়ে নাজানে। ময়ো আজিলৈকে ভুলতেও কোৱা নাই আইক মোৰ অসুখৰ কথা। মোৰ মনটো মই নিজেই বান্ধি ৰাখিছোঁ আৰু বাহ্যিকভাৱে প্রকাশ নকৰিবলৈ মনস্থ কৰিছোঁ। মোৰ অন্তৰত জ্বলি থকা বেদনাৰ জুইকুৰা আজিও উমি উমি জ্বলি আছে, জ্বলি থাকিব। কেতিয়াবা বিশেষ মুহূর্তত মোৰ অন্তৰ ফাটি ওলাই আহিব খোজে মোৰ অশ্রুৰ সোঁত! চিঞৰি চিঞৰি ক'বৰ মন যায় মোৰ জন্মদাত্রী আইক, "আই, মই আজি দুৰাৰোগ্য এইড্ছত আক্রান্ত!" কিন্তু .... কোৱা নাই; নকওঁ, কাৰণ মোৰ মৃত্যুৰ আগতেই আয়ে যে মোক এৰি গুচি যাব কোনোবা অজান দেশলৈ! কি সতে কওঁ মই আইক মোৰ মনৰ কথা — যিগৰাকী আয়ে অশেষ কষ্ট স্বীকাৰ কৰি দহমাহ দহদিন গৰ্ভত ৰাখি ভূমিষ্ঠ কৰিছিল, যাৰ ফলত মই এই সুন্দৰ পৃথিৱীখনৰ ৰংবোৰ উপভোগ কৰিব পাৰিছোঁ!

আই মোৰ সকলো আশা-ভৰসাৰ থল। মোৰ এবছৰ পূৰ নৌহওঁতেই দেউতাই আমাক এৰি যোৱাত আয়েই মোক ধূলি-মাকটি জোঁকাৰি ডাঙৰ-দীঘল কৰিছিল; মোক লৈ নানা ৰঙীন সপোন ৰচিছিল। ময়ো আইৰ সপোনবোৰ বাস্তৱত ৰূপ দিবলৈ বদ্ধ-পৰিপৰ হৈ আছিলো আৰু জীৱনৰ সৈতে কঠোৰ সংগ্ৰাম কৰিবলৈ শিকিছিলো। কিন্তু ....

যিসময়ত মোৰ আৰু আইক এৰি থৈ পিতাদেৱ স্বৰ্গবাসী হৈছিল, সেই সময়ত মই কান্দিব নাজানিছিলো — দুখত; হাঁহিব নাজানিছিলো — আনন্দত। তেতিয়াৰ পৰাই আয়ে মোক শিকাইছিল কেনেকৈ এই কাঁইটীয়া জীৱনৰ বাটত খোজ দিব লাগে। জীৱনৰ বাটত এখুজি-দুখুজিকৈ মই সামান্য বাটহে অতিক্ৰম কৰি আইৰ সোঁতোৱা পৰা মুখখনিলৈ আশাৰ ৰেঙণি সিঁচি দিছিলো। ঠিক তেনেতে ..

আইৰ বহু কষ্টৰ মূৰত আৰু সাঁচতীয়া ধনৰদ্বাৰা আজি মই ৰাওনা হ'বলৈ ওলাইছোঁ গুৱাহাটী অভিমুখে এই সৰু গাঁওখনিৰপৰা—উচ্চ শিক্ষা লোৱাৰ উদ্দেশ্যে জীৱনটো সোণ-ৰূপ-হীৰাৰ অলংকাৰেৰে গঢ়াৰ উদ্দেশ্যে। খুব কান্দিছোঁ আজি, মই মোৰ আইক, মোৰ মৰমৰ গাঁওখনি এৰি যাবলগীয়া হোৱাত মাথোঁ কেইটামান বছৰৰ বাবে! যিখন গাঁৱৰ মাজে মাজে ১০ বছৰ বয়সলৈকে মই ঢপলিয়াই ফুৰিছিলো — আমৰ কলি, জামু খাই ফুৰিছিলো আৰু দুপৰীয়া (স্কুল বন্ধৰ দিনত) ভয়ে ভয়ে আইৰ ওচৰলৈ আহিছিলো বহু দেৰিলৈকে লোকৰ বাৰীত ঘূৰি-ফুৰি আহি দুই-এটা অকৃত্রিম গালি খোৱাৰ ভয়ত। দুই-এষাৰ গালি পাৰি আয়ে মোক মৰমেৰে বুজাইছিল—যতনাই ভাত-তৰকাৰী আনি মুখৰ আগত দিছিল, সেইগৰাকী আইক, সেইখন গাঁও আজি মই ক'ৰবাত এৰি থৈ যাবলৈ ওলাইছোঁ যন্ত্ৰ-কোলাহলেৰে ভৰপূৰ এখন নগৰলৈ। খুব কান্দিছোঁ আজি! মোৰ চকুপানীয়ে আইৰ ভৰি তিয়াইছে, কিন্তু মিঠা আশীৰ্বাদ দি আয়ে মোক বুজনি দিয়াত নতুন পোহৰেৰে আলোকিত হৈ ৰাওনা হ'লো গুৱাহাটী অভিমুখে। পুৱাৰ সূৰ্যটো উজ্জ্বল হৈ উঠিল।

উচ্চতৰ মাধ্যমিক ফাইনেল পৰীক্ষালৈ আৰু কেইটামান দিনহে বাকী আছে। ৰাতিপুৱা মই পঢ়াত নিমগ্ন হৈ থাকোঁতে মোৰ বন্ধু (!) আলোক, সুৰজিৎহঁতে আহি খাটনি ধৰিলে সিহঁতৰ লগত যাব লাগে ক্লাব ঘৰলৈ .... ...

এনেকৈ এদিন-দুদিনকৈ সিহঁতৰ লগত ক্লাব ঘৰলৈ যাবলৈ বাধ্য হ'লো বন্ধুত্বৰ খাতিৰত (!)। প্ৰথম কেইদিন অলপ অস্বস্তিবোধ কৰিছিলো যদিও লাহে লাহে মোৰ জড়তা কিছু শিথিল হৈ আহিল। আৰু .... চিৰিঞ্জেৰে ড্ৰাগছ মোৰ দেহত সুমুৱাই দিছিল প্ৰথমাৱস্থাত সুৰজিতে, সিহঁতেও নিজৰ নিজৰ দেহত সুমুৱাই লৈছিল নিজে নিজে। তাৰ পিছত .... তাৰ পিছত ময়ো নিজেই কৰিব পৰা হ'লো মোৰ কাম (!)। পাহৰি পেলালো মোৰ অধ্যয়নৰ কথা, পৰীক্ষাৰ কথা আৰু আজিৰ পৰা এক বছৰ আঠ মাহ আগতে এৰি অহা মোৰ আইৰ সেই উদাস চকুযুৰি, সোঁতোৱা পৰি যোৱা মুখখনিৰ সজীৱ ছবিখনি! আৰু আজি!

এয়া মই আইৰ সন্মুখত। মোৰ অশ্ৰুৰ সোঁত বন্ধ নোহোৱা হ'ল দেখোন! এটোপাল-দুটোপালকৈ অশ্ৰুৰ সোঁত মোৰ দুচকুৰ পৰা, মোৰ অন্তৰৰ পৰা ধাৰাসাৰে ওলাব ধৰিছে। মোৰ অন্তৰত থুপ খাই থকা বেদনাৰ বৰফটুকুৰা আজি যেন গলিবলৈ আৰম্ভ কৰিছে। মই .... মই কি কৰোঁ? মোৰ বিবেকে যেন আজি মোক একো নিৰ্দেশ নিদিয়া হ'ল ক্ষন্তেকৰ বাবে। কিছু সময় .... আৰু হঠাৎ — "আই , মই দুৰাৰোগ্য এইড্ছত আক্ৰান্ত!" মোৰ মুখেৰে ওলাই আহিল। হাঁ ....? স্ফীত নেত্ৰে, উচ্চস্বৰে আই চিঞৰি উঠিল আৰু ঢলি পৰিল।

# আশীৰ্বাদৰ সুবাস

খগেন গোস্বামী
*প্ৰৱক্তা*

অৰ্থনীতিৰ অৱসৰপ্ৰাপ্ত অধ্যাপক গোস্বামীয়ে ওৰে জীৱন অৰ্থনীতিৰ অধ্যাপনা কৰি এতিয়া নিজৰ অৰ্থনৈতিক সমস্যাৰ উৱাদিহ নাপাই 'শ্বেলফট্' সজাই থোৱা পুৰণি কিতাপৰ দ'মটোলৈ চাই এটি হুমুনিয়াহ পেলালে। ক্ষন্তেক পাছতে বাৰান্দালৈ ওলাই আহিল আঘোণৰ পুৱালী ৰ'দ চেৰেঙাত ক্ষীণ দেহাটো অকণমান টঙাই লওঁ বুলি। তেওঁ হেলনীয়া চকীখনত নিজৰ গাটো এৰি দিলে। দৈনিক কাৰ্যসূচীৰ ব্যতিক্ৰম নোহোৱাকৈ বনকৰা ছোৱালীজনীয়ে আঞ্চলিক বাতৰিটো শুনিব পৰাকৈ সৰু ৰেডিঅ'টো 'টিপই'খনৰ ওপৰত থৈ গ'লহি। বাতৰি দিবলৈ এতিয়াও প্ৰায় বিশ মিনিট বাকী। বোৱাৰীয়েক অপৰাজিতাই চাহ একাপ আনি ৰেডিঅ'টোৰ কাষতে লাহেকৈ থৈ অন্য দিনাৰ দৰেই কৈ গ'ল ঃ "দেউতা, চাহ খাওঁক।" এইখিনি অধ্যাপক গোস্বামীৰ পৰিয়ালৰ নিত্য নৈমিত্তিক ঘটনা। ক্ৰম নেহেৰুৱাকৈ সদায় এটাৰ পাছত এটা কাম শৃংখলাৰে সমাপ্ত হয়। ৯ বজাৰ লগে লগে নাতিনীয়েক ৰিমঝিমক 'ডচন' স্কুলৰ গাড়ীয়ে পদুলিৰ পৰা স্কুললৈ লৈ যায়; ৯-৩০ বজাত বোৱাৰীয়েক অপৰাজিতা স্থানীয় নিম্ন মহাবিদ্যালয়লৈ ওলাই যায় ইত্যাদি। অধ্যাপক গোস্বামীৰ পুতেক দুয়োজন নিজা নিজা চাকৰিৰ খাতিৰত ঘৰৰ পৰা কিছু নিলগত থাকে। একমাত্ৰ জীয়েক মধুমিতাৰো বিয়া ইতিমধ্যে সম্পন্ন কৰি তেওঁ আজৰি হৈছে। শ্ৰীমতী গোস্বামীও অলপ কেইমাহমানৰ আগত বিষয় শিক্ষয়িত্ৰী পদৰ পৰা অৱসৰ পাইছে। চাকৰিৰ পৰা অব্যাহতিৰ পাছত সামাজিক সম্পৰ্ক ৰক্ষা কৰাৰ বাবে তেওঁ সময়ে সময়ে ঘৰৰ পৰা নিলগলৈ যাব লগা হয়। সেই কেইদিন অধ্যাপক গোস্বামী বেছি নিঃসঙ্গ হয়। তাতে বাৰ্ধক্যৰ দিনবিলাক যিমানে আগবাঢ়িছে সিমানেই অধিক অকলশৰীয়া বুলি অনুভৱ কৰা হৈছে। তেওঁ অভাৱ অনুভৱ কৰিছে এজন মনে মিলা বন্ধুৰ যাৰ লগত তেওঁ উদঙাই কথা ক'ব পাৰিব, যাৰ লগত তেওঁ হিয়া উজাৰি হাঁহিব পাৰিব। তেওঁৰ বাল্যকালৰ বন্ধু প্ৰায়বিলাকেই এই পৃথিৱীৰ পৰা আঁতৰি গ'ল। কোনোবাজন আছে যদিও দৈহিকভাৱে অক্ষম। নতুন চামৰ কোনো মানুহেই আজি তেওঁৰ লগত কথাপাতি অযথা সময় খৰছ কৰিব নিবিচাৰে। ঘণ্টাৰ পাছত ঘণ্টা জুৰি শ্ৰেণীত বক্তৃতা দিয়া, সভাই সমিতিয়ে বক্তৃতা দি বাইজৰ সমাদৰ লাভ কৰা অধ্যাপক গোস্বামী আজি যেন সঙ্গৰ অভাৱত মনে ভৱা এষাৰ কথা ক'বলৈও সুবিধাৰ পৰা বঞ্চিত হৈছে। বাতৰি কাকতৰ বৰ বৰ হৰফৰ কথাখিনিৰ বাদে লাহে লাহে তেওঁ কিতাপৰ লগতো সম্পৰ্ক প্ৰায় হেৰুৱাই পেলাইছে। টেলিভিছন আৰু ৰেডিঅ'ৰ বা-বাতৰি, তাহানিৰ দুই চাৰিটা চিনাকী সুৰীয়া গীতৰ বাদে আজি যেন সকলো অদাহ্য।

বৰ পুতেক সমুদ্ৰ প্ৰায় শনিবাৰতে আহি ঘৰ ওলাইহি। অধ্যাপক গোস্বামীয়ে বৰ আগ্ৰহেৰে বৈ থাকে সেই শুভ মুহূৰ্তটোলৈ। সি আহিব, কথা পাতিব, নতুন আঁচনিৰ কথা ক'ব। হয়তো পিছদিনা ৰবিবাৰে তাৰ সৰু গাড়ীখনত তুলি ইঘৰ-সিঘৰলৈ নিব ইত্যাদি মিঠা চিন্তাবিলাকে অলপ সময়লৈ হ'লেও মনত আনন্দ দিয়ে। এৰা, ঘৰৰ পৰা ওলাই যাবলৈ হ'লে এসাজ নিকা কাপোৰ, এটা গৰম নতুন চুৰেটাৰ বা এখন ভাল নতুন 'শ্বাল'ৰ অতি প্ৰয়োজন তেওঁ অনুভৱ কৰে। ডেকা বয়সত লোৱা গৰম 'চুট' বা চুৰেটাৰ কোনোটোৱেই এতিয়া জোখৰ নহয়। সেইদিনৰ নোদোকা চেহেৰাটো আজি তেওঁৰ নাই। অস্থি-চৰ্ম-সাৰ অৱয়বটোকে লৈ জীৱনৰ শেষ দিনটো আগবাঢ়িছে। বাৰ্ধক্যজনিত অসুখ আৰু ঔষধ এতিয়া তেওঁৰ সহচৰ। আজি ভালে কেইদিন হ'ল ঔষধৰ বটলকেইটা খালি হোৱা। কিন্তু বোৱাৰীয়েক অপৰাজিতাক ভালপোৱা নাই ক'বলৈ। কাঁহটোৱে বৰকৈ ধৰিলে তেওঁ ভাৱে এই সপ্তাহৰ শনিবাৰে পুতেক আহিলে ঔষধৰ কথা ক'ব। কিন্তু কিবা স্বৰূপত কাঁহটো কমি থাকিলে ঔষধৰ অভাৱটো পুতেকৰ আগত ব্যক্ত কৰিবলৈ এলাহ কৰে। মনতে ভাৱে শ্ৰীমতী আহিলে আনিব নিশ্চয়। দূৰণিৰ পৰা আহিলে প্ৰয়োজনীয় ঔষধ কিনি অনাটো শ্ৰীমতীৰ পুৰণি অভ্যাস। সেয়ে গোস্বামীয়ে পুতেক-বোৱাৰীয়েকৰ আগত কোনো কথাকে ব্যক্ত নকৰে। অন্যহাতে ওৰে জীৱন নিজৰ উপাৰ্জনৰে পুৰিপুষ্টহৈ অহা অধ্যাপক গোস্বামীয়ে এতিয়া আনৰ হাতলৈ-মুখলৈ চোৱা অভ্যাসটোক কোনো ৰকমেই প্ৰশ্ৰয় দিব নোখোজে। মনত পৰা দিনৰে পৰা এটা স্বাধীন মন, স্বাধীন চিন্তাৰে দিন অতিবাহিত কৰি জীৱনৰ

শেষ পৰ্যায়তো তেওঁ স্বাধীনভাৱেই মুহূৰ্তবিলাক উপভোগ কৰিব খোজে। নিজৰ ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰী সকলোকে স্বাধীন চিন্তাৰে নিজৰ মগজুৰ পৰিধি বিশাল কৰিবলৈ শিক্ষা দিছিল। এই ক্ষেত্ৰত কিমান কৃতকাৰ্য হ'ল আজিৰ সময় ধাৰাপাতত তেওঁৰ তাৰ উৱাদিহ নলয়।

হেলনীয়া চকীখনত নিজৰ গাতো এৰি দি অধ্যাপক গোস্বামীয়ে প্ৰায়েই এৰি অহা দিনবোৰৰ কথা সুঁৱৰি চায়। হেৰোৱা দিনৰ সোণালী মুহূৰ্তবিলাক যেন বৰ সোনকালেই শেষ হৈ গ'ল। নিচেই সৰুতেই দেউতাকক হেৰুৱাই একমাত্ৰ মাকৰ অক্লান্ত পৰিশ্ৰম আৰু কাণসমনীয়া ককায়েকৰ অপত্য স্নেহৰ পৰিযত্নত লিখা-পঢ়া শিকি কলেজ আৰু বিশ্ববিদ্যালয়ৰ দেওনা পাৰ হৈ অধ্যাপনা আৰম্ভ কৰা দিনবিলাক তেওঁৰ মনত ভালদৰেই জিলিকি আছে। কল্যাণীক ন-কইনা সজাই প্ৰথম দিনা ঘৰলৈ অনা, প্ৰথম সন্তান সমুদ্ৰ তেওঁলোকৰ মাজলৈ অহা আনন্দ মধুৰ মুহূৰ্তটো, এটা এটাকৈ তিনিটা সন্তানৰ পিতৃ হোৱা গৌৰৱখিনি, শিক্ষকতা জীৱনৰ সৰু-বৰ ঘটনাবোৰ তেওঁৰ মানস পটত ৰূপালী পৰ্দাৰ ঘনঘোৰ ছৱিৰ দৰে এটা এটাকৈ পাৰ হৈ যায়। নিৰৱ মুহূৰ্তবোৰত কেতিয়াবা তেওঁ নিজকে প্ৰশ্ন কৰে গতানুগতিক এটা জীৱন পাৰ কৰাৰ বাহিৰে তেওঁ বাৰু জীৱনত কি কৰিলে? জ্ঞানৰ সম্ভাৰ কিবা অৰ্জন কৰিব বা আনৰ কাৰণে কিবা সঞ্চয় কৰিব পাৰিলেনে? নিজৰ মনতে উদয় হোৱা প্ৰশ্নবোৰৰ সমিধান বিচাৰি পোৱাৰ আগতেই নতুন নতুন প্ৰশ্নই তেওঁক জুমুৰি দি ধৰে। নিস্তৰংগ হৈ তেওঁ সমুখৰ বহল চোতালখনলৈ একেথৰে চাই থাকে সমিধান পোৱাৰ আশাত।

বজাৰখনত বস্তুৰ দৰ দ্ৰুত গতিত বৃদ্ধি পাইছে। নিম্ন বেতনভোগী চাকৰিয়াল, বনুৱা, ৰিক্সা-ঠেলাৱালা আদি সাধাৰণ শ্ৰেণীৰ মানুহৰ বাবে জীৱন নিৰ্বাহ কৰা অসম্ভৱ হৈ উঠিছে। ....... কথাবিলাক অধ্যাপক গোস্বামীয়েও উপলব্ধি কৰিছে। কিন্তু মীমাংসা? ড° অমৰ্ত সেনেও এইখন দেশতে জন্ম লৈ দৰিদ্ৰতাৰ ওপৰতে অধ্যাপনা কৰি, গৱেষণা কৰি শেষত 'নোবেল বঁটা' পৰ্যন্ত লাভ কৰিলে। কিন্তু মীমাংসা দিলে ক'ত? দৰিদ্ৰতা নিৰ্মূলৰ আঁচনিবিলাকৰ ৰূপায়ণ হ'ল ক'ত? আজি শিক্ষক-কৰ্মচাৰীক দৰমহা দিবলৈ চৰকাৰৰ পইচা নাই। চৌদিশে নিৰন্ন জনতাৰ হাঁহাকাৰ ......। কথাবিলাক ভাবি থাকোতে তেওঁৰ হঠাৎ মনত পৰিল ঃ নিজৰ পৰিয়ালটোৱে বাৰু ভালকৈ খাবলৈ পাইছেনে? অন্ততঃ আগৰ দৰে। তেওঁৰ মনত পৰে বৰ ল'ৰা সমুদ্ৰই সৰুৰে পৰাই ভালকৈ জুতি লগাই খোৱাত চখ আছিল। এতিয়া বাৰু সি আগৰ দৰে খাবলৈ পাইছেনে? এৰা, বহুত দিন হ'ল তেওঁ ভিতৰ চ'ৰাৰ একো খবৰ ৰখা নাই। কথাটো মনত ভাবি অকণমানো সময় পলম নকৰাকৈ গোস্বামী ৰান্ধনি ঘৰৰ দুৱাৰ মুখ পালেগৈ। হঠাৎ তেওঁ থমকি ৰ'ল। অভাৱ বুলি জানিবলৈ পালে তেওঁ বাৰু কি সমিধান কৰিব? নিজৰ সামৰ্থই বা আছে কি? দীঘল কামিজটোৰ বুকুৰ বুটামকেইটা পিটিকি পিটিকি তেওঁ যোৱা বাটেৰেই পুনৰ ওভতি আহিল বাৰান্দাৰ চকীখনলৈ। চকুত আকৌ সেই দীৰ্ঘ চাৰনি অতীতলৈ ঃ কলেজৰ প্ৰফেচৰ, এটা মোটা দৰমহা, সকলোৰে ঈৰ্ষাৰ এটা মোটা উপাৰ্জন। কিন্তু আজি অৱসৰৰ লগে লগেই পেঞ্চন বিহীন প্ৰফেচৰ গোস্বামীৰ মূল্যই বা ক'ত?

ক্ষীণ শব্দ এটাৰে নিলগৰ লোহাৰ জপনাখনৰ ওচৰত গাড়ীখনৰ পৰা নামি আহিছে। তেওঁ একেথৰে চাই থাকিল অভ্যাগতৰ ফালে। মানুহজন তেওঁৰ ওচৰ চাপিল।

— "ছাৰ! নমস্কাৰ।" অভ্যাগতে কৰপুটে অভিনন্দন জনালে।

— নমস্কাৰ" -- প্ৰতি নমস্কাৰ জনাই গোস্বামীয়ে অভ্যাগতলৈ চাই মাত লগালে, "চ'ৰাৰ দুৱাৰ খোলা আছে। ভিতৰতে বহা।"

— "হ'ব ছাৰ, ইয়াতে বহো।" সুন্দৰ সাজ পৰিহিত ডেকাজনে গোস্বামীৰ ওচৰতে থকা বেতৰ মূঢ়াতো টানি আনি আৰম্ভ কৰিলে —

— "ছাৰে বোধহয় মোক পাহৰিছে। মই আপোনাৰ প্ৰাক্তন ছাত্ৰ ৰবীন্দ্ৰ প্ৰসাদ।"

— "প্ৰাক্তন ছাত্ৰ! ৰবীন্দ্ৰ প্ৰসাদ! অলপ মনত পৰা যেন লাগিছে। তোমাৰ ঘৰ?"

— "মোৰ ঘৰ ককিলা সোণালীবৰিত।"

— "সোণালীবৰি, কোকিলা। এৰা বহুত দিন হ'ল। কথাবিলাক পাহৰি গৈছো। তাতে চকুৰ দৃষ্টি শক্তিও প্ৰায় হেৰুৱাই পেলাইছোঁ। যি কি নহওক, তুমি ৰবীন্দ্ৰ প্ৰসাদ, মোৰ প্ৰাক্তন ছাত্ৰ। তুমি আহিছা বৰ ভাল পালো।"

-- "আৰু অকণমান বহলাই চিনাকী দিওঁ ছাৰ, আপোনাৰ হয়তো মনত পৰিব। কুৰি বছৰমান আগৰ কথা। মই তেতিয়া বি. এ. শেষান্ত পৰীক্ষাৰ ছাত্ৰ। পৰীক্ষাত নকল কৰি ধৰা পৰাৰ বাবে আপুনি মোক পৰীক্ষা ঘৰৰ পৰা বহিষ্কাৰ কৰিছিল।"

অধ্যাপক গোস্বামীয়ে এইবাৰ নিজৰ মুখখন ঘূৰাই আনি, চকুৰ চশ্মাযোৰ কাষৰ সৰু টেবুলখনত ৰাখি-খালী চকু দুটাৰে যিমান পাৰে দূৰলৈ চাবলৈ যত্ন কৰিলে। সেইবিলাক বাৰু তেওঁ বেয়া কাম কৰিছিল নেকি? -- মনতে ভাবেলে -- তেওঁ যেন ক'ব -- "মই সেইবিলাক বেয়া কাম

কৰিছিলোঁ। মই তোমালোকক ভুল শিক্ষা দিছিলো। তোমালোকে নকল কৰিবা, মদ খাবা, দুৰ্নীতি কৰিবা, হাতে হাতে পিষ্টল ল'বা, সভ্যতা আৰু সংস্কৃতিৰ কোনো চিন চাব নাৰাখিবা। এফালৰ পৰা জুই জ্বলাই যোৱা, এটা অগ্নিপিণ্ড কৰি তোলা, যি তপত পিণ্ডৰ পৰা পৃথিৱী চিটিকি আহিছিল সেই তপত পিণ্ডলৈ পুনৰ ৰূপান্তৰিত কৰা।

— "ছাৰ!" নিৰৱতা ভংগ কৰি ৰবীনে মাত দিলে।

— অঁ, কোৱাচোন তাৰ পিছত —?

ৰবীনে পাতনি কিছু দীঘলীয়াকৈ তৰিলে — "সেইদিনা মোৰ দুষ্কৰ্ম বুলি মানি ল'বলৈ টান পাইছিলো। লাজ অপমান আৰু ক্ষোভত মই ৰূঢ় হৈ পৰিছিলো। আপোনাৰ সৎ উপদেশ লেশমাত্ৰও মই মানি ল'বলৈ প্ৰস্তুত নাছিলো। আপুনি মোৰ কান্ধত হাত থৈ পিতৃসুলভ স্নেহেৰে মোক বুজাইছিল বহুত কথা — জীৱনত এইটোৱেই একমাত্ৰ পৰীক্ষা নহয়। কেৱল ফাকিৰে বিনা পৰিশ্ৰমেৰে জীৱনৰ কোনো পৰীক্ষাই কৃতকাৰ্য হ'ব নোৱাৰি। কৃতকাৰ্যতাৰ বাবে লাগিব শ্ৰম আৰু ঐকান্তিকতা। শ্ৰম কৰিবলৈ শিকা, নিজৰ ভৰিৰ ওপৰত ভৰ দি থিয় হ'বলৈ শিকা, নিজক এজন যোগ্য ব্যক্তি কৰি গঢ়ি তুলিবলৈ যত্ন কৰা। যোগ্যজনৰ বাবে এই পৃথিৱীৰ পৰিসীমা এতিয়াও বহুত বহল ..... ইত্যাদি। প্ৰথমে আপোনাৰ কথাবিলোকে মোক উপদংশন কৰিছিল যদিও দিন আগবঢ়াৰ লগে লগে মোৰ মগজুত যেন আপুনি ক্ৰিয়া কৰিবলৈ ধৰিলে। তাৰ কেইদিনমানৰ পাছতে মই এদিন কোনেও নজনাকৈয়ে ঘৰ এৰি গুৱাহাটী পালোঁগৈ। তাত এখন দোকানত সাধাৰণ বনুৱা হিচাপে নিযুক্ত হৈ মোৰ জীৱনৰ দ্বিতীয় অধ্যায় আৰম্ভ কৰিলো। অলপ দিনৰ ভিতৰতে মই কিছু পৰিমাণে ব্যৱসায় জগতখনৰ লগত পৰিচয় হ'লো। তাৰ পাছত এজন ব্যৱসায়ী বন্ধুৰ সহায়ত মই নিজে এটা সৰু ব্যৱসায় আৰম্ভ কৰিলো।

এইবাৰ যেন অধ্যাপক গোস্বামীয়ে সংজ্ঞা ঘূৰাই পালে। তেওঁ উৎকণ্ঠাৰে মাত লগালে — "বেছ, তাৰ পিছত?"

— তাৰ বছৰ দিয়েকৰ ভিতৰতে গুৱাহাটীৰ খ্যাতনামা ব্যৱসায়ী গোৰেংকা গোষ্ঠীৰ লগত মোৰ ঘনিষ্ঠ হ'ল। তেওঁলোকৰ উদ্যোগ আৰু প্ৰেৰণাত শিলিগুৰিত সৰু এটা 'কেচমিলন' উলৰ প্ৰডাক্চন চেণ্টাৰ স্থাপন কৰি ব্যৱসায়ত আগবাঢ়িলো। আপুনি শুনি ভাল পাব যে, বৰ্তমান অকল অসমতে নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সকলো নগৰ-চহৰতে মোৰ ফেক্টৰীৰ প্ৰডাক্চন আৰু ৰেডিমেদ্ চুৱেটাৰ, শ্বালে বাজাৰ সামৰিবলৈ সমৰ্থ হৈছে।

— "শুনি বৰ ভাল পালো ৰবীন। তুমি খুৱ কম দিনৰ ভিতৰতে ব্যৱসায়ত ইমান উন্নতি কৰিব পাৰিলা। ভগৱানে তোমাৰ মংগল কৰক।" — গোস্বামীয়ে অতি উলাহেৰে কথাখিনি কৈ গ'ল।

— "এয়া মোৰ নহয় ছাৰ! আপোনাৰ আশীৰ্বাদৰ ফলশ্ৰুতি। সেইদিনা নকল কৰি হয়তো মই ডিগ্ৰী ল'ব পাৰিলোহেঁতেন। কিন্তু কৰ্ম-বিমুখ হৈ আন দহজনৰ দৰেই মইও ভাগ্যক ধিয়াই দিন অতিবাহিত কৰিব লাগিলহেঁতেন। যি কি নহওক, আপোনাৰ কথাৰেই কওঁ — এতিয়া মই মোৰ নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ সক্ষম হৈছোঁ, বহল পৃথিৱীখনত অকণমান ঠাই পাইছো।" ৰবীনে একে উশাহে কৈ যোৱা কথাখিনি অধ্যাপক গোস্বামীয়ে সবিস্ময়ে শুনি গ'ল। তেওঁ ভাবিলে এজন শিক্ষকৰ বাবে ইয়াতকৈ আৰু অধিক সাফল্য কি হ'ব পাৰে। আজি যেন তেওঁ ৰবীনক আকোৱালি ধৰি দুই গাল ওপচাই চুমা খাব।

ৰবীনে তাৰ দামী 'এটাচী' বেগটোৰ পৰা টোপোলা এটা উলিয়াই লৈ লাহে লাহে গোস্বামী ছাৰৰ ওচৰলৈ আগবাঢ়িল।

— "ছাৰ! মোৰ ফেক্টৰীৰ উৎপাদিত এটা নমুনা আপোনাক দেখুৱাম বুলি লৈ আহিছোঁ। আপুনি গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰিব।"

'শ্বাল'খন গোস্বামীৰ কান্ধত উৰাই দি ৰবীনে সেৱা জনালে। গোস্বামীয়ে ক্ষীণ অস্থি-চৰ্মৰ দেহটোৰে ৰবীনক বুকুৰ মাজত আকোৱালি ধৰিলে। অপাৰ আনন্দ আৰু আবেগত তেওঁৰ শীৰ্ণ কোটৰ চকু দুটাৰ পৰা ধাৰাসাৰে চকুৰ পানী ব'বলৈ ধৰিলে। আঘোণৰ হৈমন্তী পুৱাৰ ৰ'দজাকৰ উমটো যেন আজি অধ্যাপক গোস্বামীয়ে অধিক সজীৱকৈ অনুভৱ কৰিলে।

****

কৌতুক — সংগ্ৰহ ঃ *পুষ্পজ্যোতি কলিতা*

ছয় বছৰীয়া বিঙ্কুৱে কান্দি কান্দি মাকৰ ওচৰলৈ অহাত মাকে সুধিলে — কিয় কান্দিছা?

বিঙ্কু ঃ দেউতাই দেৱালত ফটো ওলোমাবলৈ গজাল মাৰোঁতে হাতত কোব খালে।

মাক ঃ সেইটো কাৰণেই তুমি কান্দিব লাগেনে? মই হোৱা হ'লে হাঁহিলোহেঁতেন।

বিঙ্কু — মইয়োতো হাঁহিছিলোৱেই।

পাঁচ মিনিটৰ গল্প

# আধা ব্যক্তিগত

দিগন্ত গোহাঁই

'হেৰি শুনিছেনে....?'

গল্প এটা লিখোঁ বুলি কলমটো হাতত তুলি লওঁতেই কাষৰ কোঠাৰ পৰা শ্ৰীমতীয়ে চিঞৰিলে।

ভাৰতীয় সময় অনুসৰি তেতিয়া সন্ধিয়া আঠ বাজি পঁইত্ৰিশ মিনিট। দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী তেতিয়া পৰিৱেশনৰ সময়। বাতৰি পঢ়োঁতাগৰাকীৰ পৰা বিশেষ বাতৰি এটা শ্ৰীমতীয়ে মোলৈ সিটো কোঠাৰপৰা 'ৰিলে' কৰাৰ যত্ন কৰিলে। 'হেৰি, শুনিছেনে নাই .... নিমখ....'

গল্পটো কেনেকৈ কোনখিনিৰ পৰা আৰম্ভ কৰোঁ তাকে ভাবি গুণি থাকোঁতেই শ্ৰীমতীৰ গোটেইখিনি কথা মোৰ কাণত নোসোমাল। 'নিমখ' শব্দটো শুনিলো বাবেই অনুমানতে এবাৰ পাকঘৰলৈ গৈ কেৰাহিত লাগিব ধৰা ভাজিখনি লৰাই দি দুচামুচ নিমখ দিলো। কাঁচকল-বেঙেনাৰ যুগল বন্দী। দুই মিনিটমান সময় ভাজিখন লৰাই দি পুনৰ গল্পকাৰ হ'বলৈ লৰৰি আহিলো। ভাবি পোৱা নাই কোনখিনিৰ পৰা আৰম্ভ কৰোঁ গল্পটো। ইফালে আজিৰ ভিতৰতে যিকোনো প্ৰকাৰে গল্প এটা তৈয়াৰ কৰিব লাগিব। স্থানীয় 'সুৰভি সাহিত্য চ'ৰা'ৰ সভাপতি শ্ৰীযুত কোঁৱৰদেৱে কেবাদিনৰ পৰা লাগি আছে গল্প এটা দিবলৈ। কিবা হেনো আলোচনী উলিয়ায়। ইপিনে 'ঢাল তৰোৱালবিহীন নিধিৰাম চৰ্দাৰ' হৈ গল্পলেখাৰ মহাৰণত মই ধৰাশায়ী হওঁ হওঁ।

দাঁতেৰে কলমটো কামুৰি কপালত বিৰিঙি উঠা ঘামখিনি আধা মচাকৈয়ে বাওঁ বাহুটোত জোৰেৰে থাপৰ এটা মাৰিলো। থাপৰ খাই চেপেটা লগা মহটোৱে কিমান দুখ পালে নাজানো, নিজৰ বাহুটো হ'লে বহুপৰলৈকে ফৰফৰাই থাকিল। এনেকৈ গাত পৰা মহ বা মাখি মাৰিবলৈ ল'লেই মোৰ আকৌ সেই 'বিশ্বাসী বান্দৰ পাৰু সদাগৰ' নামৰ সাধুটোলৈহে মনত পৰে। সেইয়ে নিজে শান্তিৰে শুবলৈ সদাগৰে বান্দৰটোকে ৰখীয়া পতিছিল! প্ৰভুভক্ত বান্দৰটোৱেও গিৰিহঁতৰ মুখত বাৰে বাৰে পৰি আমনি কৰি থকা মাখি এটাক একেঘাপে দুছেও কৰিছিল। অৱশ্যে বোধহয় বান্দৰটোৰেই দুৰ্ভাগ্য যে তাৰ আনুগত্য আৰু কৰ্তব্যনিষ্ঠাৰ পুৰস্কাৰ দিবলৈ তাৰ গিৰিহঁত শোৱাৰ পৰা আৰু কোনোদিনেই উঠি নাহিল।— সেই সাধুটো। মহ মাৰিবলৈ ল'লেই মোৰ মনত পৰা সাধুটো। বেচেৰা সদাগৰ! অযোগ্যজনৰ হাতত ক্ষমতা তুলি দি কিযে ভুল কৰিছিল তেওঁ! আমিও...

....মোৰ চিন্তাৰ আঁত ছিঙি উধাতু খাই শ্ৰীমতীয়ে পাকঘৰলৈ লৰ মাৰিলে। দূৰদৰ্শনৰ বাতৰি ইতিমধ্যে শেষ হৈছে। পাকঘৰৰ পাইহে তেওঁ উশাহ সলালে। ভাজিখন জ্বলি যোৱাৰ পৰা ৰক্ষা কৰা বাবে তেওঁ মোক ধন্যবাদ এটা দি ক'লে, "ইচৰাম, কেৰাহিখন যে পাতি থৈ গৈছিলো, মই একেবাৰে পাহৰিলো ভাই – ভাল বচালে দেই আপুনি।"

মই কেৱল গহীন কৈ হাঁহিলো। ঠিক গল্পকাৰ এজনৰ দৰেই!

ভাতৰ টেবুলত বহি আমি ইজনে সিজনে মুখলৈ চালো।

'ভাজিখিনিত আপুনিও নিমখ দিলে নেকি।'

'আপুনিও মানে? কিয় তুমিয়ে দেখোন নিমখ দিবলৈ চিঞৰিছিলা!'

'মই কেতিয়া ক'লো আপোনাক নিমখ দিবলৈ?'

'কিয় তুমি টি-ভিত বাতৰি চাই থকোঁতে মোলৈ চিঞৰি নিমখ দিবলৈ কোৱা নাছিলা?'

'হে হৰি, আপুনি হ'বলা তাকেহে শুনিলে?'

'তেনেহ'লে?'

'মই আপোনাক কৈছিলো যে গোটেই দেশজুৰি নিমখৰ হেনো নাটনি হৈছে। বাতৰিত কৈছে বোলে দিল্লীত হেনো নিমখৰ কিলোৱে প্ৰতি চল্লিছ টকালৈকে দাম উঠিছে।

'অ', তুমি সেইটোহে কৈছিলা নেকি? মই আকৌ দুচামুচ নিমখ দি দিলো নহয়। হা দৈ, আজিয়ে খাই লোৱা নিমখ। ঈশ্বৰে যি কৰে ভাললৈকে কৰে বুজিছা। এতিয়া আৰু ৰাইজে কাৰো নিমখ খাই নিমখ হাৰামি কৰিব লগা নহয়। মিঠাতেল এৰা এই তিনিমাহেই হ'ল। আলু-পিঁয়াজ এৰা দুমাহেই হ'ল – কিনো বেয়াটো হৈছেহে? এনেকৈ ৰাইজে ত্যাগৰ মনোভাৱে ল'লেহে দেশৰ উন্নতি হ'ব। ৰামৰাজ্য প্ৰতিষ্ঠা হ'ব। সমাজবাদ ৰচনা হ'ব।

দুয়ো দুয়োৰে মুখলৈ চাই জোৰেৰে হাঁহি দিলো। ঠিক নৱকান্ত বৰুৱাই কোৱাৰ দৰেই – 'সিহঁতে পঢ়িব আমাৰ জীৱাশ্ম জাতিস্মৰৰ হাঁহি উঠা সাধু'।

কাষৰ কোঠাৰ পৰা তেতিয়া ভাহি আহিছিল দূৰদৰ্শনত কোনোবা এজনে উত্তাল সুৰত গোৱা কণ্ঠ – 'বন্দে মাতৰম'....।

# নিশাৰ সপোন

মিছ অৰ্চ্চনা গগৈ
স্নাতক, ৩য় বৰ্ষ (কলা)

বহুদিনৰ পাছত তাই আজি আকাশখনলৈ চালে। আকাশৰ দুই-এচপৰা ডাৱৰ। হয়তো এজাক বৰষুণ অহাৰ সম্ভাৱনাই বেছি। এৰা ....! তাইকো এতিয়া এজাক বৰষুণৰ খুবেই প্ৰয়োজন। চাই থাকোঁতেই গোটেই আকাশখন ক'লা ডাৱৰে আৱৰি ধৰিলে। অজানিতে তাইৰ দুচকুৰেদি চকুলো বৈ আহিল। ভিতৰলৈ আহি তাই, তাইৰ ৰুমৰ খিৰিকিখন জপাই দিলে। বিছনাখনত গাটো অলসভাৱে এৰি দিলে ক'ৰবাৰ পৰা ভাহি আহিল জুনিৰ কণ্ঠত... 'এতিয়াও সাৰে আছোঁ মই। দুখৰ প্ৰভাতৰ ক্ষণ গণি...' এতিয়া তায়ো বহু উজাগৰি নিশা পাৰ কৰে সপোনক সুঁৱৰি।

নিশা। নিশা শইকীয়া। মাকৰ মৰমৰ পৰা বঞ্চিত হোৱা নিশা। তেতিয়া তাইৰ বয়স দুবছৰ আৰু ভায়েক অৰুণাভৰ বয়স মাত্ৰ তিনিমাহ। তেতিয়াই মাকে সিহঁতক এৰি থৈ গৈছিল বেলেগ এখন পৃথিৱীলৈ। দেউতাকে সিহঁতক সাবটি পুনৰ ঘৰখনলৈ সজীৱতা আনিব বিচাৰিলে। দেউতাকে নিশাহঁতক কোনোদিনেই মাকৰ অভাৱ অনুভৱ কৰিবলৈ নিদিছিল। তিনিজনীয়া সদস্যৰে ঘৰখন গতানুগতিকভাৱে পাৰ হৈছিল। নিশাই H.S.L.C. প্ৰথম বিভাগত পাছ কৰিছিল। দেউতাকে একমাত্ৰ জীয়েকক দূৰলৈ নপঠাই স্থানীয় কলেজখনতে নামভৰ্তি কৰাই দিলে। দেউতাকৰ ভয় জানোচা দূৰলৈ পঠালে তেওঁৰ অনুপস্থিতিত ছোৱালীজনী সম্পূৰ্ণৰূপে বেলেগ হৈ যায়। তায়ো আপত্তি নকৰিলে। কাৰণ ভায়েক অৰুণাভ আৰু দেউতাকক এৰি তায়ো থাকিব নোৱাৰে। নিশাই খুউব ধুনীয়াকৈ গীত গাইছিল। তাইৰ শিল্পীসুলভ মনটোক বহুতে প্ৰেৰণা যোগাইছিল। সপোন বৰুৱা আছিল এজন কৃষ্টিৰ অনুৰাগী যুৱক। সেই সূত্ৰেই নিশাৰ লগত কলেজত চিনাকি। সেই চিনাকিয়েই শেষত প্ৰেমলৈ ৰূপান্তৰিত হ'ল। দুয়ো প্ৰতিশ্ৰুতিবদ্ধ হৈছিল দুয়োকে পাহৰি নোযোৱাৰ। সপোন প্ৰায়ে আহে নিশাহঁতৰ ঘৰলৈ। দেউতাকৰ লগত দুষাৰ-এষাৰ কথা পাতে। অৰুণাভক দুটা-এটা উপদেশ দি যায়। নিশাৰ দেউতাকে সপোনক বুজি পায়। মনে-মনে তেওঁ নিশাক শলাগিছে। দেউতাকে অনুভৱ কৰে নিশাক হয়তো সপোনে...। সুন্দৰভাৱে পাৰ হ'ল নিশাৰ কলেজীয়া জীৱন।

সেইদিনা স্নাতক চূড়ান্ত বৰ্ষৰ ৰিজাল্ট দিছে। নিশাই ৰাজনীতি বিজ্ঞানত অনাৰ্ছসহ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছে। ৰিজাল্ট লৈ অহাৰ লগতে আৰু নিশা লগৰ অপু, জিতু, জনহঁত পাৰ্টি খবলৈ আহিছে। নিশাই ৰিজাল্ট শুনি মাথোঁ কান্দিছে। এতিয়া তাইৰ কাষত যদি মাক থাকিলেহেঁতেন! তাই বাৰু ইমানেই দুৰ্ভগীয়ানে? দেউতাকে তাইক বুজাইছে, তাৰ বাদেনো তেওঁ আৰু কি কৰিব! বহুদিন হ'ল সপোনো অহা নাই। সপোনটো মাজে মাজে ক'ত হেৰায় জানো? কেতিয়াবা তাইৰ সপোনক লগ পাবলৈ ইমান মন যায়। কিন্তু...। কোনোবা এদিন আহিলেও বেছি সময় কথা নাপাতেই। কিবা দেখোন তাক উদাস-উদাস লাগে। কিয় জানো সি অন্যমনস্ক হৈ থাকে? নিশাৰ সপোনৰ ওপৰতো অভিমান হ'ল। নালাগে, কোনেও তাইক বুজিব নালাগে! সকলোৱে মাথোঁ তাইক...। অৰুণাভহঁতৰ ফূৰ্তি দেখি তাইয়ো নীৰৱে নাথাকিল। গধুলিটো সুন্দৰভাৱে পাৰ হ'ল। হঠাতে সপোনটো ক'ৰপৰা আহিল জানো? হাঁহি-হাঁহি তাইলৈ এথোপা গোলাপ কলি আগবঢ়াই দিলে। তায়ো নীৰৱে গ্ৰহণ কৰিলে। দেউতাকৰ লগত অলপ সময় কথা পাতিলে আৰু গুচি গ'ল। নিশাৰ মনটো ফৰকাল লাগি গ'ল। তাই সপোনৰ ওচৰত সেইকণ অভিমান এনেয়ে কৰিলো! ক'ব নোৱাৰাকৈয়ে তাইৰ অন্তৰখন কিবা এটা অবুজ ভাষাৰে ভৰি গ'ল। সপোন যোৱাৰ অলপ সময়ৰ পাছতে সামৰিক পোছাক পৰিহিত কেইজনমান যুৱক সিহঁতৰ ঘৰত সোমালহি আৰু সপোনক বিচাৰিলে। সপোনক নাপালে। যাবৰ সময়ত সিহঁতে কৈ গ'ল যে যদি তেওঁলোকে সপোন বৰুৱাক ইয়ালৈ অহা দ্বিতীয়বাৰ গম পায়, তেওঁলোকৰ অৱস্থা বেয়া হ'ব। কাৰণ সপোন বৰুৱা কোনো এক অবৈধ সংগ্ৰামী দলৰ সদস্য। নিশাৰ মূৰ ঘূৰাই গ'ল। তাই এইবোৰ কি শুনিছে? দেউতাকে বহুসময় তাইলৈ একেথৰে চাই থাকিল। তাইক কৈছিল, "সপোন কোনো এক অবৈধ সংগঠনৰ সদস্য।" কিন্তু নিশাই কোনোদিনাই ভাবিব পৰা নাছিল যে সপোনৰ অন্তৰত বিপ্লৱৰ জুই একুৰাও জ্বলি

আছিল। সি তাইক কোনোদিন কোৱাও নাছিল? ইমানদিনে সপোনে তাইক ফাঁকি দিলে? কিন্তু কিয়? তাইতো সপোনক কোনো কথাতেই বাধা দিয়া নাছিল? তাই বাৰু এতিয়া কি কৰিব? বহুত ভাবিলে। সপোনে বাৰু ভুল কৰিবলৈ ওলাইছে নেকি? নাই ভুল কৰা নাই! নিশাই অনুভৱ কৰিলে। তাই যেন এজনী মেৰীয়েন হ'বলৈ আগবাঢ়িছে। কুমাৰী মেৰীয়েনে ৰবিনহঁতৰ প্ৰত্যেকটো কামতে যেনেকৈ সহায় কৰিছিল। ৰজা জন কোঁৱৰৰ পৰা আত্মগোপন কৰি সাধাৰণ প্ৰজাৰ বাবে উপকাৰ কৰোঁতে মেৰীয়েনে যেনেকৈ সহায় কৰিছিল, প্ৰেৰণা যোগাইছিল ঠিক তেনেকৈ তায়ো সপোনক প্ৰতিটো কাৰ্যতে সহায় কৰিব। মাথোঁ সপোনহঁতৰ স্বাধীনতাৰ সপোনবোৰ সফল হওক। তাই নিজকে নিজে সহাস দিলে। তাই বুজিলে সিহঁতৰ ঘৰখনে এটা সম্ভাব্য বিপদৰ ফালে আগবাঢ়ি গৈছে।

এদিন ৰাতি সপোন আহিছিল। সি নিশাক ক্ষমা খুজিলে ইমানদিনে তাইক ফাঁকি দিয়াৰ বাবে। এতিয়া আৰু তাইৰ পৰা সি একো লুকুৱাব বিচৰা নাই। সি আজি কোনোবা এখন ঠাইলৈ যাব লাগে। তাতে হেনো সপোনৰ বহুত দায়িত্ব আছে। সেইবাবেই সি নিশাৰ ওচৰলৈ আহিছে -- যাবৰ সময়ত মাতষাৰ লগাবলৈ। তাক হেনো কোনোবাই অনুসৰণ কৰিছে। সি লৰালৰিকৈ যাবলৈ ওলাল।

---"নিশা, মোক একো নোকোৱা?" সি তাইৰ হাতদুখনত ধৰি আৱেগ-বিহ্বল মাতেৰে পুনৰ কৈছিল, "নিশা তুমি মোৰ বাবে অপেক্ষা কৰি থাকিবা। মই তোমাৰ কাষলৈ অতি সোনকালেই আকৌ আহিম।" তাৰ মাতটো থোকাথুকি হৈছিল। তাই সপোনৰ কথাবিলাক নীৰৱে শুনিহে-গৈছে। তাই যেন কিবা এটা হেৰুৱাবলৈ গৈছে। -- "মোক অকণমান আগবঢ়াই নিদিয়া জানো নিশা?" নিশাই সপোনৰ লগত চোতালখনলৈ ওলাই আহিলে। --"সপোন, কুশলে থাকিবা"......তাই আৰু একোৱেই ক'ব নোৱাৰিলে। সপোন আন্ধাৰৰ লগত মিলি গ'ল। তাই মাথোঁ সপোন যোৱাৰ ফালে চাই ৰ'ল। পৰ্দুলিমুৰত বকুলজোপাৰ পৰা কেঁচা চৰাই এজনীয়ে দুবাৰমান শিয়ৰি উঠিল। লৰালৰিকৈ ভিতৰলৈ আহি দৰ্জাখন জপাই দিলে নিশাই। "ভগৱান, সপোনক সহায় কৰিবা।" তাই মনে মনে প্ৰাৰ্থনা কৰিলে। বিছনাখনত বহিছিলহে মাথোঁ। দূৰত কিবা এটা শব্দ শুনি তাই চক্ খাই উঠিল। সেয়া বন্দুকৰ শব্দ নহয়নে? তাইৰ বুকুখন ভয়ত কঁপি উঠিল। সপোনৰ একো হোৱা নাইতো। তাৰ কিছুসময় পিছতে এবাৰনে দুবাৰ দৰ্জাখনত ঢকিওৱাৰ শব্দ হ'ল। দেউতাকে উঠি গৈ দৰ্জাখন খুলি দিলে। কেইজনমান জোৱানে কোনো কথাৰ অৱতাৰণা নকৰাকৈ দেউতাকক গতিয়াই-ভুকুৱাই বাহিৰলৈ উলিয়াই নিলে। দুটামান জোৱানে তাইক টানি আনি গাৰ কাপোৰ-কানিবোৰ আঁজুৰিবলৈ ধৰিলে। নিশাই চিঞৰিবলৈ লোৱাত মুখত সোপামাৰি ধৰি বাহিৰলৈ উলিয়াই নিলে। অৰুণাভে হুকা-বধা কৰাত তাকো মাৰধৰ কৰিলে। তাৰ পাছত কি হৈছিল তাই ক'ব নোৱাৰে। যেতিয়া জ্ঞান ঘূৰাই পাইছিল তেতিয়া তাই মাথোঁ দেখিছিল ... দুচকুত অশ্ৰুৰে ভৰা অৰুণাভৰ কৰুণ মুখখন। সি তাইলৈ চাই আছিল একেৰাহে। গাঁৱৰ দুজনমানে গৈ দেউতাকক আনিলে। সিদিনা সপোনৰ লগৰ এজন সতীৰ্থই আহি খবৰ দিলেহি যে সপোনে লক্ষ্যস্থান পোৱাৰ আগতেই যোৱাৰ পথতেই এক অচিন ৰোগত ভুগি ঢুকাল। নিশাৰ মূৰত স্বৰগ ভাঙি পৰিছিল। তাই কান্দি-কান্দি পাগলৰ দৰে হৈছিল। কন্দাৰ বাহিৰে তাই আৰু কি কৰিব?......

তাই আজিকালি কাকো মাত-বোল নকৰে। চিৰজীৱনৰ বাবে যেন তাই বোবা হৈ গল! বহুদিন আত্মহত্যা কৰাৰ কথা ভাবিছে। কিন্তু নোৱাৰে। দেউতাক আৰু অৰুণাভৰ বাবে। আৰু! আৰু তাই কিয় জীয়াই আছে বাৰু? সপোনৰ স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ। সপোন তাইৰ বাবে সপোন হৈ ৰ'ল। নিশাৰ মাজলৈ সপোন আহিছিল। সি দিয়া গোলাপৰ পাহিবিলাক এতিয়াও আছে। শুকাই যোৱা পাহিবোৰকে তাই সযতনে সাঁচি থৈছে। মাজে মাজে তাই চায়। তাৰ সুবাসবিলাক নাই, কিন্তু মৰহি যোৱা পাপৰিবোৰ আছে। যেনেকৈ সপোন আহিল, গুচি গ'ল। কিন্তু সপোনৰ স্মৃতিবোৰ নগ'ল। সি জীয়াই আছে। সেইয়া স্মৃতি তাইৰ অন্তৰত থাকি যাব। কোনোদিনেই সি হেৰাই নাযায়। এতিয়া যদি তাইৰ কাষত সপোন থাকিলহেঁতেন? অ' সপোন, তুমি বাৰু মোক কিয় ইমান দুখ দিলা? তোমাৰ কাষলৈ মোক লৈ যোৱাচোন!

---"এই মাতু বা, মাতু বা! তই এতিয়ালৈকে বিছনাত পৰিয়েই আছ? আন্ধাৰ হৈ গ'ল। আহ অকমান বাহিৰলৈ ওলাই আহ......।" ভায়েক অৰুণাভৰ মাতত নিশাৰ চিন্তাত যতি পৰিল। এৰা! আন্ধাৰ হ'ল। তাইকো এতিয়া পোহৰতকৈ আন্ধাৰৰহে বেছি প্ৰয়োজন। যোৱাৰ দিনা, সপোনে এনেকুৱা আন্ধাৰকে সাক্ষী কৰি তাইক ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দিছিল। নিশাই মাথোঁ ৰাতিপুৱাবলৈ বাট চাই থাকিল আতি হেঁপাহেৰে...

****

## কবিতা



মিলন নেওগ
স্নাতক, ১ম বৰ্ষ

উকা কাগজখিলাৰ বুকুত
আহি পৰিল এটা শব্দ
ক্ৰমাৎ আৰু এটা
এটা দুটা বহুতো বৰ্ণ
মোৰ কলিজাত ৰঙালী বিহুৰ ঢোলৰ ছেওত
জালুকী পেহীৰ নাচ
চকুৰ আগত উখল মাখল
দ'ৰা আহি পালেহি হ'বলা
(ইয়ে বোলে আইদেউ
সিয়ে বোলে আইদেউ...............)
বহুদিনীয়া প্ৰতীক্ষাৰ অন্তত
কেনেকৈয়ে বিয়াখন পাৰ হৈ গ'ল
আচলতে তুমিও এটা শব্দ
মই হ'লো এটা শব্দৰ অৰ্থ
পৃথিৱীখন উকা কাগজ
বুকুখন বহল
ৰ'দ পৰিলেই তুমি সপোন এটাকে আঁকিবা
চকুত পোহৰ
বুকুত আগোল গোল আশাৰ মেটমৰা ভঁৰাল

---

## অবৈধ



শ্ৰীসমীৰণ দাস
স্নাতক, ১ম বাৰ্ষিক

কুৰিটা বসন্তলৈ ধাপলি মেলা মই এটা গতি
বুকুত এটা সপোন ৰচিছোঁ
নিস্তেজ। ৰসহীন। নিস্তৰঙ্গ।
ৰবিনহঁতকো কৈছোঁ,
সিহঁতে দেখোন ৰৰকৈ হাঁহিছে।
সঁচাকৈ, বতাহ এচাটি অহা যেন মোৰো লাগিছে।

---

## স্মৃতি



শ্ৰীবোধেন বৰা
স্নাতক, ২য় বৰ্ষ(কলা)

স্মৃতিৰ গুহাত বহি কত দিন কত বেলা
ৰচিছিলো জীৱনৰ মধুৰ সপোন!
যাযাবৰী বুৰঞ্জীত সকলো হেৰাই গ'ল
যুগে যুগে ৰূপে ৰূপে গঢ়ে বিভীষিকা
হৃদয়ত জাগিছিল হাজাৰ প্ৰেমৰ ঢৌ
পৃথিৱীৰ মৰম বিচাৰি!
আশাৰ সোণালী দিন পাহাৰৰ সিপাৰে থাকিল
কোনো দিন আৰু সি নাহে উভতি !!
মৰমবোৰো উটি গ'ল যাযাবৰী হ'ল
স্মৃতি মাথোঁ ৰৈ গ'ল
ম্লান হ'ল পুৱতিৰ হাজাৰ কিৰণমালা
বাজি উঠে যন্ত্ৰণাৰ কৰুণ বীণত।
ক্লান্তিৰ পৰশ পৰি জাগৃত হয় আজি
কোনো অতীতৰ সেই উদ্ৰেক কামনা,
স্মৃতিৰ গুহাত আজি বৈ যায় তপত লাভা,
মোৰেই অন্তৰৰ সেই পাগলাদিয়া
জীৱনৰ জীয়া জুই সাঁচতীয়া উমেৰে
থাকি গ'ল মাথোঁ এটি কৰুণ স্মৃতি

---

## মোৰ দুখ

প্ৰৱীণ কুটুম
স্নাতক, ৩য় বৰ্ষ



মোৰ মনৰ গভীৰত
অলেখ সেউজীয়া শব্দৰ আমনি
অথচ লিখিব পৰা নাই
আজি অতদিনে লহপহীয়া
একো একোটা হিৰণ্ময়ী কবিতা
আহত হৃদয় বীণাত মাথোঁ
ৰৈ ৰৈ বাজিছে
নোপোৱা বেদনাৰ এক কৰুণ সুৰ
এতিয়া নীৰৱতাই মোৰ প্ৰিয়
হেৰুৱালো কবিতাৰ শব্দ বৰ্ণ

---

## এজাক ৰূপহী গাভৰুৰ হাঁহি

শ্রীপ্রদীপ কুমাৰ বৰা
*স্নাতক, তৃতীয় বার্ষিক*

প্ৰাণ চঞ্চলা, ৰূপত জেউতি চৰোৱা
গাভৰুজাকে অক্লান্তভাৱে হাঁহিছিল
উদ্দেশ্যবিহীনভাৱে
ৰাজপথৰ আলিয়ে গলিয়ে
সিহঁতৰ ৰূপৰ স্বাধীনতাৰে।।

সিহঁতৰ ৰূপক জঁইয়ে পুৰি ছাঁই কৰিব নোৱাৰে
ধূলিৰ আৱৰণে মলিয়ন কৰিব নোৱাৰে
সিহঁতৰ ৰূপ, সিহঁতৰ হাঁহি

ক্ৰমশঃ

সিহঁত আগবাঢ়ি গৈ আছে কুৰি শতিকালৈ
জনতাৰ মাজত ৰূপৰ আলোড়ন তুলিবলৈ!
অৰণ্যই সিহঁতৰ আশ্ৰয়, দীঘল অজগৰ
সাপ যেন ৰাজআলিয়েই সিহঁতৰ গতিপথ
সিহঁত গৈয়েই আছে
গৈয়েই থাকিব
নিৰ্দিষ্ট প্ৰান্তবিন্দুলৈ
অহৰ্নিশে
যুগে যুগে।



## হে মহান ছহিদ, নমস্কাৰ

শ্রীসমীষ বৰা
*স্নাতক, প্ৰথম বার্ষিক*



হে মহান ছহিদসকল
তোমালোক আছা স্বৰ্গত শুই,
গামালোকৰ গাত জ্বলিছিল
স্বাধীনতাৰ জুই।
তোমালোকে ভয় কৰা নাছিলা
বন্দুকৰ গুলিলৈ,
আগবাঢ়ি আহিছিলা
হাতত পতাকা লৈ।
তোমালোকৰ আদৰ্শ আমি
নিষ্ঠাৰে পালন কৰিম,
তোমালোকৰ আৰ্দশক আমি
শ্ৰদ্ধাৰে সোঁৱৰিম।
হে মহান ছহিদসকল ......



## তুমিয়েই মোক বিপ্লৱী কৰিছিলা

শ্রীমনোজ কুমাৰ ছেত্ৰী
*উচ্চতৰ মাধ্যমিক, ২য় বৰ্ষ*
*(বিজ্ঞান শাখা)*



স্নিগ্ধ ৰ'দালিৰ ৰহনসনা পুৰা পথাৰত
কোৰ মাৰি শিমলুৰ তলত বহি ক্ষন্তেক
জিৰাওঁতে তুমিয়েই মোক জগাইছিলা
ৰাংচালী ৰঙিলী কেতেকী ফুলাৰ বতৰত
আঁহতৰ তলত বহি বাঁহি বজাওঁতে
তুমিয়েই মোক সকিয়াইছিলা
তোমাৰেই সেউজী বুকুত বহি
দিচাং নদীৰ কাষত অভিমান ভাঙোতে
তুমিয়েই মোক শিকাইছিলা
বিপ্লৱৰ আদিবৰ্ণ
বৰ নামঘৰৰ ভেটিত শৰণ ল'বলৈ অহা
বিভিন্ন জাতি-উপজাতিৰ মিলন দেখি তোমাৰেই জানো
আনন্দত বুকুখন ফুলি উঠা নাছিল
আৰু এতিয়া?
তুমিয়েই শোষিত হ'বলৈ ধৰিছা
তোমাৰেই উৰ্বৰা সেউজী পথাৰে অভিমান কৰে
আমাৰ মিলনৰ সাক্ষী সেই দিচাংজনী
আমাৰেই বিচ্ছেদৰ সাক্ষী হ'ব বিচাৰে
আই! মই তোমাক শোষিত হ'বলৈ নিদিওঁ
শোষণকাৰীৰ সেই হাতখন মই কাটি পেলাম
যিখন হাতেৰে সিহঁতে তোমাক লুণ্ঠিত কৰিছে
কাৰণ তুমিয়েই মোক বিপ্লৱী কৰিছিলা।

---





## দুঃসময়ৰ গান

শ্ৰীলক্ষ্যজ্যোতি বৰ কাকতী
*উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক*

এয়া একবিংশ শতিকাৰ দুৱাৰদলিৰ জ্বলন্ত সময়
চাৰিওফালে মাথোঁ
যুদ্ধ, সন্ত্ৰাস, হত্যা আৰু..........।

গুলিৰ শব্দ,
বোমাৰ গৰ্জনত কঁপি উঠে পৃথিৱী
কাণত বাজি উঠে মাথোঁ নিৰ্দোষ জনতাৰ আৰ্তনাদ
বায়ুত বিয়পি পৰে লুণীয়া তেজৰ গোন্ধ।

বাগৰি পৰে শত-সহস্ৰ লোক,
বুলেটৰ নিৰ্মম আঘাতত
নিষ্প্ৰাণ হৈ পৰে বহুতো জীৱন
কিন্তু আকৌ বাজি উঠে ৰণশিঙা।

বন্দুকৰ আঘাতত,
বৃন্তচ্যুত হৈ মৰহি যায় বহুতো কলি
যাৰ বাবে বৈ আছিল এক উজ্জ্বল ভৱিষ্যৎ,
হয়তো সিহঁতে কঢ়িয়াই আনিলেহেঁতেন
একবিংশ শতিকাৰ শান্তিৰ নতুন সুৰুয।

স্বাৰ্থ, লালসা আৰু ষড়যন্ত্ৰৰ বলি হৈ,
মৃত্যুক সাবটি লোৱাজনে প্ৰতিবাদী কণ্ঠেৰে কৈ গৈছে
কিয় বাৰু আমাক লাগে
যুদ্ধ, সন্ত্ৰাস, হত্যা আৰু.............।



## মোৰ স্থিতি

মিনু দুৱৰা
*স্নাতক, ২য় বৰ্ষ (কলা)*

মই বৈ আছোঁ
পলসুৱা এচপৰা মেঘৰ আঁৰত
ওন্দোলাই আছে দিন
মোৰ চৌপাশ আৱৰি
আকাশ — বিশাল আকাশ
ৰিণিকি ৰিণিকি শুনিছোঁ প্ৰথম ব'হাগৰ মাত
আহা বাৰিষাৰ অমল গান
আকাশে বতাহে ফুটাই তোলা
উৰ্বৰা মাটিৰ স্বাদ
উশাহে নিশাহে উজলি উঠক
ভালপোৱা দিনৰ এবুকু জোনাক।



## কলমৰ সংবাদ

জিতু হাজৰিকা
*স্নাতক ২য় বৰ্ষ (কলা)*

হাতত তুলি ল'লেই কলম
অজানিতে কিয় জানো
জ্বলি উঠে দুচকুৰ পতা
শীতৰ মাজতো নামি আহে
ঘামৰ মুকুতামালা

মই পৰি থাকোঁ কেতিয়াবা
হৃদয়ৰ নিভৃত কোণত শুনি শুনি
অজানিতে কোনো এক
নিস্তব্ধ নিশাৰ বাণী

কোনোবা দুৰ্ভগীয়া লাঞ্ছিতা বঞ্চিতাই
দিয়েহি লগাই মোৰ কলমত প্ৰতিবাদৰ জুঁই

কেতিয়াৰ নিজম নিশা
কোনো ছহিদৰ আত্মাই যেন
সপোনতে কৈ যায়
থমকি নৰবি পিছলৈ নাচাবি
জ্বলাই যা জ্বলাই যা
তই তোৰ কলমৰ জুই।



## পোহৰৰ জয়গান

সংগীতা মহন্ত
*উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক*

সমাজৰ দুৰৱস্থাৰ চিত্ৰ চাই
ভাবোঁ মই
আজিৰ মানুহে, বিচাৰিছে কি
মানুহে পাহৰিছে মানৱতাৰ মহামন্ত্ৰ
ভাষা ভিন্ জাতি ভিন্
ভিন্ন হ'লেও দেশৰ মাটি
একেই আমি একেই আমাৰ গান
উশাহে নিশাহে বিচাৰোঁ
পোহৰৰ জয়গান।

# এন্ধাৰত তিনিটা কবিতা

চন্দ্ৰকুমাৰ পাটগিৰি
*স্নাতক, দ্বিতীয় বৰ্ষ*

সিহঁতে কয় --
মই হেনো ক্লীৱ।
পথৰুৱা উঁইচিৰিঙাৰ চিঞৰত
মুখ মেলিব পৰা নাছিলো,
আৰু
মই পিছ লোৱাত
তাই উফাল মাৰিছিল
তেতিয়া মোক এন্ধাৰে শালিছিল।

..................হুৰুষ্‌কৈ ---------
সাঁকোডাল ভাগি পৰাত
জোনটো এন্ধাৰতে হেৰাল
আৰু
তাই গা-উদঙাই গোপনে
ব্যাভিচাৰিণী হৈছিল ;
তেতিয়া তাত কোনো নাছিল।

হিয়া উদঙাই মনটো নাঙঠ কৰিলো।
মানুহমুৱা হ'বলৈ শিকাৰে পৰাই
তাই মনে মনে আছিল,
আৰু
এন্ধাৰৰ বিমুখিতাত
মই পলাই গুচি আহিলো।





# সাক্ষী

কুশল দাস
*স্নাতক, দ্বিতীয় বৰ্ষ*

দেখা পাই কিয় বা লুকালা,
মনিটে যে সুলকি পৰিল ?
আঁচলৰ আগটিতে লাগি
ফুলৰো যে পাহিটি সৰিল

নেভাবিবা তুমি গুচি গ'লে
চিন তাৰ একো নাথাকিব
তুমি আজি আহিছিলা বুলি
কেৱে তাৰ প্ৰমাণ নিদিব ?

এতিয়াও দূবৰিডৰাত
পৰি আছে চৰণৰ চাব,
এতিয়াও পখিলা শাৰীৰ
কিবা এটা আমোলন ভাব।

এতিয়াও গছৰ পাতত --
লাগি আছে তোমাৰ উশাহ
এতিয়াও তোমাৰ সুবাসে
আন্ধাৰক কৰে উপহাস

এতিয়াও লাজুকী বনৰ
গুচা নাই কুঁচি-মুচি ভাব
এতিয়াও মৌ-মাখিবোৰে
অহৰ্নিশে কঢ়িয়াই ফুলৰ সুবাস।

এতিয়াও তোমাৰ গানৰ
হোৱা নাই প্ৰতিধ্বনি শেষ,
এতিয়াও নিৰলে পখিটি
গীত গাই তন্দ্ৰাত আৱেশ
কেনিবাদি তৰাটিয়ে আজি
ইয়াতহে আছেহি লুকাই,
তোমাৰহে বাতৰি প্ৰচাৰি
আকাশত জ্বলিব দুনাই।।

## সাপ

দুলেন বৰা
স্নাতক, ২য় বৰ্ষ

চম্পাৱতী মোক তই হৰাই দিলি
(হুৰ হুৰ বটা চৰাই, মোৰ ধান নাখাবি........)
মোক তই হৰাই দিলি
গৈছিলো কতবাৰ তৰা-নৰা ছিঙি
পেটৰ তাড়নাত যোৱাবাৰ মৰিল মোৰ পেটৰ সন্তান
জান জানো তই
আকৌ ধাৰণ কৰিলো গৰ্ভত সন্তান
এইবাৰ গ'লো মই চুপে-চাপে
পূৰ্বৰ নৰাফলা বাটে বাটে
এইবাৰ ভূমিস্থ হোৱা মোৰ বুকুৰ সন্তান
একো একোটা শ্ৰমিকৰ দল
মাটিৰ লগত মিলি যায় দেহৰ বৰণ
কালান্তক ইহঁতৰ ঢং
কোনে কাক আনি দিব
তেজপিয়া দলক গোটা কৰাই
চম্পাৱতী তোক মই হৰাই দিলো
তোক মই হৰাই দিলো
মোৰ পথাৰত জহাধানে আমোলমোলায়।

## আহা জিমি আহা

ৰানা ভূঞা
স্নাতক, ২য় বৰ্ষ
(বিজ্ঞান শাখা)

দুঃস্বপ্নৰ মাজৰ এটি স্বপ্ন
নিজৰাটোৰ সিটো পাৰে পতা আছে ৰহঘৰা
উলাহ-অধিৰা তাৰ চৌদিশ চৌপাশ



জিমি আহা --
তালৈকে যাওঁ
পোৱা নোপোৱাৰ হিচাপ লওঁ
এফাকি কবিতা আওৰাওঁ
শব্দ শুনি ভয় নাখাবা
কালক্ষণ ক্ষন্তেকীয়া
কিছুপৰ ৰোৱা
কুলু কুলু কোনে গাইছে গীত
শাৰী পাতি আহি আছে বৰ্ষা
মাটিত ফুটিব অমৃত



## মই উজাগৰে আছোঁ

পৰাগজ্যোতি বৰুৱা
স্নাতক, ২য় বৰ্ষ (কলা শাখা)

The body is in Jail
But the spirit never
For the great cause to prevail
Let the spirit soar, higher.
*(Ho Chi-Minh)*

যদিওবা তোমালোকে মোক
কাৰাগাৰৰ কয়দী কৰি ৰাখিছাঁ
মই লগ পোৱা নাই এচাটি মুকলি বতাহ
তথাপি মই বেলিৰ ৰং পাহৰা নাই
মোৰ অপৰাধ--মানুহক ভাল পাওঁ
মোৰ প্ৰেমত জ্বলে মানুহৰ অতুল গৰিমা

সেই অপৰাধৰ সূত্ৰ মোৰ পিতৃ পিতামহে
কাহানিও শুনি যোৱা নাই
সেয়ে আজি মোৰ বন্দীত্বই হাৰ মনা নাই
কেৱল কৈ থওঁ
হে তেজপিয়া দানৱৰ দল
তোমালোকৰ শেষ ক'ত তোমালোকে নাজানা
প্ৰেমৰ মন্ত্ৰ শিকা
হিয়া মন উদঙাই
পিন্ধি লোৱা মানৱতাৰ খনীয়া সাজ।





## বাঁহী

বংশী বৰা
*প্ৰাক্তন ছাত্ৰ*

এখনি নৈ
শব্দময়ী
তৰঙ্গময়ী... ...
ৰূপোৱালী নৈখনেই সুৰ,
কণ্ঠৰ নাম এখন সুৱীয়া নৈ
জোনটি নামি আহে বকুলজুপিলৈ
সুৰহে
আৰু
সুৰৰ বেহাৰে বকুল ফুলীয়া এটি গধূলি।

তৰ্ক প্ৰতিযোগিতাৰ সভাত ঘোষণা কৰিলে শিশুটিয়ে —
'শান্তিৰ বাবেই যুদ্ধৰ প্ৰয়োজন'
গধূলি-গোপাল ফুলপাহিয়ে ক'লে —
'সৃষ্টিৰ আধাৰ ৰঙা ৰং'
পৃথিৱী ওপচাই বৰষুণজাকে সোঁৱৰালে —
'এজাক বৰষুণৰ খাতিৰত এজাক বৰষুণ লাগে'
সুহুৰিয়াই সুহুৰিয়াই সন্ধিয়াৰ বতাহজাকে কৈ গ'ল
'পুৰাতো আহিবই'
মধুপুৰৰ বাঁহীটিয়ে ক'লে —
'হিয়াখনিৰ বাবেই এটি বাঁহী'
জীৱনৰ বাবে সুৰ
বাঁহী বাজক, ৰ'দৰ বাঁহী।



## মোৰ সোণৰ পক্ষীজনী

শ্ৰীদ্ৰোণ কাকতি
*প্ৰাক্তন ছাত্ৰ*

কৰ্ষণভূমি যিমানেই দুৰ্গম নহওক কিয়
মই তাত বীজ সিঁচিমেই।
কেতিয়াবা অতি ধীৰে ধীৰে
কেতিয়াবা দ্ৰুতগতিৰে
সাঁকো বগুৱা বাই —
মই এয়া প্ৰেমৰ ছবি চাইছোঁ
লাডু লাডু নিৰ্মল সোণৰ
টোপোলা সামৰিছোঁ।
মোৰ খোজে প্ৰতি গতিৰোধক ফলক
পদতলতেই ন' এনুট্ৰি
চিৰিয়াখানাত বন্দী কৰি ৰাখিব খুজিলেও
মোৰ সোণৰ পক্ষীজনী
নিজৰ বাঁহতেই থাকে।
অক্টোপাছবোৰে কেতিয়াবা গালৈকে আহি
প্ৰশ্ন কৰে —
তুমি কি বুটলিছা? তুমি??
আত্মতৃপ্তিত মই মাথোঁ হাঁহোঁ
মই যে দোকমোকালিতে উঠিও
আধাৰশিলা স্থাপনৰ বাবে বিচাৰি নাপালো
প্ৰাণখচিত এচপৰা ভূমি।



## সময় দুঃসময়

প্ৰাঞ্জলপ্ৰতিম গোস্বামী
*স্নাতক, প্ৰথম বৰ্ষ*

দুবৰিৰ পাতে পাতে
ফিৰিঙতিৰ তাণ্ডৱ
মাটিত গোট মাৰি
থোপাথোপে তেজ আৰু চকুলোৰ কৰাল
তথাপি হে সময়
তুমি গৰ্জি উঠা
সৌৱা মাউখে উটা মানুহ
শাৰী শাৰী সমদল
বতাহত চৰাইৰ মাতৰ দৰে সুৰ
পোখা মেলি ৰ'দৰ আকাশ।



কর্মৰত অৱস্থাত অধ্যক্ষ মাননীয় শ্ৰীযুত গজেন বৰুৱা

# অশ্রু অঞ্জলী

ছয়দুৱাৰ মহাবিদ্যালয়ৰ
শিক্ষাগুৰু সকলৰ মাজৰ পৰা
অজানিতে হেৰাই যোৱা
৺পূৰৱী দত্ত বৰুৱা বাইদেউলৈ
মহাবিদ্যালয়ৰ তৰফৰ পৰা
শ্ৰদ্ধাঞ্জলি জনাইছো। যাতে
বাইদেউৰ স্মৃতি আমাৰ মাজৰ
পৰা কেতিয়াওঁ আঁতৰি নাযায়।





৺ মঞ্জু মৃদৈ
জন্ম ঃ ২৩-২-৮০
মৃত্যু ঃ ২৩-২-৯৯

আমাৰ মাজৰ পৰা অকালতে আঁতৰি
যোৱা মহাবিদ্যালয়ৰ ছাত্ৰী
**"মঞ্জু মৃদৈ।"**
এওঁক ছয়দুৱাৰ মহাবিদ্যালয়ৰ
অধ্যাপক / অধ্যাপিকা, কৰ্মীবৃন্দ আৰু
সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে
শ্ৰদ্ধাৰে সুঁৱৰিছো।



ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যাপক / অধ্যাপিকা সকলৰ একাংশ



ছয়দুৱাৰ মহাবিদ্যালয়ৰ কৰ্মীবৃন্দৰ একাংশ

## ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তা সকলৰ একাংশ



বহি বাওঁফালৰ পৰা ঃ (১) শ্ৰীদেবেন গগৈ (উপসভাপতি) (২) শ্ৰীযুত অচ্যুতানন্দ দেৱগোস্বামী (সভাপতি) (৩) শ্ৰীযুত গজেন বৰুৱা (অধ্যক্ষ) (৪) শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা (সাঃ সম্পাদিকা) (৫) শ্ৰীশ্যামন্ত ভূএগ্ৰা (আলোচনী সম্পাদক)।

থিয়হৈ বাওঁফালৰ পৰা ঃ (১) শ্ৰীৰাজু শৰ্মা (সঃ ছাত্ৰ জিঃ কোঠা) (২) শ্ৰীহৰেণ শইকীয়া (সঃ উঃ বিভাগ) (৩) শ্ৰীনৱজ্যোতি বৰা (সঃ সাঃ সম্পাদক) (৪) শ্ৰীচন্দন বৰুৱা (আঃ ক্ৰীঃ বিভাগ) (৫) শ্ৰীজনতা কাৰ্ডং (সঃ বঃ ক্ৰিঃ বিভাগ) (৬) শ্ৰীমতী এলিনা মটক (ছাঃ জিঃ কোঠা) (৭) শ্ৰীমতী চুমি বৰঠাকুৰ (সঃ বিঃ বিভাগ)।

ফটোত অনুপস্থিত ঃ শ্ৰীশৰৎ হাজৰিকা (সঃ সেঃ বিভাগ), শ্ৰীতুলসী বৰা (শঃ চঃ বিভাগ), শ্ৰীৰবিন হাজৰিকা (কৃঃ বিভাগ)

## সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা ঃ (১) শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা (সাঃ সম্পাদিকা) (২) শ্ৰীযুত খগেন গোস্বামী (উপদেষ্টা) (৩) শ্ৰীযুত মাধব বৰা (তত্বাবধায়ক) (৪) শ্ৰীশ্যামন্ত ভূএগ্ৰা (আলোচনী সম্পাদক)।

থিয়হৈ বাওঁফালৰ পৰা ঃ (১) শ্ৰীদুলেন বৰা (২) শ্ৰীমতী চুমি বৰঠাকুৰ (৩) শ্ৰীপদ্ম দলে।



এন. চি. চি. অফিচাৰ কেপ্টেইন জগন্নাথ উপাধ্যায়ৰ সৈতে মহাবিদ্যালয়ৰ এন. চি. চি. কেডেটসকলৰ একাংশ

## ছয়দুৱাৰ মহাবিদ্যালয়ৰ সাহিত্যচ'ৰা প্ৰস্তুত কৰোতাসকল



বহি বাওঁফালৰ পৰা ঃ (১) শ্ৰীশ্যামন্ত ভূঞা (২) শ্ৰীযুত খগেন গোস্বামী (প্ৰবক্তা) (৩) শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা (৪) শ্ৰীপদ্ম দলে।



**শ্ৰীযুত মানিক চন্দ্ৰ গগৈ**
তত্বাবধায়ক
আলোচনী বিভাগ



*অসমৰ বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰী ক্ৰমে* **শ্ৰীমতী চুমী বৰঠাকুৰ আৰু শ্ৰীমতী ৰ'জিৰাণী শৰ্মা।**



শ্ৰেষ্ঠ নাট্যদল ঃ *A Political Dream* নাট্যকাৰ পংকজ জ্যোতি ভূঞা।
অভিনয়ত ঃ বাওঁফালৰপৰা ক্ৰমে *শ্ৰীসীমান্ত বৰুৱা, শ্ৰীলীনা শইকীয়া (২য় শ্ৰেষ্ঠা অভিনেত্ৰী), শ্ৰীতিলক দিহিঙীয়া (পৰিচালক)*। ফটোত অনুপস্থিত ঃ *শ্ৰীমাধৱ বৰুৱা*

## মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীমতী লীনা শইকীয়া
শ্ৰেষ্ঠা বেড্‌মিণ্টন খেলুৱৈ



শ্ৰীচন্দ্ৰ কুমাৰ পাটগিৰি
শ্ৰেষ্ঠ গায়ক, ১৯৯৮-৯৯ বৰ্ষ



শ্ৰীপংকজ হাজৰিকা
শ্ৰেষ্ঠ তবলাবাদক
শ্ৰেষ্ঠ অভিনেতা (দ্বিতীয়)



শ্ৰীমতী মিনাক্ষী গগৈ
শ্ৰেষ্ঠ কেৰম প্ৰতিযোগী
(একক), ১৯৯৯



শ্ৰীমৃদুল বৰা, দুদু গোস্বামী
শ্ৰেষ্ঠ কেৰম প্ৰতিযোগী



শ্ৰীপংকজ গোস্বামী
শ্ৰেষ্ঠ বেড্‌মিণ্টন খেলুৱৈ



শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা
চতুৰ্থ বছৰৰ বাবে
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা তাৰ্কিক



শ্ৰীৰাজীৱ বসুমতাৰী
শ্ৰেষ্ঠ কেডেট



শ্ৰীসীমান্ত বৰুৱা
শ্ৰেষ্ঠ ভাৰ উত্তোলক

## মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীসমীৰণ দাস
শ্ৰেষ্ঠ অভিনেতা



শ্ৰীদিগন্ত বৰমুদৈ
শ্ৰেষ্ঠ দবা খেলুৱৈ



শ্ৰীমতী ৰুণি বৰা
শ্ৰেষ্ঠা দবা খেলুৱৈ (ছোঃ)



শ্ৰীবীৰেন গগৈ
শ্ৰেষ্ঠ পাঞ্জা খেলুৱৈ



শ্ৰীনিলোৎপল বৰা
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীমতী ৰ'জিৰাণী শৰ্মা
বছৰৰ শ্ৰেষ্ঠা সাহিত্য
প্ৰতিযোগী



শ্ৰীৰুবুল বৰা
শ্ৰেষ্ঠ ভেশচন প্ৰতিযোগী



শ্ৰীখগেন হ্নন্দিকৈ
শ্ৰেষ্ঠ সমাজসেৱক

আৰু



শ্ৰীযাদব কেওঁট
শ্ৰেষ্ঠ সমাজসেৱক

# শ্ৰদ্ধেয় চৈয়দ আব্দুল মালিকৰ লগত ইটো-সিটো আৰু এখন্তেক আলাপ

*ৰবিবাৰ। হয় দেওবাৰেই হ'ব। মনটোত উগুল-থুগুল লাগি আছে। মাজে মাজে লুইতৰ দৰে বিশাল হৈ পৰে মনটো। বাৰিষা সময়। হিমৃহিমীয়া বৰষুণত তিতি ভৰা লুইতৰ বুকুৰেদি নাৱেৰে পাৰ হৈ সিপাৰ পামগৈ। ঠিক কৰি থোৱা দিনটো পালেহিয়েই দেখোন। আজি শনিবাৰ। আৰু মাথোন কেইটামান ঘণ্টাহে বাকী আছে। এইয়া সময়ৰ জোখ। ভয়, উৎকণ্ঠা, আনন্দময়, বেদনাময় এটা অবৰ্ণনীয় অৱস্থা। ক'ৰবাত কেতিয়াবা পঢ়া মনত পৰে অসমীয়া লেখকসকলে আনক লগ দিব নোখোজে, দিব খুজিলেও মনত কষ্ট পোৱা যেন.....। কিন্তু হয় জানো? আমাৰ চকুত তেওঁ যে জীৱন্ধৰী মণি। ভাবি ভাবি গৈ আছোঁ। ঘৰুৱাভাৱে দুষাৰ কথা পাতিম। ভৰিৰ পৰা মূৰলৈকে মানুহজন চাম। হিয়া উজাৰি আশীৰ্বাদ দিব। পামনে বাৰু লগ, মানুহজনক পাব পাৰিমনে?*

*যোৰহাট নগৰ। হাতত থকা ঠিকনা মতে ঘৰটো পালোগৈ। আগতে জানো কোৱা নাছিল 'ঘৰতে থাকিম, তুমি যাবা।' এতিয়া মানুহজন ঘৰত নাই। ডিঙিটো শুকাই গ'ল নেকি? উশাহটো একা। ক্ষন্তেক নীৰৱতা। হঠাৎ কোনে আহি কি ক'লেহি। 'শংকৰদেৱ বটা' লৈ ঘৰ অভিমুখে আহি আছে। অলপতে পাবহিয়েই। উৎফুল্লিত হৈ উঠিলো। হয় পালেহি। চাবি কুৰিৰ ডেওনা পাৰ হোৱা বয়সিয়াল মানুহজন ভাগৱত অৱশ। মালিক ছাৰ। কাৰোবাৰ ৰবদেউতা, কাৰোবাৰ ককা। সকলোৰে পূজনীয়। আমাৰ চিনাকি চৈয়দ আব্দুল মালিক। তেওঁ আহি আমাৰ কাষ পালেহি। ক্লান্ত দেহাটিৰ মাজেদিয়েই দেখা পালো মানুহজনৰ অদ্ভুত প্ৰাণশক্তি। ৰ লাগি চালো। মানুহ নহয় দেৱতা।*

**প্ৰশ্ন ঃ** আপুনি আমাৰ সাহিত্যৰ এগৰাকী অতি উজ্জ্বল লেখক। আপোনাৰ লৈ আমি ধন্য, আপোনাৰ সাহিত্য সৃষ্টিৰ আৰম্ভণিৰ বিষয়ে দু-আষাৰমান ক'বনে?

**উত্তৰ ঃ** অন্য স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দৰেই অধ্যয়ন কৰিছিলো। মই দেৰগাঁও হাইস্কুলত সংস্কৃত পঢ়িছিলো, তাত মই ইডুকেচন আৰু পাৰ্চিয়ান দুয়োটা বিষয়ত লেটাৰ পালো। তাৰ পাছত মই যোৰহাট কলেজত নাম লগালো। তাত কিন্তু তেতিয়া পাৰ্চিয়ান পঢ়াৰ সুবিধা নাছিল। অন্য বিষয় লৈ মই আই.এ. পাছ কৰিলো। তাৰ পাছত মই গুৱাহাটী কটন কলেজলৈ গ'লো। তাত বি.এ.ত ইংৰাজীত অনাৰ্চ লৈ বি.এ. পাছ কৰিলো। লগে লগে মোৰ পঢ়া তো নহ'লেই, মাজতে কেইবাবছৰো পাৰ হৈ গ'ল। আৰু তেতিয়া দ্বিতীয় সহাসমৰ হ'ল আৰু মই সেইবোৰ চাকৰি-বাকৰি শেষ হোৱাৰ পাছত আৰু মই ১৯৪৯ চনত ৰেডিঅ'ত কাম কৰি আছিলো আৰু সেই চাকৰি গ'ল যেতিয়া অন্য এখন হাইস্কুলত মাষ্টৰী কৰিছিলো। ইয়াৰ উপৰিও অন্য এখনত হেড মাষ্টৰ কৰিছিলো। তেতিয়া মই কলিকতা ইউনিভাৰছিটিৰ পৰা অসমীয়াত এম.এ. পাছ কৰিছিলো। এইখিনিয়েই মোৰ শিক্ষাৰ কথা। এইখিনি সময়ৰ ভিতৰত যোৰহাট গৰৰ্ণমেন্ট হাইস্কুলত থকা (১৯৩৫ চনত) তেতিয়াৰ পৰাই মই লিখিবলৈ আৰম্ভ কৰিছিলো। আৰু তেতিয়া কবিতা, চুটিগল্প এনেকুৱা ধৰণৰ লিখিছোঁ আৰু কলেজলৈ গ'লত পঢ়িব নোৱাৰিলেও সুবিধা পালো অন্যান্য ভাষা-সাহিত্য আৰু সেই কাৰণে কলেজত থাকোঁতেও মই লিখিবলৈ ল'লো। আৰু ইংৰাজীত অনাৰ্চ লৈ মই যেতিয়া কটন কলেজত পঢ়িছোঁ তেতিয়াও ইংৰাজী সাহিত্য বা অন্যান্য সাহিত্য বা নিজে নিজে অনুবাদ কৰা অন্য সাহিত্য সেইবোৰো অধ্যয়ন কৰিবলৈ সুবিধা পালো। আৰু মোৰ আশ-পাশৰ যিবোৰ ঘটনা সেইবোৰ চকুৰে দেখিলো আৰু অসমীয়া প্ৰখ্যাত সাহিত্যিকসকল, তেওঁলোকে যিবোৰ লিখিছিল সেইবিলাকেও প্ৰেৰণা দিছিল। এইবিলাককে লৈ মই তেতিয়াৰ পৰা সাহিত্য চৰ্চাত লাগিলো। আৰু সেইটো অৱশ্যে মোৰ বাধ্যতামূলক কথা নাছিল। মোৰ যেতিয়াই মনত কিবা এটাই খেলায় আৰু মোৰ লিখিবলৈ মন যায় তেতিয়াই মই লিখোঁ।

**প্ৰশ্ন ঃ কবি, ঔপন্যাসিক আৰু পৈণত কথাশিল্পী হিচাপে আপুনি সৰ্বজনবিদিত। সাহিত্যৰ এই বিভাগকেইটাৰ প্ৰতি আপোনাৰ দুৰ্বলতা অধিক নেকি?**

**উত্তৰ ঃ** দুৰ্বলতাৰ প্ৰশ্ন নাই, যেতিয়াই মই কিবা এটা লিখাৰ উপযুক্ত বিষয়বস্তু বিচাৰি পাওঁ তেতিয়া সেইটো

যিটো মাধ্যমতে লিখি প্ৰকাশ কৰিব পাৰি সেই মাধ্যমতে মই লিখোঁ। মই কবিতা লিখোঁ! কেতিয়াবা গল্প, উপন্যাস, প্ৰবন্ধ তেতিয়াৰ পৰা তেনেকৈ আৰম্ভ কৰিছিলো, আৰু মই ভালেমান কবিতাও লিখিছিলো সেই সময়ত সেই এটা ৰোমান্টিক চিন্তাধাৰা আৰু ভাষাও সেইদৰে কোমল, গতিকে আমাৰ বহুতো সাহিত্য সমালোচকে মোৰ বিষয়ে কয় মই আচলতে গদ্য লেখক নহয় মই এজন কবিহে, কিন্তু কবিতা লিখি থাকোঁ যদিও চুটিগল্প, উপন্যাস আৰু হাস্যৰসৰ প্ৰবন্ধ এইবিলাকতেই বেছি গুৰুত্ব দিওঁ।

**প্ৰশ্ন ঃ এজন দায়বদ্ধ লিখকৰূপে আপোনাৰ দায়বদ্ধতা প্ৰধানতঃ সমাজৰ ওচৰতনে, মানুহৰ ওচৰত বুলি বিবেচনা কৰে?**

**উত্তৰ ঃ** দায়বদ্ধ মানে প্ৰত্যেকজন লিখকেই দায়বদ্ধ। পৃথিৱীত এটা ঘটনা ঘটি আছে মানুহে তাৰ মাজেদি চলি আছে। গতিকে সেই ঘটি থকা ঘটনাকেই যে লিখিব লাগিব তেনেকুৱা কোনো বাধ্যতামূলক কথা নাই নহয়, গতিকে যিসকলে অনুভৱ কৰে যিহেতু মই লিখাৰ মাধ্যমেৰে সৈতে মই আপোনাৰ আগত দাঙি ধৰিব খুজিছোঁ, গতিকে মই এইটো লিখিবই লাগিব কোনটো মাধ্যমত লিখিব, বিষয়বস্তুটো কেনেকুৱা, আজি ডাঙৰ কাহিনী এটা লিখিব লাগিলে সেইটো চুটিগল্পত নোৱাৰি, উপন্যাসত পাৰি আৰু অলপ কথাৰ ভিতৰত বিশেষ কথা ক'ব খুজিলে সেইটো উপন্যাসত নোৱাৰি, চুটিগল্পত পাৰি। আৰু আমাৰ ভাবানুভূতিবিলাক কবিতাৰ যোগেদিয়েই লিখি উলিওৱা হয়। সেই কাৰণে ইয়াত প্ৰকৃত পক্ষে কাৰো ওচৰত এইটো বাধ্যতামূলক কথা নহয়। কোনোবাই জোৰ কৰি তৰোৱাল দেখুৱাই ক'ব নোৱাৰে তুমি লিখিবই লাগিব, সেইবুলি তৰোৱাল দেখুৱাইতো লিখাব নোৱাৰে গতিকে যি অনুভৱ কৰে বস্তুটো ৰাইজক জনাব লাগে লিখনিৰ মাজেদি আৰু সেইটো কৰিবৰ কাৰণে নিজে নিজে তাৰ কাৰণে দায়িত্ববোধ অনুভৱ কৰোঁ আৰু সেই দায়িত্ববোধক ৰূপ দিবৰ কাৰণে কোনটো মাধ্যমত হ'ব সেইটো নিজে ঠিক কৰি লয়। সেইদৰেই লিখে।

**প্ৰশ্ন ঃ মানুহ আৰু পৃথিৱী আপোনাৰ দৃষ্টিত কোনটো বেছি আকৰ্ষণীয়?**

**উত্তৰ ঃ** কথা হৈছে যে আমি পৃথিৱীৰ প্ৰাণী। পৃথিৱীৰ বুকুত জন্ম লৈছোঁ। সি মৰুভূমিয়েই হওক বা সি ছাহাৰা, ছাইবেৰিয়াই হওক, কি পৰ্বতৰ ওপৰৰ শৃংগই হওক, মানুহৰ য'তেই জীৱিকাৰ উপায় আছে মানুহ তালৈকে যায়। আৰু তাতে থাকি তেওঁলোকে জীৱিকা অৰ্জনৰ বেলেগ বেলেগ পন্থা অৱলম্বন কৰিব লগা হয়। আৰু সেইটো কৰোঁতে তেওঁলোকে কিছুমান নীতি-নিয়ম মানিব লগা হয়, আৰু সেই নীতি-নিয়মবোৰ ৰূপান্তৰিত কৰা হয়। সেই কাৰণে মানুহৰ আটাইতকৈ আপোন হৈছে মানুহ আৰু মানুহ কোনে কেনেকৈ চলিছে, কোন দাৰিদ্ৰ্যৰ মাজেদি গৈছে, কোন আনন্দৰ মাজেদি গৈছে, কোন সংগ্ৰামৰ মাজেদি গৈছে সেই কথাবিলাক এজন লিখক হিচাপে বুজিবলৈ চেষ্টা কৰিব লাগে। আৰু পৃথিৱীখনৰ লগত মানুহৰ কি সম্পৰ্ক সেইটো তেওঁ ব্যাখ্যা কৰি চাই এটা ৰূপ দিবলৈ চেষ্টা কৰিব লাগে।

**প্ৰশ্ন ঃ আপুনি এজন দায়িত্বশীল অভিভাৱক হিচাপে এই মুহূৰ্তত আঙুলি টোঁৱাই আমাক (ছাত্ৰ সমাজক) কিবা ক'ব লগা হ'লে কি বুলি ক'ব?**

**উত্তৰ ঃ** মই স্কুলত শিক্ষকতা কৰিছিলো। কলেজতে মই ২৫-২৬ বছৰ অধ্যাপনা কৰিছিলো। তাৰ পিছতে ছাত্ৰ-ছাত্ৰী বা শিক্ষা বিষয়ৰ লগত মোৰ সম্পৰ্ক আছিল। এটা কথা হৈছে কি আমি ছাত্ৰই হওঁ বা শিক্ষাৰ্থী বা বিদ্যাৰ্থী যিয়েই নহওঁ, এজন দায়িত্বশীল আৰু এজন সচেতন অভিভাৱকৰ কথা হ'ল সেই মানৰ শিশুক মানুহ হিচাপে গঢ়ি তুলিবলৈ যি ব্যৱস্থা গঢ়ি তুলিব লাগে সেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম। আৰু তাৰ কাৰণে বাধা-নিষেধ, যি ক্ষেত্ৰত যি ব্যৱহাৰ হয় সেইখিনি দেখুৱাব লগা হয়, বুজাব লগা হয়। আৰু সেইটো যাতে ছাত্ৰ-ছাত্ৰীসকলে, যুৱক-যুৱতীসকলে মানি লয়, অনুসৰণ কৰে, যুক্তিযুক্ততা বিচাৰি পায় সেইটোৰ কাৰণে চেষ্টা কৰিব লাগে আৰু পৃথিৱীৰ সকলো ছাত্ৰ-ছাত্ৰীকেই আমাৰ সন্তান বুলিয়েই ধৰি লৈছোঁ আৰু তাৰ কাৰণে আমাৰ যি দায়িত্ব আছে, তাক আমি পালন কৰিব লাগে।

**প্ৰশ্ন ঃ অসমীয়া ভাষাৰ উপৰিও আন ভাৰতীয় কেইটা ভাষাৰ ওপৰত আপোনাৰ দখল আছে?**

***– Jerry Walker.***

**Collected by**
***Dhrubajyoti Borah***

# BEING WITH YOU

**Shri Dilip Chetry**
*Chaiduar College, Gohpur*
*B.A. 1st year (Arts)*

Life can be hard –
but with you by my side,
life is fun.
To live can be tiring –
but with you by my side,
life is an adventure.
Life often brings miseries –
but with you by my side,
each day a new experience.
Living without you is to exist
without living
But live I must, for my very
Life is you.



# THANK YOU

**Shri Bhuban Saikia**
*Ex-Magazine Secretary,*
*Chaiduar College.*

While, life for me seemed meaningless
I was a man of aimless
lost the strength of mind
Ended in smoke the hopes N aspirations
Saw nothing other than despair
No way to console my heart
swimming thus in the river of sorrow
You like the messanger of Luv N peace
Came to my life rather unexpectedly
Showed me the real path of life
Taught me many unknown things
Loved N guided me selflessly
Stood by me in weal N woe
And gave me inspirations
To lead a happy N prosperous life
Oh ! how much to 'U' I owe
But nothing to give 'U'
Other than thanks N assurance
That I shall never forget you.

*(Dedicated to the students of my tutorial centre)*



# MY MOM AND AN A.K.-47

**Mr. Krishna Narayan Das**
*B.Sc. Third year*

I need a rifle A.K.-47
To build my Assam a new heaven.
I am to hunt some animals
The supreme creation of Godman.
They are the most corrupted and selfish
persons
It is most painful for me to beg their
pardon.
O' my Mom dear Assam, please give force –
and energy,
To make your fluffy foes bloody.
I am ready to visit the valley of death
To fight, to kill and dance upon the death;
This white warm of cunning beasts.
Though dangers enterprise, but he sanc
your child can meet.
You will see, everybody will pull
A faithful life witness a world in pearful.
So, oh ! my greten 'Mom' no time for me
I need the life soon, to complete my deed.
And your sweet blessing, see,
makes me more skilled.





## HOPE

**Shri Piush Narzary**
*T.D.C. 1st year (Arts)*

Hope, thou hast told me lies day after day,
For more than twenty years, vile promiser
None here is happy, but the very fool,
Or very wise : I am not fool enough
To smile in the vanities, and hug a shadow,
Nor have I wisdom to elaborate
An artificial happiness from pains,
Ev'n joys are pains, because they can't last
How many lift the head look gay and smile,
Against their consciences? and this we know,
Yet knowing, disbelieve and try again
What we have tried and struggle with conviction.
When I consider life, 'tis all a cheat,
Yet, fool'd with hope, men favour the deceit,
Trust on, and think tomorrow will repay –
Tomorrow's falser than the former day;
Lies more, and while it says we shall be blessed
With some new joys, cuts off what we poss'd.
Strange cozenage none would live part years again.
Yet all hope pleasure in what yet remain,
And from the dregs of life think to receive
What the first sprightly running could not give
I'm tired with waiting for this chymic gold,
Which fools us young and makes beggers when old.



## I LOVE YOU

**Rajib Basumatary**
*T.D.C. 1st year*

I love you
Not only for what you have
Made of yourself
But what you're bonnie of me.
I love you
Because you're so beautiful and calm
With your long hair and lovely face
That you're my so dearer.
I love you
That so calmly looking you're
Ecstasy with your beauty
You stand smiling in my heart.
I love you
Because you're the one
Who can control my heart
And dominate my intoxicating mind
With your melodic voice.
I love you
Oh ! my darling
Your portrait is floating in my eyes
Your name is always in my heart
With you in my coloured dream.
No more to you at this moment
Lack of word; I always think of you
Every step in the way and
I have to say with very longing
'I LOVE YOU'



# উপ-সভাপতিৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰাক্-মুহূৰ্তত, আই মাতৃৰ অস্তিত্ব ৰক্ষাৰ হকে যিসকল বীৰ-বীৰাঙ্গনাই প্ৰাণ বিসৰ্জন দিছিল, সেইসকল শ্বহীদ বীৰক মই মোৰ অশ্ৰু অঞ্জলি ও শত শত প্ৰণিপাত জনাইছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ সংসদৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰালে তেখেতসকলৰ ওচৰত মই চিৰঋণী।

যেনেদৰে শীত যোৱাৰ পাছত বসন্ত আহে, ঠিক তেনেদৰে আমিও এই মহাবিদ্যালয়ৰ ছাত্ৰ সংসদলৈ নিৰ্বাচিত হৈ অশেষ মনৰ কল্পনাৰে এদিন আহিছিলো। মহাবিদ্যালয়ৰ বহুতো সমস্যা আমাৰ দিনতে সমাধান কৰিম বুলি মনস্থ কৰিছিলো। কিন্তু শেষত দেখিলো এই মহাবিদ্যালয়খনৰ সমস্যাৰ শেষ নাই। এটাৰ কথা ভাবিলে অন্যটোৱে মুৰ দাঙি উঠে। তথাপিও আমি মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ সমস্যাৰ ওপৰত অধ্যক্ষৰ লগত আলোচনা কৰিছিলো। তাৰে কেইটামান সমাধান হ'ল – আমাৰ মহাবিদ্যালয়ৰ এটি স্থায়ী প্ৰেক্ষাগৃহৰ বৰ আৱশ্যক আছিল। সেয়েহে আমি পুৰণা প্ৰেক্ষাগৃহটি মেৰামতি কৰাই এটা সুস্থ ৰূপ দিবলৈ সক্ষম হ'লো। তাৰ পিছতে আমি পুথিভঁৰালৰ ওপৰত চিন্তা-চৰ্চা কৰিছিলো। শেষত অধ্যক্ষৰ ওচৰত পুথিভঁৰালত নতুন পাঠ্যপুথি অন্তৰ্ভুক্ত কৰাৰ লগতে পুথিভঁৰালৰ অধ্যয়নৰ কোঠাটো ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবৰ বাবে ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰোঁ। এই ক্ষেত্ৰত অধ্যক্ষই উক্ত বিষয়টোৰ ওপৰত গুৰুত্ব দিয়ে আৰু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আমি বৰ্তমান শাসনাধিস্থ চৰকাৰৰ মুৰব্বী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰত আবেদন কৰিছিলো। সেই বিষয়টো হ'ল চৰকাৰে এই পিছপৰা মহাবিদ্যালয়খনক আৰ্থিকভাৱে অনুদান আগবঢ়াব লাগে বুলি।

ইয়াৰ উপৰিও আমি আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা এখনি পাতিবলৈ সক্ষম হৈছিলো। মহাবিদ্যালয়ত যোল্লজন দুখীয়া ছাত্ৰ-ছাত্ৰীক ছাত্ৰসংসদৰ তৰফৰ পৰা বিনামূলীয়াকৈ নামভৰ্তি কৰোৱাৰ লগতে ৰেহাই মাচুলত কম্পিউটাৰ পাঠদানৰ ব্যৱস্থা কৰোৱা হৈছে। শেষত নেজানো আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কিমানখিনি কাম কৰিব পাৰিলো। আশাকৰোঁ বাকী থাকি যোৱা কামসমূহ পৰৱৰ্তী ছাত্ৰ সংসদে সম্পূৰ্ণ কৰিব।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউক তথা বন্ধু-বান্ধৱ আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা প্ৰকাশ কৰিলো।

এই সুযোগতে বন্ধু কেশৱ, সদা, কমল, দিনেশদা, দিলীপ, ৰাজু, বান্ধৱী কমলা, চিকুণি, বীণা, লেনী, কুসুম, কবিতা বা, ৰিতু, ভাইটি হীৰক, প্ৰাণকৃষ্ণ, ভণ্টি পল্লৱী, ফুনু, ৰুমি, ববিতা, বিউটি, ৰিণু, বন্ধুবৰ নন্দ, পদ্ম, শ্যামন্ত, অৰ্চনা, জিতু লগতে অজ্ঞাতে থাকি যোৱা সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত অজানিতে হোৱা সকলোবোৰ ভুলৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**জয়তু ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা**
**জয়তু ছয়দুৱাৰ মহাবিদ্যালয়**
**জয় আই অসম**

*শ্ৰদ্ধাৰে –*
**শ্ৰীদেৱেন গগৈ**
*উপ-সভাপতি*



# ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

সমগ্ৰ ছয়দুৱাৰ অঞ্চলৰ উচ্চ শিক্ষাৰ আলয় — ছয়দুৱাৰ মহাবিদ্যালয়।

ইতিহাসে গৰকা এই ছয়দুৱাৰ মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ স্থাপনেৰে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰা মহান আত্মাসকলক, 'তমসো মা জ্যোতির্গময়'ৰ সন্ধান দি ছাত্ৰ-ছাত্ৰীসকলক 'মানুহ' কৰাত যথেষ্ট কষ্ট স্বীকাৰ কৰা স্বনামধন্য শিক্ষাগুৰুসকলক, শ্ৰদ্ধাভাজন কৰ্মচাৰীবৃন্দক এই প্ৰতিবেদনৰ আৰম্ভণিতে স্মৰণ কৰাৰ লগতে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। অভিনন্দন জনাইছোঁ অতি মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ — যিসকলে ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তেওঁলোকৰ অমূল্য ভোটদানেৰে এই মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকাৰূপে মোক নিৰ্বাচন কৰিলে।

১৯৬৭ চনত বুৰৈৰ পৰা হাৰাজানলৈকে সমগ্ৰ গহপুৰ (বিধানসভা সমষ্টি) অঞ্চলৰ ৰাইজৰ অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু মৰমেৰে স্থাপিত এই মহাবিদ্যালয়খনে ৩২টা বছৰ অতিক্ৰম কৰিলে। এই বছৰকেইটাত মহাবিদ্যালয়খনে যথেষ্ট উন্নতি সাধন কৰিলে যদিও ৰূপালী জয়ন্তী বৰ্ষকো গৰকি যোৱা শিক্ষানুষ্ঠানখনে যিমান উন্নতি কৰিব লাগিছিল; সিমান উন্নতি কৰিব পৰা নাই। তৎসত্ত্বেও বিদ্যায়তনিক দিশৰ পৰা চাবলৈ গ'লে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড অসমৰ আগশাৰীৰ মহাবিদ্যালয়ৰ সমানেই যথেষ্ট উন্নত। ইয়াৰ ছাত্ৰ আৰু শিক্ষকৰ মাজত এক মধুৰ আৰু এৰাব নোৱৰা সম্পৰ্ক বিৰাজমান।

মহাবিদ্যালয়খন যথেষ্ট সমস্যাৰে জৰ্জৰ; যথেষ্ট অভাৱৰ সমষ্টি। এই সমস্যাৰ সমাধান আৰু অভাৱ পূৰণৰ অৰ্থে আমাৰ ছাত্ৰ একতা সভাই অহোপুৰুষাৰ্থ কৰিলো; কাৰ্যনিৰ্বাহকত বিভিন্ন প্ৰস্তাৱ গ্ৰহণ কৰিলো। ইয়াৰ ফলত মহাবিদ্যালয়খনৰ এপাচি শাকত এটা জালুকৰ দৰে কিছু অভাৱ পূৰণ হ'ল যদিও বাকীবোৰ অভাৱ, অভাৱ হৈয়েই ৰ'ল। বিখ্যাত অৰ্থনীতিবিদ লাইনেল ৰবিন্‌ছেও কৈছে যে অভাৱবোৰ সাগৰৰ ঢৌৰ দৰে। এটা ঢৌ মাৰ গ'লেই আন এটা ঢৌৰ সৃষ্টি হয়। গতিকে, আমাৰ ছাত্ৰ একতা সভাই সামান্য এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনৰ বাবে কি কৰিব পাৰিলো, সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

**আমাৰ কাৰ্যকালৰ কাম-কাজৰ খতিয়ান ঃ**

**শ্ৰীশ্ৰী সৰস্বতী পূজা ঃ** ১৯৯৮-৯৯ চনৰ নিৰ্বাচনত জয়লাভ কৰি ২১-১-৯৮ তাৰিখে অতি উলহ-মালহেৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা আমাৰ মহাবিদ্যালয়ত পালন কৰা হয়। শ শ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰি আমাক উৎসাহিত কৰে। সৰস্বতী পূজাত মাননীয় শিক্ষাগুৰু সৰ্বশ্ৰী শুভাশীষ ঘোষ, দীপক দাস, পদ্মেশ্বৰ ভূঞা, ৰাজু ওজা, মাণিক ভূঞা, অনন্ত গৌতম, ইৰম গম্ভীৰ সিং, দুলাল শইকীয়া, হেৰম্ব পায়েং, ৰণজিৎ কামান, লিলি দাস, পূৰৱী দত্ত বৰুৱা, নাচিমা চুলতানা আহমেদ, ৰীতা বৰা, প্ৰণৱ সভাপণ্ডিত, মিতালী ভূঞা আদিকে ধৰি আন শিক্ষাগুৰুসকলে সহায় আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

**মাধৱদেৱৰ তিথি ঃ** যোৱা ১০-৯-৯৮ তাৰিখে মহাবিদ্যালয়ত শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথিভাগ অতি উলহ-মালহেৰে পালন কৰা হয়। তিথিৰ লগত সংগতি ৰাখি এটি বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ওপৰত আয়োজিত এই বক্তৃতানুষ্ঠানত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষই উদ্বোধন কৰা এই সভাখনত সঞ্চালকৰ আসন গ্ৰহণ কৰে অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীযুত দুৰ্গা প্ৰসাদ সভাপণ্ডিতে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামী আৰু প্ৰবক্তা শ্ৰীযুত মাধৱ বৰাৰ জ্ঞানগৰ্ভী বক্তৃতাই সকলোকে জ্ঞানৰ খোৰাক যোগায়। তিথিৰ দিনা সহায় আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ প্ৰবক্তা সৰ্বশ্ৰী মাণিক গগৈ, লক্ষী বুঢ়াগোহাঁঞি, বিপুল শইকীয়া, পদ্মনাথ ফুকন, অজিত হাজৰিকা, মাধৱ উপাধ্যায়, জয়দেৱ দত্ত, কল্পনা বৰা আদি শিক্ষগুৰুসকলক

শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

**বিশ্বকৰ্মা পূজা ঃ** যোৱা ১৭-৯-৯৮ তাৰিখে মহাবিদ্যালয়ত বিশ্বকৰ্মা পূজাভাগো পালন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** আমাৰ মহাবিদ্যালয়ৰ দ্বাত্ৰিংশতিতম্ নৱাগত আদৰণি সভাখন ১৮ আৰু ১৯ ছেপ্তেম্বৰ '৯৮ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। প্ৰথমদিনাৰ প্ৰীতি চ'ৰা আৰু বিচিত্ৰানুষ্ঠান কাৰ্যসূচীত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দ্বিতীয়দিনাৰ মূল সভাত মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ শ্ৰীযুত গণেশ কুটুমদেৱে আৰু বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে দৰং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা বিশিষ্টা সাহিত্যিক ড° স্বাধীনতা মহন্তই। ড° মহন্তৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি দিয়া বক্তব্যই জ্ঞানৰ খোৰাক দিয়ে। নৱাগত আদৰণি সভাত সৰ্বশ্ৰী নিৰণ ভূঞা, মাধৱ বৰা, প্ৰদীপ দত্ত ছাৰকে ধৰি অন্যান্য শিক্ষাগুৰুৱে যথেষ্ট সহায়-সহযোগিতা আগবঢ়ায়।

এইবোৰৰ উপৰিও আমাৰ মহাবিদ্যালয়ত সদৌ ছয়দুৱাৰ সন্মিলিত ছাত্ৰ আৰু যুৱ সমিতিৰ প্ৰথম বাৰ্ষিক অধিৱেশনখনি যোৱা ১৩ আৰু ১৪ নৱেম্বৰত অনুষ্ঠিত হয়।

অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাসমূহত আমাৰ মহাবিদ্যালয়ৰ পৰাও যোগদান কৰি মহাবিদ্যালয়লৈ গৌৰৱৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হয়। কটন কলেজৰ চুড়মাৰ্চন হলত ৺পৰাগ দাস সোঁৱৰণি আন্তঃমহাবিদ্যালয় বিতৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। নগাঁৱৰ পাঞ্চজন্যৰদ্বাৰা আয়োজিত বিতৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ পৰা শ্ৰেষ্ঠ জুৰীৰ বঁটা আৰু দৰং মহাবিদ্যালয়ত আয়োজিত ৺প্ৰশান্ত কলিতা সোঁৱৰণী বিতৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰ'জি ৰাণী শৰ্মাই শ্ৰেষ্ঠ জুৰীৰ বঁটা লাভ কৰে আমাৰ বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। নাৰায়ণপুৰত অনুষ্ঠিত সদৌ অসম মুকলি কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ সঞ্জীৱ দাস, গিৰিশ বৰমুদৈ, ভাস্কৰ বৰুৱা আৰু চুমী বৰঠাকুৰৰ দলে পুৰস্কাৰ কঢ়িয়াই আনে। ঢকুৱাখানা মহাবিদ্যালয়ত আয়োজিত সদৌ অসম ভিত্তিৰ বিতৰ্ক প্ৰতিযোগিতাত ৰ'জি ৰাণী শৰ্মাই প্ৰথম, চুমী বৰঠাকুৰে দ্বিতীয় আৰু আমাৰ দলে প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই আনিলে।

যোৱা ২২ অক্টোবৰত বি. বৰুৱা মহাবিদ্যালয়ৰ দ্বাৰা অয়োজিত সদৌ অসম আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি প্ৰথম পৰ্যায়ত খেলি গুৱাহাটী বিশ্ববিদ্যালয়ক পৰাস্ত কৰিবলৈ সক্ষম হয়।

যোৱা ডিচেম্বৰৰ পৰা ছয়দুৱাৰ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। আন্তঃক্ৰীড়া, বহিঃক্ৰীড়া আৰু শৰীৰ চৰ্চা বিভাগৰ বিভিন্ন খেলসমূহ, বিতৰ্ক বিভাগৰ বিতৰ্ক, কবিতা আবৃত্তি, কুইজ, আকস্মিক বক্তৃতা, বাতৰি পঢ়া আদি বিভিন্ন প্ৰতিযোগিতা, সংগীত, নৃত্য, নাটক, ভেশচন, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শ্ৰেষ্ঠ কেডেট নিৰ্বাচনৰ বাবে আয়োজন কৰা প্ৰতিযোগিতাকে আদি কৰি পুষ্পসজ্জা আদিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত প্ৰতিভাৰ বিকাশ সাধনত এক আহিলাৰূপে কাম কৰে। এই প্ৰতিযোগিতাসমূহৰ সামৰণি হয় ৭ ডিচেম্বৰ তাৰিখে। মহাবিদ্যালয়ৰ অন্যান্য শিক্ষাগুৰুৰ লগতে সৰ্বশ্ৰী দিগন্ত গোহাঁই, ৰাজেন কাকতি, বিজয় গোস্বামী, লীলা বাহাদুৰ ৰয়, প্ৰমিলা দেৱী, মোহিনী মোহন বৰা, উৎপল বৰা, শৰৎ শৰ্মা, নীলমণি শইকীয়া, নাৰায়ণ বৰা, সুশান্ত বৰা, মুনীন দাস, মুকুন্দ উপাধ্যায় আদি শিক্ষাগুৰুৱে সকলো দিশতে সহায় আগবঢ়ায়।

মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি যোৱা ৮ ডিচেম্বৰ'৯৮ তাৰিখে সদৌ অসম ভিত্তিত এখনি বিতৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসমৰ বিভিন্ন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত বিচাৰকৰ আসন গ্ৰহণ কৰিছিল ক্ৰমে বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত অমৰজ্যোতি বৰঠাকুৰ, ৰঙাপাৰা মহাবিদ্যালয়ৰ শ্ৰীযুত অঞ্জন মহন্ত আৰু মাধৱদেৱ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত দুলাল মহন্তদেৱে। জুৰীৰ আসনত আছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত দিগন্ত গোহাঁই, শ্ৰীযুত মাধৱ বৰা আৰু শ্ৰীযুত কমল ফুকনদেৱ। বিতৰ্ক প্ৰতিযোগিতাখনিত অধ্যক্ষৰ আসন শুৱনি কৰে ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত শিৱেন দাসদেৱে। প্ৰতিযোগিতাখনিত প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মানেৰে ৺গোলোক ভূঞা সোঁৱৰণী বঁটা লাভ কৰে দৰং মহাবিদ্যালয়ৰ তাৰ্কিক শ্ৰীৰবিকাঞ্চন চেটাৰ্জী আৰু আৰফান আলিয়ে। দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰে ৰ'জি ৰাণী শৰ্মা আৰু সুৱত বসুমতাৰীৰ দলে। প্ৰতিযোগিতাখনিৰ বাবে বহুলোকে আৰ্থিক, কায়িক আৰু মানসিকভাৱে সহায়-সহযোগ আগবঢ়ালে; যি সহায়-সহযোগৰ বলত প্ৰতিযোগিতাখনিক সাফল্যমণ্ডিত কৰাত সক্ষম হ'লো।

যোৱা ১১ ডিচেম্বৰ'৯৮-ত মহাবিদ্যালয় সপ্তাহৰ মূল ও বঁটা বিতৰণি সভা অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানলৈ মুখ্য অতিথিৰূপে অহা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা ভাৰপ্ৰাপ্ত সভাপতি শ্ৰীযুত বিশ্ব বৰুৱাদেৱৰ বক্তৃতাই ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰে।

আমাৰ কাৰ্যকালত গহপুৰলৈ নিম্ন ক্ষমতাসম্পন্ন দূৰদৰ্শন ৰিলে কেন্দ্ৰ উদ্বোধন কৰিবলৈ অহা কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰী (সেই সময়ৰ) তথা দিল্লীৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজ, মন্ত্ৰী শ্ৰীকবীন্দ্ৰ পুৰকায়স্থক অভিনন্দন পত্ৰ প্ৰদান কৰাৰ লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক মহাবিদ্যালয়ৰ ছাত্ৰ নিৱাসৰ কাৰণে পাঁচ লাখ টকা, খেল পথাৰ উন্নয়নৰ বাবে এক লাখ টকা আৰু ছাত্ৰ একতা সভাৰ আছুতীয়া কাৰ্যালয় নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰা হয়। তাৰোপৰি অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীগণেশ কুটুমদেৱক মহাবিদ্যালয়ক বানপানীৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবৰ বাবে প্ৰয়োজনীয় কাৰ্যসূচী ল'বলৈ আবেদন দিয়া হয় আৰু মহাবিদ্যালয়ত অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবেও আবেদন জনোৱা হয়। অধ্যক্ষ মহোদয়ে প্ৰেক্ষাগৃহৰ বাবে এক লাখ টকা অনুদান দিয়াৰ কথা ঘোষণা কৰে।

আমাৰ ছাত্ৰ একতা সভাৰ প্ৰত্যেকটো বিভাগৰ পৰা পাঁচ শতাংশকৈ ধন লৈ দুটি বক্তৃতা দিয়া ষ্টেণ্ড (Lecture Stand) বনোৱা হয়। মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰো ব্যৱস্থা কৰা হয়।

আমাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ তেৰজন ছাত্ৰ-ছাত্ৰীক ছাত্ৰ একতা সভাই আৰ্থিক সাহায্য কম-বেছি পৰিমাণে আগবঢ়াই সহায়-সহযোগ কৰে।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ডটো ছাত্ৰ-ছাত্ৰী অনুপাতে যথেষ্ট সৰু হোৱাত আৰু এটি চাইকেল ষ্টেণ্ড বনাবলৈ শোণিতপুৰ জিলাৰ উপায়ুক্ত মহোদয়ৰ লগত যোগাযোগ কৰিছিলো। কিন্তু, দুৰ্ভাগ্যজনকভাৱে আমাৰ কাৰ্যকালতে উক্ত কাৰ্য সম্পাদন হৈ নুঠিল। এই কথাত গুৰুত্ব দি পৰৱৰ্তী ছাত্ৰ একতা সভাই কাৰ্য পৰিচালনা কৰিব বুলি আশা কৰিলো।

আমাৰ কাৰ্যকালৰ আটাইতকৈ শোকাবহ ঘটনাটো হ'ল শ্ৰীমতী পূৰবী দত্ত বৰুৱা বাইদেউৰ পৰলোকপ্ৰাপ্তি। আমাৰ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ প্ৰবক্তা, সকলোৰে আদৰৰ, সকলোৰে মৰমৰ শ্ৰদ্ধেয়া বাইদেউক আমি যোৱা ১৩-১২-৯৮ তাৰিখে হেৰুৱালো। তেখেতৰ মৃত্যু আমাৰ বাবে অপূৰণীয় ক্ষতি। বাইদেৱে আমাক প্ৰতিটো ক্ষেত্ৰতে যি সহায়-সহযোগ, উপদেশ, সু-পৰামৰ্শ আদি দিছিল সেয়া আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ৺পূৰবী দত্ত বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক তাৰ কামনা কৰিলো।

ভাবিছিলো, মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা হৈ বহুত কাৰ্য সম্পাদন কৰিম। কিন্তু, সময়ৰ টনাটনি বা পৰিস্থিতিৰ দাস হৈ কাৰ্যবোৰ সম্পাদন কৰাত ভালদৰে সক্ষম নহ'লো। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। সম্পাদকীয় কালছোৱাত নিজৰ দায়িত্ব আৰু কৰ্তব্য কেনেদৰে পালন কৰিব পাৰিছোঁ, সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় আৰু মোৰ জ্ঞাতে বা অজ্ঞাতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ত্ৰুটি-মাৰ্জনা বিচাৰিছোঁ। গভীৰভাৱে আশা ৰাখিছোঁ, আমাৰ আধৰুৱা কামবোৰৰ পৰৱৰ্তী ছাত্ৰ একতা সভাই সমাধান কৰিব।

শেষত, আমাক সকলো ক্ষেত্ৰতে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামী, উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামী, প্ৰবক্তা শ্ৰীযুত নিৰণ ভূঞা, শুভাশীষ ঘোষ, জগন্নাথ উপাধ্যায়, মাধব বৰা, সৌমিত্ৰ বৰুৱা ছাৰকে ধৰি বিভিন্ন বিভাগৰ তত্ত্বাৱধায়কসকল, শিক্ষাগুৰুসকল, বিভিন্ন প্ৰকাৰে সহায় কৰা কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া আৰু সমূহ ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা আৰু আন্তৰিক শ্ৰদ্ধা জনালো।

সদৌ শেষত, ছয়দুৱাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

**জয় আই অসম**

**জয়তু ছয়দুৱাৰ মহাবিদ্যালয়**

শ্ৰদ্ধাৰে —

**ৰশ্মিৰেখা শৰ্মা**

*সাধাৰণ সম্পাদিকা*



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৮-৯৯ বৰ্ষটোৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বৰ্গই ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ সংসদৰ সহঃ সাধাৰণ সম্পাদকৰ পদটিৰ বাবে গৰিষ্ঠসংখ্যক ভোটৰ ব্যৱধানত মোক জয়যুক্ত হোৱাত সহায়-সহযোগ আগবঢ়ালে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ মহাবিদ্যালয়খন ছয়দুৱাৰ অঞ্চলৰ ভিতৰতে এখন উচ্চ শিক্ষানুষ্ঠান। এখন উচ্চ শিক্ষানুষ্ঠান হিচাপে মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰাৰ পিছতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বহুতো অসুবিধাৰ সন্মুখীন হৈ আহিছে। আমি কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অনুভৱ কৰি অহা অসুবিধাবোৰৰ বিষয়ে উল্লেখ কৰি শোণিতপুৰ জিলাৰ উপায়ুক্ত মহোদয়লৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰোঁ আৰু লগতে ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ চৌহদত এটা চাইকেল ৰখা ঘৰ সাজিবৰ বাবে অনুদান বিচাৰি আৱেদন জনাওঁ। মহাবিদ্যালয়ৰ চৌহদত বৰ্তমান থকা চাইকেল ৰখা ঘৰটোৱে সকলোবোৰ ছাত্ৰ-ছাত্ৰীক সমানে সুবিধা দিব পৰা নাই। গহপুৰ দূৰদৰ্শন কেন্দ্ৰৰ শুভ উদ্বোধন কৰিবলৈ অহা সেই সময়ত তথ্য আৰু অনাতাঁৰ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী মাননীয় সুষমা স্বৰাজ আৰু অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তক মহাবিদ্যালয়খনত শিক্ষাৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ অৱগত কৰাৰ লগতে আৰ্থিক অনুদান বিচাৰি দুয়োগৰাকী মন্ত্ৰীক সুকীয়া সুকীয়াকৈ আমাৰ ছাত্ৰ সংসদৰ চাৰিজনীয়া সঁজাতি দলে গহপুৰ পৰিদৰ্শন বঙলাত লগ ধৰি স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। এই বিষয়ে তেওঁলোকৰ কোনো ধৰণৰ সঁহাৰি পোৱা নগ'ল। তাৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামীদেৱৰ তৎপৰতাত মহাবিদ্যালয়ৰ পুবদিশত থকা প্ৰেক্ষাগৃহটোৰ কিছু পৰিমাণে উন্নতি সাধন কৰা হয়। আমাৰ পৰম্পৰা অনুসৰি মহাবিদ্যালয়ৰ অধ্যক্ষজনেই ছাত্ৰ সংসদৰ সভাপতি হোৱা হেতুকে আমাৰ কাৰ্য-নিৰ্বাহকে মহাবিদ্যালয়খনৰ উন্নতিৰ ক্ষেত্ৰত যিকোনো ধৰণৰ পদক্ষেপ ল'ব পাৰিছিলো আৰু তেখেতে আমাৰ যথেষ্ট দিহা-পৰামৰ্শৰে উপকৃত কৰিছিল আৰু মোৰ বিভাগীয় কামতো তেখেতৰ বহু ধৰণৰ সহায়-সহযোগ লাভ কৰিছিলো।

কাৰ্যকালৰ আৰম্ভণিতে নতুন ছাত্ৰ সংসদখনলৈ বিভিন্ন ধৰণৰ কৌশল ৰচনা কৰি মহাবিদ্যালয়খনৰ এচাম ছাত্ৰ-ছাত্ৰীয়ে নতুন ছাত্ৰ সদনখন অস্থিৰ কৰি তুলিবলৈ চেষ্টা কৰিছিল। সেই বিষয়টো মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা ছাত্ৰ-সংসদৰ সভাপতিৰ তৎপৰতাত সুকলমে সমাধান হয়। তাৰ বাবে তেখেতলৈ মোৰ ব্যক্তিগতভাৱে আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ থাকিল। শেষত মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*শ্ৰদ্ধাৰে –*

**শ্ৰীনৱজ্যোতি বৰা**

*সহঃ সাধাৰণ সম্পাদক*



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অতি দুখেৰে উল্লেখ কৰিছোঁ যে আমাৰ মাজৰ পৰা অকালতে আঁতৰি গ'ল ৺ পূৰবী দত্ত বাইদেউ। মই তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

শ্ৰদ্ধা জনাইছোঁ অজ্ঞানৰ তিমিৰনাশী জ্ঞানৰ প্ৰদীপৰ সন্ধান দিয়া মোৰ স্বনামধন্য শিক্ষাগুৰুসকললৈ আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ মোৰ অতি মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ।

৩২টা বছৰ গৰকী যোৱা আমাৰ এই ছয়দুৱাৰ মহাবিদ্যালয়খন সমগ্ৰ গহপুৰ অঞ্চলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান। যিসকল মহান পুৰুষে এই অনুষ্ঠানটিক সৃষ্টিৰ সপোন দেখিছিল আৰু অনুষ্ঠানটিক প্ৰতিষ্ঠা কৰাত সহায় আগবঢ়াইছিল তেখেতসকলক ছয়দুৱাৰ মহাবিদ্যালয়ে চিৰদিন সুঁৱৰি থাকিব।

মানুহে কথা ক'বলৈ শিকা আৰু কথা কোৱাটো এটা প্ৰাচীন শিল্প। এই শিল্পৰ প্ৰতি গভীৰ দুৰ্বলতা থকাৰ বাবেই ছয়দুৱাৰ মহাবিদ্যালয়ৰ এই বিভাগটি একেৰাহে দুটিকৈ বছৰ পৰিচলনা কৰাৰ হাবিয়াহ উপজিছিল।

প্ৰকৃত যুক্তিয়েই হৈছে বিৰ্তকৰ মূল বিষয়। যুক্তিৰ অৱতাৰণা কৰি সত্যক প্ৰতিষ্ঠা কৰাটো মানৱ জীৱনৰ বাবে অতি প্ৰয়োজনীয়। তৃতীয় বিশ্বৰ নেতৃস্থানীয় ভাৰত এখন সমস্যাবহুল ৰাষ্ট্ৰ। নিবনুৱা সমস্যা, জনসংখ্যা বিস্ফুৰণৰ সমস্যা, সন্ত্ৰাসবাদী আদি এশ এবিধ সমস্যাই চৌদিশ কঁপাই তুলিছে। এই সমস্যাৰাজি কেৱল ৰাজনৈতিক কাৰ্যপন্থাৰে সমাধান কৰা সম্ভৱ নহয়। ইয়াক সমাধান কৰিবৰ বাবে যথোচিত সহায় আৰু পৰামৰ্শ আগবঢ়াব লাগিব, জনসাধাৰণে এনে সমস্যা সমাধানৰ ক্ষেত্ৰত বিভিন্ন মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আদিত অনুষ্ঠিত বক্তৃতামঞ্চ, তৰ্ক প্ৰতিযোগিতা আদিৰ প্ৰাসংগিকতা স্বীকাৰ কৰিবই লাগিব। আচলতে বৰ্তমানৰ যুগেই হৈছে প্ৰতিযোগিতাৰ যুগ, আৰু প্ৰতিযোগিতাৰ মাধ্যমেৰে আমি নিজকে কৰ্ষণ কৰি আগবাঢ়িব পাৰোঁ। সেইবাবেই প্ৰয়োজন হয় বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ। হে মহান সতীৰ্থ, আমাৰ কাৰ্যকালত আপোনাসবৰ সেৱা কৰাত কিমানদূৰ সফল হ'ব পাৰিছোঁ বা পৰা নাই সেয়া আপোনালোকৰ বিচাৰ্য।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান ঃ**

১৯৯৮-৯৯ বৰ্ষত মই পুনৰ বিৰ্তক বিভাগৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰোঁ আৰু তাৰ পাছতেই মহাবিদ্যালয়ত বিৰ্তক প্ৰতিযোগিতা পাতিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰোঁ। আমাৰ এই ছয়দুৱাৰ মহাবিদ্যালয়খন নানান সমস্যাৰে জৰ্জৰিত। সকলো ক্ষেত্ৰতই সমস্যা আৰু অসুবিধা থাকেই। এই সকলোবোৰৰ মাজতেই যোৱা ৮ ডিচেম্বৰ তাৰিখে সদৌ অসম আন্তঃমহাবিদ্যালয় বিৰ্তক প্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰোঁ। উক্ত প্ৰতিযোগিতাখনি উদ্বোধন কৰিবৰ বাবে আমন্ত্ৰণ কৰিছিলো বিশ্বনাথ মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত পদ্মকান্ত বৰাদেৰক। তেখেতে এটা সুন্দৰ পৰিবেশত বিতৰ্ক প্ৰতিযোগিতাখনি মুকলি কৰে।

অন্যহাতে প্ৰতিযোগিতাত অধ্যক্ষৰ আসন গ্ৰহণ কৰে ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ শ্ৰীযুত শিৱেন দাসদেৱে। বিচাৰকৰ দায়িত্বভাৰ গ্ৰহণ কৰে ৰঙাপাৰা মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত অঞ্জন মহন্ত আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত অমৰজ্যোতি বৰঠাকুৰ, মাধৱদেৱ মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত দুলাল চন্দ্ৰ মহন্তদেৱে।

ছয়দুৱাৰ মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা বিৰ্তক প্ৰতিযোগিতাখনিলৈ এটি বুজন পৰিমাণৰ আৰ্থিক সহায় আগবঢ়ায় অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীযুত গণেশ কুটুমদেৱে। তাৰোপৰি বিভিন্ন কাৰ্যালয়, গহপুৰ অঞ্চলৰ বণিক সন্থা, মহাবিদ্যালয় শিক্ষক গোট, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ছয়দুৱাৰ আঞ্চলিক ছাত্ৰ সন্থা, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আদিয়ে আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ উপৰিও অন্যান্য দিশত যথেষ্ট সহায়-সহযোগিতা আগবঢ়ায়।

ছয়দুৱাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সদৌ অসম আন্তঃমহাবিদ্যালয় বিৰ্তক প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ দলৰ ট্ৰফীটি প্ৰদান কৰে মহাবিদ্যালয়ৰ প্ৰয়াত শিক্ষাগুৰু শ্ৰীগোলোক ভূঞা ছাৰৰ পত্নী শ্ৰীযুত প্ৰণতি ভূঞা বাইদেউৱে। উল্লেখযোগ্য

যে আমাৰ মহাবিদ্যালয়ৰ বিৰ্তক প্ৰতিযোগিতাখনি উদ্বোধন কৰিবলৈ অহা বিশ্বনাথ মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত পদ্ম কান্ত বৰাদেৱে উক্ত প্ৰতিযোগিতাখনিলৈ নগদ ১০০০·০০ (এহেজাৰ) টকা বৰঙণি হিচাপে আগবঢ়ায়। প্ৰায় ১০ টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত প্ৰথমস্থান অধিকাৰ কৰে দৰং মহাবিদ্যালয়ে। দ্বিতীয় স্থান অধিকাৰ কৰে ছয়দুৱাৰ মহাবিদ্যালয়ে।

**গৌৰৱৰ বতৰা ঃ** মহাবিদ্যালয়ৰ বিৰ্তক বিভাগৰ পুঁজি বৰ সীমিত। তথাপিও আমি মহাবিদ্যায়ৰ পুঁজিৰ ওপৰত নিৰ্ভৰ নকৰি নিজস্বভাৱে বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰোঁ। আমাৰ মহাবিদ্যালয়ৰ গৌৰৱৰ এটি ক্ষতিয়ান এনেদৰে দাঙি ধৰা হ'ল ঃ

১। বিশ্বনাথ চাৰিআলি বীণাপাণি হলত অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালৰপৰা ৰশ্মিৰেখা শৰ্মা, ৰ'জি ৰাণী শৰ্মা আৰু মই নিজেই অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰোঁ, ২। নগাঁৱৰ পাঞ্চজন্য আৰু দৰং মহাবিদ্যালয় অনুষ্ঠিত বিৰ্তক প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ৰ পৰা ৰশ্মিৰেখা শৰ্মা আৰু ৰ'জি ৰাণী শৰ্মাই অংশগ্ৰহণ কৰি জুৰিৰ ট্ৰফী লাভ কৰে, ৩। নাৰায়ণপুৰ ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয় পৰা ভাস্কৰ বৰুৱা, গিৰিশ বৰমুদৈ, সঞ্জীৱ দাস আৰু মই নিজেই অংশগ্ৰহণ কৰি তৃতীয় দলৰ সন্মান লাভ কৰোঁ, ৪। ঢকুৱাখানা মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃমহাবিদ্যালয় বিৰ্তক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা ৰ'জি ৰাণী শৰ্মা আৰু মই নিজেই অংশগ্ৰহণ কৰি প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰি ছয়দুৱাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনো। উল্লেখযোগ্য যে উক্ত প্ৰতিযোগিতাখনিত প্ৰথম শ্ৰেষ্ঠ তাৰ্কিক সন্মান লাভ কৰে ৰ'জি শৰ্মাই আৰু দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰোঁ মই নিজেই, ৫। কলাবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত বিৰ্তক প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয় পৰা কবিতা শইকীয়া আৰু মই অংশগ্ৰহণ কৰো। প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰি মই দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ স্থান অধিকাৰ কৰোঁ।

যোৱা ইং ২।১২।৯৮ তাৰিখৰ পৰা অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ ৩ আৰু ৪ ডিচেম্বৰ তাৰিখে তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাসমূহ হ'ল -- তৰ্ক, আকস্মিক বক্তৃতা, বাতৰি ঘোষক, কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালৰ একেবাৰে আৰম্ভণিৰ পৰা শেষ মুহূৰ্তলৈকে ওতপ্ৰোতভাৱে জড়িত থাকি দিহা-পৰামৰ্শ দিয়া, সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত সৌমিত্ৰ বৰুৱা, উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামী, প্ৰবক্তা শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামী, প্ৰবক্তা শ্ৰীযুত শৰৎ শৰ্মা, মাধৱ বৰা, নিৰণ ভূঞা, প্ৰদীপ দত্ত, দুৰ্গা সভাপণ্ডিত, দীপক দাস, লক্ষী বড়গোহাঁই, ৰাজু ওজা, দীগন্ত আৰু মহাবিদ্যালয়ৰ সমুহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সদৌ অসম আন্তঃমহাবিদ্যালয় বিৰ্তক প্ৰতিযোগিতাত যিসকল মহান ব্যক্তিয়ে অধ্যক্ষ, উদ্বোধক, বিচাৰক আৰু জুৰীৰ দায়িত্ব গ্ৰহণ কৰিলে তেখেতসকললৈ মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আন্তঃমহাবিদ্যালয় বিৰ্তক প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰাত আৰ্থিক সহায় আগবঢ়োৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, মহান ব্যক্তিসকললৈ বিভিন্ন কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তৰ্ক বিভাগটো পৰিচালনা কৰোঁতে আৰু সদৌ অসম তৰ্ক পাতোঁতে সহায় আগবঢ়োৱা দাদা পদ্মকান্ত দলে, দেৱেন গগৈ, নৱজ্যোতি বৰা, শ্যামন্ত ভূঞা, বাইদেউ ৰূপামণি বৰা, ভণ্টি ৰশ্মিৰেখা, কবিতা, তুলীকা, দিপ্তী, তাৰা, স্বপ্না, ৰ'জিৰাণী, বান্ধৱী ময়ুৰী, প্ৰলিণী, জ্যোতি, ৰাজীৱ, চুৰত, ধীৰেণ, প্ৰশান্ত, পংকজ, ৰাজু, পল্লৱ, চন্দ্ৰ, সমীৰণ, মনোজ, মধু, সজ্জীৱ, দেৱেন, ৰীপকোঁৱৰ, মনোজ, বিন্দু, বন্ধু কুশল, তুলসী, শৰৎ, ৰবিন, মৃদুপৱন, বিপ্লৱ, ৰাজকিশোৰ, মিন্তু, ৰুবুলদা, সমৰদা, দিপেনদা, ৰাতুলদা, মুহিদা আদিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পৰিশেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল-ভ্ৰান্তি ৰৈ গৈছে তাৰ বাবে ক্ষমা ভিক্ষা মাগিলো। যিসকলে মোৰ কাৰ্যকালত সহায় আগবঢ়লে তেখেতসকললৈ পুনৰ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু ছয়দুৱাৰ মহাবিদ্যালয় বিৰ্তক আৰু আলোচনা বিভাগটোৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়।

*শ্ৰদ্ধাৰে --*

**চুমী বৰঠাকুৰ**

*সম্পাদিকা, বিৰ্তক আৰু আলোচনা বিভাগ*



# বহিঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ বিসৰ্জন দিয়া শ্বহীদ বীৰ বীৰাঙ্গনাসকললৈ শ্ৰদ্ধা নিবেদিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীৰ মৰম-স্নেহত শিক্ষা অনুষ্ঠানটিৰ ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বহিঃক্ৰীড়া বিভাগৰ দায়িত্বপূৰ্ণ আসনত প্ৰতিষ্ঠিত হোৱাৰ সৌভাগ্য লাভ কৰিছিলো সেইসকল ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্যকালত যিমানদূৰ অগ্ৰসৰ হ'ব লাগিছিল সিমানদূৰ অগ্ৰসৰ হ'ব নোৱাৰিছিলো। সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বহিঃক্ৰীড়া বিভাগত কাম কিমানখিনি দায়িত্ববোধেৰে আগবঢ়াব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয়।

মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, তত্বাৱধায়ক শ্ৰীযুত প্ৰদীপ দত্ত ছাৰ, লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে যিসকল বন্ধু-বান্ধৱীয়ে মোক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো।

**জয় আই অসম**

*শ্ৰদ্ধাৰে —*
**শ্ৰীজনতা কাৰ্ডং**
*সম্পাদক, বহিঃক্ৰীড়া বিভাগ*



# আন্তঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শোণিতপুৰ জিলাৰ পূব প্ৰান্তত অৱস্থিত আমাৰ উচ্চ শিক্ষাযুক্ত অনুষ্ঠান 'ছয়দুৱাৰ মহাবিদ্যালয়'খনি। যিসকল বিদ্যানুৰাগী আৰু জ্ঞানপিপাসু মহানুভৱে এই মহাবিদ্যালয়খনি ১৯৬৭ চনতেই ইয়াত প্ৰতিষ্ঠা কৰিলে — মোৰ প্ৰতিবেদনৰ আৰম্ভণিতেই সেই সকলো স্মৰণীয় ব্যক্তিলৈ জনাইছোঁ শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

সুদীৰ্ঘ ৩২ টা বছৰ জ্ঞান, বিদ্যা আৰু পোহৰৰ ফাকু খেলি বৰ্তমান উপস্থিত হোৱাৰ সময়ত ১৯৯৮-৯৯ চনৰ ছাত্ৰ একতা সভাৰ আন্তঃক্ৰীড়া বিভাগৰ পদলৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে সৰ্বসন্মতভাৱে সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰিলে। এই সুযোগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সম্পাদক হিচাপে আশা কৰা মতে মোৰ কাৰ্যকালত বিশেষ উন্নতি কৰিব নোৱাৰিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা বিভাগীয় তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত ৰাজু ওজা ছাৰ আৰু শ্ৰীযুত পদ্ম ফুকন ছাৰলৈ শ্ৰদ্ধা নিবেদিছোঁ। আৰু লগতে বিভিন্ন সময়ত মোক সহায়-সহযোগ কৰা আৰু মহাবিদ্যালয় সপ্তাহত খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰোঁতে সহায় কৰা মোৰ মৰমৰ দাদা ও বন্ধু আৰু ছাত্ৰ-ছাত্ৰী আৰু সকলো শিক্ষাগুৰুলৈ মোৰ ফালৰপৰা আন্তৰিক মৰম আৰু কৃতজ্ঞতা যাচিলো।

পৰিশেষত বিগত কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**জয়তু ছয়দুৱাৰ মহাবিদ্যালয়**

*ধন্যবাদেৰে —*
**শ্ৰীচন্দন বৰুৱা**
*সম্পাদক, আন্তঃক্ৰীড়া বিভাগ*



## কৃষ্টি বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকল সহৃদয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ছয়দুৱাৰ মহাবিদ্যালয়ৰ দৰে এক মহান শিক্ষানুষ্ঠানৰ কৃষ্টি সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সেৱাত ব্ৰতী হোৱাৰ মহান সুযোগ প্ৰদান কৰিলে সেইসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰতিবেদনৰ পাতনি মেলিলো।

কোনো এটা দিশত আগবাঢ়িবলৈ হ'লে পৰিপূৰ্ণ অভিজ্ঞতাৰ নিতান্তই প্ৰয়োজন। মোৰ সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে কৃষ্টি বিভাগৰ গধুৰ দায়িত্ব পালন কৰোঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। অবাক হৈছিলো ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ দেখি। আমাৰ মহাবিদ্যালয়ত যথেষ্টসংখ্যক শিল্পী প্ৰতিযোগী আছে। একোটা বিষয়ত প্ৰতিযোগী চল্লিশ-পঞ্চাশজন হয়। সেয়েহে এই বাৰ মহাবিদ্যালয়ৰ সপ্তাহত দুদিনৰ পৰিবৰ্তে তিনিদিন কৃষ্টি প্ৰতিযোগিতাৰ বাবে লোৱা হয়। আৰু লগতে দুটা ৰাতি একাংক নাট প্ৰতিযোগিতা হৈ যায়।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ উন্নতিৰ বাবে কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলো আৰু কাৰ্যকালত কৰ্তব্যত কোনোদিনাই অৱহেলা কৰা নাছিলো বুলি মোৰ বিশ্বাস। গতিকে কাৰ্যকালত মই কি কৰিলো, কি নকৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

আমাৰ কাৰ্যকালত বিভিন্ন দিশত বিশেষ সহায় কৰা সিক্ষাগুৰুসকললৈ এই প্ৰতিবেদনৰ যোগেদি শ্ৰদ্ধা নিবেদিছোঁ। লগত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

*শ্ৰদ্ধাৰে --*

**ৰবিন হাজৰিকা**

*সম্পাদক, কৃষ্টি বিভাগ*



## উৎসৱ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল শ্বহীদ বীৰ-বীৰাঙ্গনালৈ শতকোটি প্ৰণাম, যিসকলে অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ আহুতি দিছিল।

মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ বৰ্ষৰ উৎসৱ বিভাগৰ সম্পাদক হিচাপে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি এই মহান দায়িত্ব অৰ্পণ কৰিলে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

মহাবিদ্যালয়ৰ চৌহদত এক পবিত্ৰক্ষণত শপত-বাক্য পাঠ কৰি নিজৰ কৰ্তব্যত আগবাঢ়োঁ। কাৰ্যভাৰ হাতলৈ অহাৰ পিছতেই ১-২-৯৮ তাৰিখে শ্ৰীশ্ৰী সৰস্বতী পূজাভাগ আমাৰ মহাবিদ্যালয়ত উদযাপন কৰোঁ। বিশাল ছাত্ৰ-ছাত্ৰীয়ে ভৰা ছয়দুৱাৰ মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ আনন্দ আৰু উলাহৰ মাজেৰে পাৰ হৈ যায়।

মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ পিছতেই শ্ৰীমন্ত শংকৰদেৱৰ মৃত্যু তিথি উদযাপন কৰা হয়। শংকৰদেৱৰ পবিত্ৰ স্মৃতিৰ লগত ৰজিতা খুৱাই মাধৱদেৱৰ তিথিও উদযাপন কৰা হয়।

ইয়াৰ পিছতেই ১৭।৯।৯৮ তাৰিখে বিশ্বকৰ্মা পূজাভাগ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয়। উক্ত পূজাভাগ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহায়লৈ বিজ্ঞান ভৱনত পতা হয়।

প্ৰতিবেদনৰ সামৰণিত মোক এই মহান দায়িত্ব পালন কৰাত সহায় কৰা শ্ৰীযুত শুভাশীষ ঘোষ ছাৰ, দুৰ্গা প্ৰসাদ সভাপণ্ডিত ছাৰ আৰু ছাত্ৰ একতা সভাৰ কৰ্মীবৃন্দৰ ওচৰত মই চিৰকৃতজ্ঞ।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

*শ্ৰদ্ধাৰে --*

**শ্ৰীহৰেন শইকীয়া**

*সম্পাদক, উৎসৱ বিভাগ*



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰথমতেই মহাবিদ্যালয়ৰ সমাজসেৱাৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগত মোক বিপুল ভোটদানেৰে জয়যুক্ত কৰা সমূহ বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিলৈ হিয়া উজাৰি ধন্যবাদ জ্ঞাপন কৰিলো।

যোৱা ইং ১৯৯৮ চনৰ ১৩ ডিচেম্বৰ তাৰিখে হঠাতে আমাক কন্দুৱাই চিৰ বিদায় লোৱা এই মহাবিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ অধ্যাপিকা আমাৰ অতি শ্ৰদ্ধাৰ পূৰৱী দত্ত বৰুৱা বাইদেউৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্যকালত বহুতো কাম কৰাৰ প্ৰয়াস কৰিছিলো যদিও বিভাগীয় ধনৰ পৰিমাণ কম হোৱাত সকলোবিলাক কাম সমাধা কৰিব নোৱাৰিলো। তথাপিও মহাবিদ্যালয়ৰ চৌহদত সকলো ছাত্ৰ-ছাত্ৰীৰ সহযোগত বৃক্ষৰোপণ কৰা হয় আৰু পুলিবোৰৰ নিৰাপত্তাৰ বাবে গৰাল দিয়া হয়। ইয়াৰ পাছত এটা সুন্দৰ পৰিবেশ সৃষ্টি কৰাৰ মানসেৰে প্ৰৱেশদ্বাৰ চৌহদৰ গোটেই গছ-গছনি, চাইকেল ষ্টেণ্ড, শ্বহীদ বেদী, প্ৰস্ৰাৱগাৰ আদি পৰিষ্কাৰ কৰি চূণ দিয়া হয়। ইয়াৰ বাহিৰেও যিখিনি কাম কৰিলো তাৰ কৃতকাৰ্যতাৰ খতিয়ান তথা বিচাৰ আপোনসৱৰ ওপৰত ন্যস্ত কৰিলো আৰু আধৰুৱা কামখিনি পৰৱৰ্তী সম্পাদকে সমাধা কৰিব বুলি আশা কৰিলো।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত সু-পৰামৰ্শ দি সহায় কৰা সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল। মোৰ বিভিন্ন কামত সহায় কৰা সমূহ বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিলৈ শলাগৰ শৰাই আগবঢ়ালো।

শেষত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ওৰ পেলালো।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

শ্ৰদ্ধাৰে --

শ্ৰীশৰৎ হাজৰিকা

*সম্পাদক, সমাজসেৱা বিভাগ*



# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান অসমীয়া জাতীয় বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ, যিসকলে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে অসমী আইৰ বুকু উকা কৰি আমাক দি গ'ল সাহসিকতাৰ অনবদ্য পৰিচয়।

১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ পাই মই নিজকে ধন্য মানিছোঁ। কিন্তু মোৰ এই সীমিত কাৰ্যকালত মই আপোনালোকৰ বাবে কিমানখিনি কৰিব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। সম্পাদক হিচাপে নিৰ্বাচিত হৈ মই ছাত্ৰ জিৰণী কোঠাৰ উন্নতিৰ হকে বহুতো পৰিকল্পনা কৰিছিলো। কিন্তু বিভাগটোৰ সীমিত পুঁজিৰ বাবে সকলো ক্ষেত্ৰতে সফল হ'ব পৰা নাছিলো।

বৰ্তমানৰ ছাত্ৰ জিৰণী কোঠাটো ছাত্ৰ অনুপাতে যথেষ্ট সৰু হোৱাৰ বাবে শ্ৰেণী বিৰতিৰ সময়ত সকলো ছাত্ৰই একেলগে বহিবৰ বাবে অসুবিধা হয়। সেয়ে ইয়াৰ এক স্থায়ী সমাধানৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনোৱা হৈছিল আৰু কৰ্তৃপক্ষয়ো ইয়াৰ স্থায়ী সমাধান কৰিব বুলি আশ্বাস দিছিল। দুৰ্ভাগ্যবশতঃ মোৰ কাৰ্যকালত সেয়া সম্পূৰ্ণ হৈ নুঠিল। আশা ৰাখিছোঁ পৰৱৰ্তী সম্পাদকে এই ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ লৈ এই সমস্যাৰ সমাধান কৰিব।

মোৰ দায়িত্ব পালন কৰাত মোক সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক আৰু মোৰ মৰমৰ সমূহ বন্ধুবৰ্গলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত অজ্ঞাতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি ছয়দুৱাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

শ্ৰদ্ধাৰে --

শ্ৰীৰাজু শৰ্মা

*সম্পাদক, ছাত্ৰ জিৰণী কোঠা*



# শৰীৰ-চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ লিখনিৰ পাতনিতে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ্থে যিসকল বীৰ শ্বহীদে ত্যাগ স্বীকাৰ কৰি স্বদেশ আৰু স্বজাতিৰ নাম অক্ষুণ্ণ ৰাখি আই মাতৃৰ বুকু উদং কৰি গ'ল সেইসকল বীৰ শ্বহীদলৈ এই শুভক্ষণতেই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৮-৯৯ বৰ্ষৰ বাবে শৰীৰ চৰ্চা বিভাগৰ সম্পাদক পদৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে তথা বন্ধু-বান্ধৱীয়ে মোক ভোটদানেৰে জয়যুক্ত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

এই শুভক্ষণতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষসমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ হিয়া-ভৰা মৰম, শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলো।

ছাত্ৰ-ছাত্ৰীসকলে যি আশা আগত ৰাখি মোক এই গধুৰ দায়িত্ব দিছিল সেয়া কিমানখিনি কৰিলো বা কৰিব নোৱাৰিলো সেয়া আপোনলোকৰ বিচাৰ্য বিষয়। তথাপিতো সকলো দায়িত্বক মোৰ নিজৰ কৰ্তব্য হিচাপে লৈ ধৈৰ্য, সাহস আৰু আগ্ৰহেৰে আগবাঢ়ি গৈছিলো তাক কাৰ্যত পৰিণত কৰিবলৈ। এখন মহাবিদ্যালয়ত শৰীৰ-চৰ্চাৰ বাবে যিমানখিনি আহিলা লাগে আমাৰ মহাবিদ্যালয়ত সেইখিনি নাই। কিছু পৰিমাণে আছে যদিও সেয়া যথেষ্ট নহয়। তাতেই আমাৰ মহাবিদ্যালয়ৰ শৰীৰ-চৰ্চাৰ বাবে কোনো আছুতীয়া কোঠাৰ ব্যৱস্থা নাই। এইবোৰ সমস্যাৰ বাবে মই মোৰ মনৰ জোখাৰে সকলোবোৰ কল্পনা বাস্তৱত প্ৰতিফলিত কৰিব নোৱাৰিলো।

সেয়ে মই মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কৰ্তৃপক্ষলৈ কেইটিমান অনুৰোধ জনাব বিচাৰিছোঁ, সেইকেইটা হ'ল ঃ

(১) শৰীৰ-চৰ্চাৰ বাবে এটি আছুতীয়া কোঠাৰ ব্যৱস্থা কৰক আৰু নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলক শৰীৰ-চৰ্চা কৰিবৰ সুবিধা দিয়ক।

(২) এডাল পাঞ্জা ষ্টেণ্ডৰ ব্যৱস্থা কৰক।

(৩) শৰীৰ-চৰ্চাৰ বাবে এজন উপযুক্ত প্ৰশিক্ষকক নিযুক্তি দিয়ক।

(৪) খেলা-ধূলাৰ সামগ্ৰীসমূহৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰক।

(৫) খেলা-ধূলাৰ যাৱতীয় সা-সৰঞ্জাম আৰু কিছু বৃদ্ধি কৰক।

কৃতজ্ঞতা জ্ঞাপন ঃ মোৰ কাৰ্যকালত সৰ্বশ্ৰী মুনীন দাস ছাৰ, নিৰঞ্জন ভূঞা, লক্ষী বুঢ়াগোহাঁই ছাৰ, ৰাজু ওজা ছাৰ আৰু মুহিত বৰবৰুৱাদেৱে মোৰ কাৰ্যকালত উৎসাহ-উদ্দীপনা আৰু কলেজ সপ্তাহত বিভিন্ন কাম-কাজত সহায় কৰা বাবে মই তেখেতসকলক কৃতজ্ঞতা জনাইছোঁ।

মোৰ সকলো কাৰ্যত সহায় কৰা, বন্ধু-বান্ধৱী দাদা আৰু ভাইটি-ভণ্টিসকললৈ মোৰ হিয়া-ভৰা কৃতজ্ঞতা জনালো। লক্ষীমপুৰ জিলাৰ শিমলুগুৰি অঞ্চলৰ শ্ৰীমুহিত বৰবৰুৱা দেৱে খেলসমূহ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে বৰুৱাদেৱলৈয়ো কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পৰমপিতাৰ ওচৰত ছয়দুৱাৰ মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীণ উন্নতিৰ অৰ্থে প্ৰাৰ্থনা জনাই আৰু মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

ছাত্ৰ একতা সভা দীৰ্ঘজীৱী হওক

শ্ৰীতুলসী বৰা

*সম্পাদক, শৰীৰ-চৰ্চা বিভাগ*



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ ন্যায় আন্দোলনত যিসকল লুইতপৰীয়া বীৰ বীৰাঙ্গনাই তেওঁলোকৰ কলিজাৰ কেঁচা তেজেৰে অসমী আইৰ চৰণ পখালি স্বৰ্গগামী হ'ল, সেই অমৰ শ্বহীদৰ সোঁৱৰণত এটুপি অশ্ৰু-অঞ্জলি যাচি তেখেতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

দ্বিতীয়তে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে বিগত ১৯৯৮ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ্লৈ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সেইসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলো।

যিমান আশাৰে কিবা এটা কৰিম বুলি মোক ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰাইছিল সেই আশা জানো পূৰ্ণ কৰিব পাৰিলো? তাৰ কাৰণ কৰ্তৃপক্ষৰ হেমাহী বুলি নকৈ অৰ্থনৈতিক সমস্যা বুলিহে ক'ব লাগিব। কিমান যে অভাৱ ছাত্ৰী জিৰণী কোঠাটোৰ! কোঠাটো ঠেক হোৱাৰ লগতে ছাত্ৰীসকল বহিবৰ বাবে আসনৰো অভাৱ। মই যিহেতু ছাত্ৰী নিবাসত থাকোঁ, সেয়েহে ছাত্ৰী নিবাসৰ সমস্যাসমূহো দেখিদেখি মোৰ মনটোত বুজাব নোৱৰা দুখে দোলা দি যায়। কিন্তু দুখ লাগিলে জানো হ'ব -- যদি সেই বিষয়ত একো প্ৰতিকাৰ কৰিব নোৱাৰি? কিছু চেষ্টা কৰিছিলো যদিও ছাত্ৰ-সংসদৰ পৰা একো সহায়ৰ হাত নোপোৱাত একেবাৰেই বিফল হ'লো। ছাত্ৰী নিবাসত এজনো চকীদাৰ নথকাটো বা নিয়োগ নকৰাটো দুখজনক, ছাত্ৰীনিবাসৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কোনো ধৰণৰ নিৰাপত্তা দিবলৈ চেষ্টা নকৰাটোকে বুজায়। ছাত্ৰী নিবাসটো যিহেতু মহাবিদ্যালয়ৰে অংশ, সেয়েহে ইয়াৰ সমস্যাসমূহৰ সমাধানৰ অৰ্থে, বিশেষকৈ ছাত্ৰী নিবাস এলেকাৰ চাৰিসীমাত পকীবেৰ দিয়াৰ ব্যৱস্থা হাতত ল'লে ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ পৰম উপকাৰ সাধিত হ'ব।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত শিক্ষাগুৰু শ্ৰীযুত খগেন গোস্বামী ছাৰ, শ্ৰীযুত দিপক দাস ছাৰ, শ্ৰীযুত পদ্মেশ্বৰ ভূঞা ছাৰ শ্ৰীযুত দিগন্ত গোহাঁই ছাৰ, শ্ৰীযুত ৰঞ্জিত কামান ছাৰ, শ্ৰীযুত হেৰম্ব পায়েং ছাৰ, তত্বাৱধায়িকা কল্পনা বাইদেউ, লিলি বাইদেৱে বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শৰে সহায় কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোক সকলো কাৰ্যতে সহায় কৰা বন্ধু-বান্ধৱীসকল হ'ল -- ৰঞ্জিৎ, জনতা, স্বৰূপ, নেত্ৰজিৎ, ৰাতুল, সূৰ্য, ভাস্কৰজ্যোতি, বিশ্বজিৎদা, বিথুদা, মামনী বাইদেউ, মৃণালী বা, অঞ্জু বা, কল্পনা বা, হিমাদ্ৰী, এঞ্জেল, ঐয়াও (দিপালী), ৰেখা, ববী, ৰিউম, ভাইটি ভাস্কৰ, বিপ্লৱ, স্বপ্নীল, চন্দন, কৃষ্ণ লগতে ছাত্ৰ ও ছাত্ৰী নিবাসীৰ সকলো ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিলো।

বিভাগটো পৰিচালনা কৰোঁতে মোৰ জ্ঞাতে বা অজ্ঞাতে হোৱা দোষ-ত্ৰুটিৰ বাবে শিক্ষাগুৰু সমন্বিতে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত, হঠাতে আমাক কন্দুৱাই চিৰবিদায় লোৱা অধ্যাপিকা ৺পূৰবী দত্ত বৰুৱা বাইদেউৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ বছৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিলো।

জয় আই অসম

জয়তু ছয়দুৱাৰ মহাবিদ্যালয়

*শ্ৰদ্ধাৰে --*

শ্ৰীমতী এলিনা মটক

*সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা*

## ছয়দুৱাৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদক-সম্পাদিকাসকলৰ কালানুক্ৰমনিকা

| বৰ্ষ | আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |
|---|---|---|
| ১। ১৯৬৭ চন | | |
| ২। ১৯৬৮ চন | | |
| ৩। ১৯৬৯ চন | শ্ৰীকনক শৰ্মা | |
| ৪। ১৯৭০ চন | শ্ৰীকমল শইকীয়া | |
| ৫। ১৯৭১ চন | | |
| ৬। ১৯৭২ চন | | |
| ৭। ১৯৭৩ চন | | |
| ৮। ১৯৭৪ চন | | |
| ৯। ১৯৭৫ চন | শ্ৰীযতিন গোস্বামী (অপ্ৰকাশিত) | |
| ১০। ১৯৭৬ চন | | |
| ১১। ১৯৭৭ চন | শ্ৰীযতিন ৰাজখোৱা | |
| ১২। ১৯৭৮ চন | | |
| ১৩। ১৯৭৯ চন | | শ্ৰীপ্ৰতাপ বৰদলৈ |
| ১৪। ১৯৮০ চন | | শ্ৰীযতিন ৰাজখোৱা |
| ১৫। ১৯৮১ চন | শ্ৰীভূবন বৰা | শ্ৰীউৎপল মহন্ত |
| ১৬। ১৯৮২ চন | শ্ৰীসাৰদা উপাধ্যায় | শ্ৰীনিৰ্মল চাবুকধৰা |
| ১৭। ১৯৮৩ চন | | শ্ৰীলক্ষী ফুকন |
| ১৮। ১৯৮৪ চন | | |
| ১৯। ১৯৮৫ চন | শ্ৰীপাঞ্জল পাতিৰি | শ্ৰীসুনীল বৰুৱা |
| ২০। ১৯৮৬ চন | শ্ৰীবিদ্যুৎ বৰুৱা (অপ্ৰকাশিত) | শ্ৰীৰাজেন গোস্বামী |
| ২১। ১৯৮৭ চন | শ্ৰীসংগ্ৰাম বৰুৱা | শ্ৰীধৰ্মেশ্বৰ বৰা |
| ২২। ১৯৮৮ চন | শ্ৰীপ্ৰণৱ বৰা | শ্ৰীভূপেন বৰা |
| ২৩। ১৯৮৯ চন | শ্ৰীৰঞ্জিত বৰা | শ্ৰীভগৱান মহন্ত |
| ২৪। ১৯৯০ চন | শ্ৰীকৈলাশ ৰছাইলী | শ্ৰীমৃণাল শইকীয়া |
| ২৫। ১৯৯১ চন | শ্ৰীলোকনাথ শৰ্মা | শ্ৰীৰিপুন হাজৰিকা |
| ২৬। ১৯৯২ চন | শ্ৰীৰামায়ণ পেগু | শ্ৰীৰাকেশ উজীৰ |
| ২৭। ১৯৯৩ চন | শ্ৰীমৃদুল বৰা | শ্ৰীমনোজ বৰুৱা |
| ২৮। ১৯৯৪ চন | শ্ৰীমুক্তি খনাল | শ্ৰীপ্ৰশান্ত বসুমতাৰী (ভাৰপ্ৰাপ্ত) |
| ২৯। ১৯৯৫ চন | ছাত্ৰ একতা সভা | শ্ৰীতুৰ্কান্ত দুৱৰা |
| ৩০। ১৯৯৬ চন | শ্ৰীভূবন শইকীয়া (অপ্ৰকাশিত) | শ্ৰীঅশ্বিনী কুমাৰ বৰমুদৈ |
| ৩১। ১৯৯৭ চন | শ্ৰীপদ্ম দলে | শ্ৰীসমৰজ্যোতি শইকীয়া |
| ৩২। ১৯৯৮ চন | শ্ৰীশ্যামন্ত ভূএগ্ৰা | শ্ৰীমতী ৰশ্মিৰেখা শৰ্মা |

